দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ১০ আহাৰ ১৪২৯ ভাস্কৰাব্দ ২৫ জুন ২০২২



# কৃষিখণ্ডত বানৰ মাধমাৰ

শেহতীয়া বানৰ ফলত অসমৰ কৃষিখণ্ডৰ সৰ্বাধিক ক্ষতিসাধন হ'ল। প্ৰকাশিত তথ্য অনুসৰি, সাম্প্ৰতিক বানত ৰাজ্যৰ ১,০৭,৩৭০.৪৩ হেক্টৰ কৃষিভূমিৰ খেতি-বাতি নষ্ট হ'ল। বছৰৰ দ্বিতীয়টো বানত ৰাজ্যৰ ৩৩খন জিলা প্ৰভাৱিত হৈছে আৰু এইসমূহ জিলাৰ সৰহসংখ্যকে হৈছে কৃষি প্ৰধান। বাগ্‌সা, বৰপেটা, দৰং, ধুবুৰী, হোজাই, কামৰূপ, মৰিগাঁও, নগাঁও আৰু নলবাৰীত ৰাজ্যৰ ভিতৰতে সৰ্বাধিক পৰিমাণৰ শাক-পাচলিৰ উৎপাদন হৈ আহিছে। তথ্য অনুসৰি, এইবাৰৰ বানত বাগ্‌সাৰ ৭৪৮.০৭ হেক্টৰ, বৰপেটাত ১৩,৭৭১.৩৩ হেক্টৰ, দৰঙত ৭,৪৬৩.৭০ হেক্টৰ, ধুবুৰীত ৪,৮৭০.৭ হেক্টৰ, হোজাইত ৩,৩৪৪ হেক্টৰ, কামৰূপত ৩,৭৩৭.৮৫, মৰিগাঁৱত ১,৭০৭ হেক্টৰ, নগাঁৱত ৫,১৭৪.৭৪ হেক্টৰ আৰু নলবাৰীত ৬,৫৩১.৩ হেক্টৰ কৃষিভূমিৰ শষ্য নষ্ট হ'ল। শাক-পাচলিৰ লগতে ধান খেতিৰো বিস্তৰ ক্ষতিসাধন কৰিলে বানে। বতৰৰ ফলৰ খেতি যেনে তৰমুজ, আনাৰস আদিৰো খেতি-বাতি বানত নষ্ট হ'ল। এইদৰে কৃষিভূমি বানত বুৰ যোৱাৰ ফলত সৰ্বাধিক ক্ষতিগ্ৰস্ত হ'ল ধান খেতিয়কসকল। লহপহকৈ বাঢ়ি অহা ধাননি বানৰ পানীয়ে সম্পূৰ্ণকৈ নষ্ট কৰিলে। বানৰ এই তাণ্ডৱত ৰাজ্যৰ কৃষকসকলে এতিয়া মূৰে-কপালে হাত দিবলগীয়া অৱস্থা হৈছে। এফালে বানে ঘৰ-দুৱাৰৰ লগতে পশুধনৰ অপূৰণীয় ক্ষতি কৰিলে আৰু একে সময়তে খেতি-বাতিও বাঢ়নী পানীত নষ্ট হ'ল। একেটা বানত ৰাজ্যৰ মীন পালকসকলেও ভয়াৱহ ক্ষতিৰ সন্মুখীন হৈছে। গ্ৰামাঞ্চলৰ প্ৰায়বোৰ পুখুৰীৰে মাছ বাঢ়নী পানীত বাহিৰলৈ ওলাই যোৱাৰ ফলত মীনপালকে ত্ৰাহি মধুসূদন সুঁৱৰিছে। বানে কৰা এই ক্ষয়-ক্ষতিৰ পৰা এটা কথা স্পষ্ট হৈছে যে আগন্তুক দিনসমূহ অসমৰ বাবে যথেষ্ট প্ৰত্যাহ্বানমূলক হ'ব।

কৃষি উৎপাদনৰ পৰা মৎস্য উৎপাদনলৈকে কোনো এটা ক্ষেত্ৰতে অসম আত্মনিৰ্ভৰ নহয়। চাউল-দাইলৰ পৰা আৰম্ভ কৰি শাক-পাচলি, মাছ, কুকুৰা, ফলমূল ইত্যাদি অসমে আন ৰাজ্যৰ পৰা আমদানি কৰি আহিছে। এনে পৰিস্থিতিত ৰাজ্যখনত বানে কৃষিকাৰ্যক থানবান কৰাত আগন্তুক সময়ত পৰিস্থিতি কিমান জটিল হ'ব পাৰে, সেয়া সহজে অনুমেয়। আগন্তুক দিনত ৰাজ্যৰ বজাৰত মূল্যবৃদ্ধিয়ে যিদৰে ভয়াৱহ ৰূপ ধাৰণ কৰাৰ শংকা আছে, একেদৰে দুৰ্ভিক্ষ সদৃশ পৰিস্থিতিৰ উদ্ভৱ হোৱাৰো সম্ভাৱনা নুই কৰিব নোৱাৰি। স্থানীয়ভাৱে কৰা খেতি-বাতিয়ে গ্ৰামাঞ্চলৰ বহুতৰে ঘৰুৱা চাহিদা পূৰণ কৰি আহিছিল; কিন্তু বানত খেতি নষ্ট হোৱাত এতিয়া এইসকল লোকেও বজাৰৰ পৰা প্ৰয়োজনীয় কৃষিজাত সা-সামগ্ৰী ক্ৰয় কৰিব লাগিব। এনে এক পৰিস্থিতিত অসমে আগন্তুক সময়ত বৰ্তমানৰ তুলনাত আন ৰাজ্যৰ পৰা অধিক পৰিমাণত খাদ্য দ্ৰব্য ক্ৰয় কৰিব লাগিব। বজাৰত চাহিদা তথা হেঁচা বৃদ্ধি পালে খাদ্য দ্ৰব্যৰ মূল্যও উৰ্ধমুখী হোৱাটোৱে স্বাভাৱিক। ইতিমধ্যে বানৰ মাজতে ৰাজ্যত শাক-পাচলি, ফলমূলৰ মূল্য যথেষ্ট বৃদ্ধি পোৱাটো সকলোৱে প্ৰত্যক্ষ কৰিছে। বজাৰত খাদ্য সামগ্ৰী অধিক মহঙা হ'লে বানে জুৰুলা কৰা ৰাজ্যবাসীৰ অৱস্থা আগন্তুক দিনত কিমান ভয়াৱহ হ'ব পাৰে সেয়া সহজে অনুমেয়।

ইতিমধ্যে ৰাজ্যৰ বান পৰিস্থিতিৰ সন্দৰ্ভত আলোচনা কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা দিল্লীলৈ গৈছে আৰু তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে গৃহমন্ত্ৰী অমিত শ্বাহকো সাক্ষাৎ কৰাৰ কথা। এই সংকটৰ সময়ত নিঃসন্দেহে ৰাজ্যখনক কেন্দ্ৰৰ সহায়ৰ প্ৰয়োজন হ'ব। কেন্দ্ৰই বিপদগ্ৰস্ত ৰাজ্যখনক কেনেদৰে সকাহ দিয়ে সেয়া লক্ষ্যণীয় হ'ব। অৱশ্যে কেৱল কেন্দ্ৰৰ পৰা আৰ্থিক সাহায্য লাভ কৰিলেই বানপীড়িতৰ সমস্যাৰ সমাধান নহ'ব। দৰাচলতে আগন্তুক সময়ত ৰাজ্যত খাদ্য দ্ৰব্যৰ যোগান সন্তুলিত ৰাখি মূল্য নিয়ন্ত্ৰণত ৰখাটোহে অধিক প্ৰত্যাহ্বানমূলক হ'ব। তদুপৰি বানৰ পাছত কিদৰে ৰাজ্যৰ কৃষিখণ্ডক পুনৰ সজীৱ কৰি তুলিব পাৰি, তাৰ ব্যৱস্থা কৰাটো অতি জৰুৰী হ'ব। বানে ধোৱা ভূমিত কৰিব পৰা খেতিৰ সন্দৰ্ভত তৎপৰতাৰে ৰাজ্যৰ ক্ষতিগ্ৰস্ত কৃষকক সজাগ কৰি চৰকাৰৰ কৃষি বিভাগে প্ৰয়োজনীয় সহযোগিতা আগবঢ়াব লাগিব। বানত ক্ষতিগ্ৰস্ত বহু কৃষকৰ খেতি-বাতিৰ প্ৰতি মোহভংগ হ'ব পাৰে, সেয়েহে এনে খেতিয়কক কৃষি বিভাগে উৎসাহিত কৰাৰ ব্যৱস্থা লোৱাটো উচিত। একেদৰে মীন বিভাগেও বানত ক্ষতিগ্ৰস্ত মীন পালকক বিনামূল্যে পোনা আদিৰ যোগান ধৰি পুনৰ মৎস্য পালনৰ সুবিধা প্ৰদান কৰিলে বানে কৰা ক্ষতি কিছু পৰিমাণে হ'লেও পূৰণ হ'ব। চৰকাৰৰ সক্ৰিয়তা আৰু সহযোগিতাইহে ৰাজ্যৰ কৃষকসকলক সম্ভাব্য মহাসংকটৰ পৰা ৰক্ষা কৰিব পাৰিব।

## অসম কলেজ শিক্ষক সংস্থা

# শিক্ষাখণ্ডত সংস্কাৰ সাধনৰ অবিৰত আন্দোলন

অলপতে 'অসম কলেজ শিক্ষক সংস্থা'ৰ এটা ব্যতিক্ৰমধৰ্মী 'অন্তৰংগ আলাপ'ৰ অনুষ্ঠানত যোগদান কৰাৰ সৌভাগ্য ঘটিছিল। অনুষ্ঠানৰ উদ্দেশ্য আছিল ২০২৩ৰ ফেব্ৰুৱাৰীৰ পৰা উদ্‌যাপন কৰিবলগীয়া সংস্থাৰ 'মহাৰজত জয়ন্তীবৰ্ষ' আৰু এই বছৰৰ শেহৰ ফালে পালন কৰিবলগীয়া বিশিষ্ট শিক্ষাবিদ তথা ৰাজনীতিজ্ঞ অজিত কুমাৰ শৰ্মাৰ জন্ম শতবাৰ্ষিকীৰ বিষয়ে আলোচনা। পিছে সেইদিনাখনৰ সভালৈ মাথোন সংস্থাক নেতৃত্ব দিয়া পূৰ্বৰ সভাপতি আৰু সাধাৰণ সম্পাদকসকলকহে আমন্ত্ৰণ জনোৱা হৈছিল।


সভাখনত মোৰ উপস্থিতি সুনিশ্চিত কৰিবলৈ সংস্থাৰ সাধাৰণ সম্পাদক ড° জয়ন্ত বৰুৱাৰ উপৰি সভাপতি হিমাংশু মৰলে কে'বাদিনো ফোন কৰিছিল। মই কৈছিলো, স্বাস্থ্যজনিত সমস্যাৰ উদ্ভৱ নহ'লে নোযোৱাৰ প্ৰশ্নই নুঠে। ১৯৭০ত আৰ্য বিদ্যাপীঠ কলেজত ৰসায়ন বিভাগত প্ৰবক্তা পদত যোগদান কৰাৰে পৰা ২০০৬ৰ জানুৱাৰীত বিভাগীয় মুৰব্বীৰূপে অৱসৰ লোৱালৈকে সুদীৰ্ঘ ৩৬ বছৰ ধৰি সংস্থাৰ বিভিন্ন গতিবিধিৰ স'তে ওতঃপ্ৰোতভাৱে জড়িত হৈ আহিছো। ক'বলৈ গ'লে মোৰ ৰাজহুৱা জীৱনৰ সমস্ত গতিবিধিৰ চালিকাশক্তি হ'ল অসম কলেজ শিক্ষক সংস্থাৰ জৰিয়তে লাভ কৰা শিকনি আৰু অনুশীলন।

এনে পটভূমিত ১২ জুনৰ (২০২২) সংস্থাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সভাঘৰত (চোলাপাৰ, গুৱাহাটী) অনুষ্ঠিত সভাত উপস্থিত হৈ আৱেগিক হৈ পৰাটো তেনেই স্বাভাৱিক। পিছে তাত উপস্থিত হোৱা সকলৰ একেই অৱস্থা। মোক দেখিয়েই বৰ্ষীয়ান সমাজবাদী নেতা ৰমণী বৰ্মনে সাৱটি ধৰি ক'লে- তোমাৰ কথা প্ৰায়েই মোৰ মনত পৰে, জয়কান্ত। তুমি সন্মুখীন হোৱা কেতবোৰ পৰিস্থিতিৰ বিষয়ে মই ভালকৈ জানো।

পিছে বিভিন্ন সময়ত সংস্থাৰ নেতৃত্ব গ্ৰহণ কৰা শিক্ষকসকলে বিভিন্ন সমস্যাৰ সন্মুখীন হোৱাটো অৱধাৰিত। কৌশল আৰু বিচাৰ-বুদ্ধিৰে সেইবোৰৰ সমাধান কৰাৰ প্ৰয়াসেই হ'ল সংস্থাৰ মূল কাৰ্যসূচী। তদুপৰি বিষয়বাব নোলোৱাকৈও শ শ সাধাৰণ শিক্ষক সদস্যই সংস্থাৰ হকে কাম কৰিবলৈ গৈ সততে আলৈ-আহুকাল মূৰ পাতি লয়। সংস্থাৰ স্বীকৃতিপ্ৰাপ্ত প্ৰতিখন কলেজৰ শিক্ষক গোটৰো সংস্থাৰ প্ৰতি দায়বদ্ধতা আছে। সেই কাৰণতে অসম কলেজ শিক্ষক সংস্থা মাথোন এটা সংগঠনেই নহয়, শিক্ষাখণ্ডত সংস্কাৰ সাধনৰ ই এটা অবিৰত আন্দোলনো।

সেই দৃষ্টিৰে অসমৰ ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানত গণতান্ত্ৰিক পৰম্পৰাৰ সঞ্চাৰণত 'অসম কলেজ শিক্ষক সংস্থা'ই কটকটীয়া; কাৰণ স্বাধীনতা লাভৰ ডেৰ বছৰ পাছতে সংস্থাটোৱে জন্মলাভ কৰিছিল, ১৯৪৯ ৰ ২৬ ফেব্ৰুৱাৰীত। সংস্থাৰ অন্যতম প্ৰতিষ্ঠাপক সদস্য তথা সভাপতি আৰু সাধাৰণ সম্পাদকৰূপে তিনিবাৰকৈ নেতৃত্ব দিয়া আজীৱন শিক্ষক অজিত কুমাৰ শৰ্মা আছিল সংস্থাৰ অভিভাৱকস্বৰূপ। সেইদিনাৰ সভাতে শৰ্মা ছাৰৰ ৰাজহুৱা জীৱনৰ কৰ্মৰাজি আৰু উপলব্ধি সম্পৰ্কে সুন্দৰভাৱে আলোকপাত কৰিলে ৰমণী বৰ্মনে।

সভাত লগ পালো হিতেন্দ্ৰ নাথ



**বিক্ষিপ্ত চিন্তা**

**ড° জয়কান্ত শৰ্মা**

শৰ্মা, ৰমেশ গোস্বামী, ৰমণী চহৰীয়া, জ্যোতি গগৈ, প্ৰদীপ দত্ত, জয়নাল আবেদিনকে ধৰি কে'বাজনো প্ৰাক্তন সভাপতি আৰু সম্পাদকক। অনুপস্থিত সকলৰ অনেকে ইতিমধ্যে চিৰবিদায় লৈছে, বহুতৰে স্বাস্থ্যজনিত সমস্যা। বৰ্তমানৰ কাৰ্যনিৰ্বাহকৰ একাংশ সদস্যৰ লগতে সংস্থাৰ অক্লান্ত কৰ্মী বিশ্বজিৎ ভূএগ আৰু বিভিন্ন মণ্ডলৰ কিছুসংখ্যক প্ৰতিনিধিও সভাত উপস্থিত আছিল। আকৌ সভাখন অনুষ্ঠিত হৈছিল সংস্থাৰ প্ৰথমগৰাকী সাধাৰণ সম্পাদক (১৯৪৯-৫০) অধ্যাপক মহেশ চন্দ্ৰ দেৱগোস্বামীৰ সোঁৱৰণত উৎসৰ্গিত আটকধুনীয়া সভাঘৰত।

এনে পৰিৱেশত মনে অতীতলৈ উৰা মাৰে। স্মৃতিপটত এখন এখনকৈ পাৰ হৈ গ'ল বিভিন্ন সময়ত সান্নিধ্য লাভ কৰা অনন্ত লহকৰ, মাখন শালৈ, সতীশ চন্দ্ৰ ভট্টাচাৰ্য, তোযেশ্বৰ চেতিয়া, উমেশ চন্দ্ৰ শৰ্মা, ৰবীন্দ্ৰ নাথ শৰ্মা, দীনেশ চন্দ্ৰ বৰুৱা, নৰেন চাংমাই, ৰোহিনী কুমাৰ বৰুৱা আৰু অনেকৰে ছবি। যজ্ঞেশ্বৰ শৰ্মা, মুহিৰাম শইকীয়া, মুকুল চলিহা, যতীন্দ্ৰৰঞ্জন দে', বিপিন পাল দাস, পৰাগ চলিহা আদিৰ দৰে শিক্ষাবিদসকলে সংস্থাৰ দিক্ নিৰ্ণয়ত ভূমিকা পালন কৰাৰ কথাও জানো। পৰীক্ষাবৰ্জন আন্দোলনত বাণেশ্বৰ শইকীয়াই দি থৈ যোৱা নেতৃত্বৰ কথাকে বাৰু কোনে পাহৰিব পাৰে? বিশিষ্ট সাহিত্যিক-পণ্ডিত অধ্যাপক যতীন্দ্ৰ নাথ গোস্বামীয়ে সংস্থাক তিনিবাৰকৈ নেতৃত্ব দিছিল সভাপতিৰূপে; তাৰে এবাৰত মই সহঃ সম্পাদকৰূপে (১৯৮০-৮১) অতি ঘনিষ্ঠভাৱে তেওঁৰ স'তে কাম কৰাৰ সুযোগ পাইছিলো। লক্ষ্যণীয় যে সংস্থাৰ প্ৰথম দুবছৰ সভাপতি আছিল কটন কলেজৰ অধ্যাপক আৰ আৰ থমাছ। তাৰ পাছতে সভাপতিত্ব কৰিছিল অজিত কুমাৰ শৰ্মাই।

অজিত কুমাৰ শৰ্মা ছাৰৰ ঘৰটো সংস্থাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ পৰা নাতিদূৰত। গুৱাহাটীত থাকিলে সন্ধিয়া কাৰ্যালয়ত এভুমুকি মৰাটো তেওঁৰ অভ্যাস আছিল। এদিন আহি মোক অকলে বহি থকা দেখা পাই আফচোচ কৰি ক'লে- আগতে সন্ধিয়া আমাৰ কাৰ্যালয় সক্ৰিয় কৰ্মীসকলৰ উপস্থিতিৰে গিজগিজাই আছিল; এতিয়া ইউ জি চি বেতন নিৰিখ পোৱা বাবেই বহুতে সংস্থালৈ পিঠি দিলে হ'বলা! তেওঁলোকে পাহৰি গ'ল যে শিক্ষক আৰু শিক্ষাৰ বাবে আমি আৰু বহুত কৰিবলগীয়া আছে; তদুপৰি শিক্ষা পদ্ধতি পাঠ্যক্ৰম আৰু পাঠ্যপুথিৰ সংস্কাৰ সাধন আদিৰ দৰে বিষয়বোৰত অসম কলেজ শিক্ষক সংস্থাই মনোনিৱেশ নকৰিলে কোনে কৰিব?

তাৎপৰ্যপূৰ্ণ যে কলেজ শিক্ষকৰ সংগঠন গঢ়ি উঠাৰ সময়ত বেচৰকাৰী কলেজ পৰিচালনাৰ বাবে চৰকাৰৰ কোনো নীতি নাছিল, শিক্ষকসকলৰ দা-দৰমহা, কলেজৰ ঘৰ-দুৱাৰ আদি সকলো ক্ষেত্ৰতে অনিশ্চয়তা বিৰাজ কৰিছিল। সেই অৱস্থাৰ পৰা ঢাপে ঢাপে উত্তৰণ ঘটি আজি কলেজ শিক্ষকৰ বাবে সেৱাবিধি, দৰমহাৰ নিৰিখ, পেঞ্চন আদি সুনিশ্চিত হৈছে আৰু বিশ্ববিদ্যালয়ৰ নীতি-নিৰ্ধাৰণতো প্ৰভাৱ বিস্তাৰ কৰিব পাৰিছে।

পিছে উত্তৰণৰ প্ৰতিটো ঢাপতেই আছে কলেজ শিক্ষকৰ সংগ্ৰামৰ ইতিহাস; প্ৰতিবাদ দিৱস, ক'লা বেজ পৰিধান, শ্ৰেণী বৰ্জন, ধৰ্ণা-অনশন, শিক্ষাধিকাৰৰ কাৰ্যালয় অৱৰোধ আদিকে ধৰি কত কি যে আন্দোলনৰ কাৰ্যসূচী! তাৰ বাবে শিক্ষকে গ্ৰেপ্তাৰ বৰণ কৰিবলগীয়াত পৰিছে, আৰক্ষীৰ লাঠিৰ কোবো খাইছে। চৰকাৰৰ স'তে আলোচনাত স'ততে আমোলাৰ হস্তক্ষেপ সহ্য কৰিবলগীয়া হয়, সময়ে সময়ে চৰকাৰেও বিভাজন নীতি আৰু বিদ্বেষপূৰ্ণ আচৰণ দেখুৱায়। সেয়েহে শিক্ষক সদস্যসকলে অসম কলেজ শিক্ষক সংস্থাৰ সংগ্ৰামী সত্তাৰ কথা পাহৰিব নোৱাৰে। মনত ৰাখিব লাগিব শিক্ষকে ঘৰ ভাড়া বানচ, মৰগীয়া বানচ, গ্ৰেছুয়িটি আদি পাবলৈও সংস্থাই যুঁজ দিবলগীয়া হৈছিল।

মোৰ দৃষ্টিত অসম কলেজ শিক্ষক সংস্থাৰ সংগ্ৰামৰ ইতিহাসত দুটা অধ্যায় ধৰ্মসংকটৰূপে পৰিগণিত হৈছিল। (১) কলেজ শিক্ষকৰ বাবে ইউ জি চি হাৰৰ বেতন নিৰিখ প্ৰৱৰ্তনৰ দাবীত ১৯৭৫ৰ পৰীক্ষা বৰ্জনৰ আন্দোলন আৰু (২) অসমৰ জাতীয় জীৱনৰ বাবে তাৎপৰ্যপূৰ্ণ বিদেশী নাগৰিকৰ চিনাক্তকৰণ, ভোটাধিকাৰ কৰ্তন আৰু বিতাড়নৰ দাবীত ১৯৭৯ত আৰম্ভ হোৱা ঐতিহাসিক অসম আন্দোলনলৈ সমৰ্থন। দ্বিতীয় বিষয়টোৰ আলোচনা পাছলৈ থৈ সদ্যহতে পৰীক্ষা বৰ্জন কাৰ্যসূচীৰ ধৰ্মসংকটৰ বিষয়ে কিঞ্চিৎ আলোকপাত কৰাটো উচিত হ'ব।

**শিক্ষাৰ সংস্কাৰ সাধন বুলিবলৈ কি আছে? শিক্ষকে ভালদৰে পঢ়ুৱাব লাগে, ছাত্ৰই ভালদৰে পঢ়িব লাগে আৰু কৰ্তৃপক্ষই ভাল পাঠ্যপুথিৰ যোগান ধৰিব লাগে। আকৌ ৰাষ্ট্ৰৰ ভৱিষ্যৎ দেশৰ অসংখ্য শ্ৰেণীকোঠাত আবদ্ধ হৈ আছে**

হওঁতে বিশ্ববিদ্যালয়ৰ দ্বাৰা পৰিচালিত পৰীক্ষাত অংশগ্ৰহণ কৰা শিক্ষকসকলে সুকীয়াকৈ পাৰিশ্ৰমিক পায়; কোনো কোনো শিক্ষকে প্ৰক্ৰিয়াটোত অংশগ্ৰহণ নকৰিলেও চলি যায়। কিন্তু সকলো শিক্ষকেই পৰীক্ষা কাৰ্যত অসহযোগ কৰিলে ছাত্ৰ-ছাত্ৰীসকলৰ এটা শিক্ষাবৰ্ষ অথলে নাযাবনে? কলেজ শিক্ষকসকলে বৰ্ধিত বেতন নিৰিখৰ দাবীত এনে কাৰ্যসূচী গ্ৰহণ কৰাটো উচিত হয়নে? এনেবোৰ প্ৰাসংগিক প্ৰশ্নৰ বিচাৰ কৰিবলৈ ১৯৭৫ৰ আৰম্ভণিতে অসম কলেজ শিক্ষক সংস্থাৰ এখন বিশেষ অভিৱৰ্তন অনুষ্ঠিত হৈছিল গুৱাহাটীৰ বি বৰুৱা কলেজত।

অভিৱৰ্তনত সংস্থাৰ তৰফৰ পৰা যুক্তি দাঙি ধৰা হৈছিল যে শিক্ষক আৰু ছাত্ৰৰ প্ৰতি দায়বদ্ধতা চৰকাৰে এৰাই চলিব নোৱাৰে। কেন্দ্ৰীয় চৰকাৰে জনাইছে, কলেজ শিক্ষকৰ বাবে ইউ জি চি বেতন নিৰিখ ৰাজ্য চৰকাৰে প্ৰৱৰ্তন কৰিলে তাৰ বাবদ হোৱা ব্যয়ৰ ৮০ শতাংশ কেন্দ্ৰই বহন কৰিব; অৰ্থাৎ ৰাজ্য চৰকাৰে আৰ্থিক বোজা বহন কৰিবলগীয়া নহয়। তৎসত্ত্বেও সংস্থাৰ দাবীটো মানি নল'ব কিয়?

কলেজ শিক্ষকৰ পৰীক্ষা বৰ্জন আন্দোলন সফল হৈছিল। এই আন্দোলনলৈ সদৌ অসম ছাত্ৰ সন্থায়ো সমৰ্থন দিছিল। কিন্তু আঁকোৰগোজ শৰৎ চন্দ্ৰ সিংহৰ চৰকাৰে মণ্ডল-কাননগো-কেৰাণী-মহৰীৰ হতুৱাই কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীক ভয় দেখুৱাই পৰীক্ষা পাতিছিল; কিন্তু অধিকাংশই পৰীক্ষাত নবহিল। তেওঁলোকৰ এটা শিক্ষাবৰ্ষ অথলে গ'ল। পিছে ১৯৭৫ৰ ২৫ জুনৰ মাজনিশা স্বৈৰাচাৰী ইন্দিৰা গান্ধীয়ে জৰুৰী শাসন প্ৰৱৰ্তন কৰাৰ লগে লগেই অসম চৰকাৰেও আন্দোলনকাৰী শিক্ষক-নেতাসকলক জেলত ভৰাই থ'লে। সংস্থাৰ তদানীন্তন সভাপতি অজিত কুমাৰ শৰ্মাকতো ঘৰুৱা সাজ-পাৰ পিন্ধি থকা অৱস্থাতে ধৰি নি ওৰেটো নিশা পাণবজাৰ থানাত বহুৱাই ৰাখিছিল। এনেদৰেই ডেৰ কুৰিমান কলেজ শিক্ষক 'MISA' আইনৰ আধাৰত ঊনৈছ মাহ কাল জেলত আছিল। জৰুৰী শাসন প্ৰত্যাহাৰৰ পাছত অনুষ্ঠিত বিধানসভাৰ নিৰ্বাচনত সেইসকলৰ মাজৰে পৰা ১২ জন কলেজ শিক্ষক বিধায়কৰূপে নিৰ্বাচিত হৈছিল। তাৎপৰ্যপূৰ্ণ যে নৱগঠিত জনতা চৰকাৰে কলেজ শিক্ষকক ইউ জি চি বেতন নিৰিখ প্ৰদান কৰিবলৈ তৎকালেই সিদ্ধান্ত লৈছিল; তদানীন্তন শিক্ষামন্ত্ৰী আছিল লক্ষ্যধৰ চৌধুৰী আৰু ৰমণী বৰ্মন।

অসম কলেজ শিক্ষক সংস্থাৰ মূল দাবী এটা আছিল, কলেজ শিক্ষকৰ ওপৰত চৰকাৰ আৰু বিশ্ববিদ্যালয়ৰ দ্বৈত-নিয়ন্ত্ৰণ ব্যৱস্থাৰ অন্ত পেলাই ঘাটি মঞ্জুৰি প্ৰাপ্ত কলেজসমূহক বিশ্ববিদ্যালয়ৰ 'Constituent College' ৰূপে অন্তৰ্ভুক্তিকৰণ। ভাৰতৰ একাধিক ৰাজ্যত সেই ব্যৱস্থা আছে। কিন্তু অসম চৰকাৰে সেই দাবী মানি লোৱা নাই। ১৯৮৩-৮৫ৰ হিতেশ্বৰ শইকীয়াৰ চৰকাৰে অসমৰ সকলোবোৰ কলেজৰে চৰকাৰীকৰণৰ সিদ্ধান্ত লৈছিল; কিন্তু উক্ত সিদ্ধান্ত ৰদ কৰিছিল পৰৱৰ্তী প্ৰফুল্ল মহন্তৰ চৰকাৰে। কিন্তু সেইখন চৰকাৰেও কলেজ শিক্ষকৰ দাবী পূৰণ কৰাত উদাসীন হৈ ৰ'ল। এনে পটভূমিত তৰুণ গগৈৰ চৰকাৰে গ্ৰহণ কৰা প্ৰাদেশিকীকৰণৰ সিদ্ধান্তলৈ (২০০৫) সংস্থাই আদৰণি জনোৱাটো অৱধাৰিত হৈ পৰিছিল।

ইউ জি চি বেতন নিৰিখ প্ৰৱৰ্তিত হোৱাৰ পাছতো বকেয়া ধন, চিলেকচন গ্ৰেড পাবলৈ শিক্ষক সংস্থাই আন্দোলন কৰিবলগীয়া হৈছিল। এতিয়া প্ৰাদেশিকীকৰণৰ লগে লগেই সমস্যাৰ অন্ত পৰিল বুলি ভবাটো ভুল হ'ব। নতুন শিক্ষানীতিৰ আধাৰত আৰু স্বয়ং-চালিত কলেজৰ অৱধাৰণাৰ স'তে সংগতি ৰাখি কলেজ শিক্ষকসকলে নতুন নতুন প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব। এই ক্ষেত্ৰত বিদ্যায়তনিক দায়বদ্ধতা মূল বিন্দু হৈ পৰে।

অজিত কুমাৰ শৰ্মা ছাৰে আলোচনাচক্ৰবোৰত প্ৰায়েই কৈছিল,— শিক্ষাৰ সংস্কাৰ সাধন বুলিবলৈ কি আছে? শিক্ষকে ভালদৰে পঢ়ুৱাব লাগে, ছাত্ৰই ভালদৰে পঢ়িব লাগে আৰু কৰ্তৃপক্ষই ভাল পাঠ্যপুথিৰ যোগান ধৰিব লাগে। আকৌ 'ৰাষ্ট্ৰৰ ভৱিষ্যৎ দেশৰ অসংখ্য শ্ৰেণীকোঠাত আবদ্ধ হৈ আছে, ছাৰৰ এই কথাষাৰি হৈ পৰিছিল 'কোঠাৰী শিক্ষা আয়োগ'ৰ পৰামৰ্শাৱলীৰ মূল আৰ্হি। অজিত কুমাৰ শৰ্মাৰ এই দৰ্শনেই অসম কলেজ শিক্ষক সংস্থাৰ পাথেয়।

*ফোন : ৯৪৩৫৫-৫৪২০৫*



## খো লা ম ঞ্চ

# এইবেলি বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হৈছেনে?



**বিহু** অসমীয়াৰ জাতীয় উৎসৱ। জাতীয় উৎসৱবোৰে প্ৰত্যেক জাতিৰে সুকীয়া পৰিচয় দাঙি ধৰে। গতিকে জাতিক সন্মান সহকাৰে জীয়াই ৰাখিবলৈ বিহুৰ মৰ্যাদা অক্ষুণ্ণ ৰখাটো অতিকৈ বাঞ্ছনীয়। কেৱল ব'হাগৰ বিহুটিয়েই নহয়, কাতি বিহুৰেই হওঁক বা মাঘ বিহুৰেই হওক সকলোবোৰ যিহেতু কৃষিৰ স'তে জড়িত, সেয়ে নিয়ম অনুসৰিয়েই সকলোৱে পালন কৰা উচিত। যিহেতু বিহু মঞ্চৰ ঐতিহ্য ৰক্ষাৰ কথা কোৱা হৈছে। আমাৰ ব'হাগ বিহুটি এতিয়া মঞ্চ বিহু বুলি পৰিচিত। অসমৰ ব'হাগৰ 'ৰঙালী' বিহু মানে হ'ল অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বিয়পি থকা সকলো জাতি-জনগোষ্ঠী সামৰি আমাৰ অসমীয়াৰ পৰম্পৰা, কৃষ্টি-সংস্কৃতিৰ স'তে সকলোকে পৰিচয় কৰাই দিয়া। আমাৰ জাতীয় সংস্কৃতি কিন্তু বহুত চহকী। বিহু নৃত্যৰ মাদকতাই সুকীয়া যিয়ে নেকি গোটেই বিশ্বতে মানুহক আকৰ্ষিত কৰিব পাৰে। পুৰুষোত্তম দাস ৰচিত 'শ্ৰীময়ী অসমীয়াৰ শীতল বুকুত উঠে উছৱৰ মধু আলোড়ন' গীতটিৰে অসমৰ সকলোবোৰ বিহুতলীতে পতাকা উত্তোলনেৰে বিহুৰ আৰম্ভণি কৰা হয়। পুৱাৰ এই শীতল বুকু ৰাতি দুপৰ নিশা কিয় জানো গৰম হোৱা পৰিস্থিতিৰ উদ্ভৱ হ'ল তাক পৰ্যবেক্ষণ কৰি চোৱাৰ সময় আহি পৰিছে। আজিৰ বিহু মঞ্চও শ্ৰদ্ধাৰ শিল্পীসকলৰ নিমন্ত্ৰণ তেনেই নগণ্য। লোক কলা-কৃষ্টিৰ শিল্পীৰ পৰিচয় যদি এখন বিহুমঞ্চই দিব নোৱাৰে তেনেহ'লে দিব কোনে? বৰ্তমান আমি দেখি থকা খাম-খেয়ালিবোৰ প্ৰকৃততে আমাৰ অসমীয়া জাতিৰ বাবে অশুভ লক্ষণ বুলি ভাবো। আজি সকলো স্তৰতে দেখি অহা এচাম ব্যক্তি বিশেষে কেৱল সকলোৱে গামোচাখন ডিঙিত আঁৰি, জাতিক চহকী কৰাৰ বক্তৃতা সামাজিক মাধ্যমত প্ৰচাৰ চলোৱাৰ যি অভিনৱ পন্থা তাক দেখিলে আচৰিত লাগে। এতিয়াৰ বিহু পালনৰ জাক-জমকতাৰ কোবত চৰকাৰে নিয়ম বান্ধিবলৈ বাধ্য হৈছে। গোটেই নিশা বিহু পাতি নিজৰ প্ৰচাৰ চলাই খ্যাতি লাভ কৰা কিছুমান শিল্পী আনি, যিসকল শিল্পীয়ে কেৱল বিহুটোকেই নিজৰ জীৱিকাৰ সোণসেৰীয়া বাট হিচাপে বুকুত সাৱটি বহি থাকে, একেই কেইটা গান বছৰে বছৰে বাদ্যযন্ত্ৰ আৰু নাচোন-বাগোনৰ মাজেৰে এক অভিনৱ সাজ-সজ্জাৰে, তেওঁ প্ৰতিবছৰে কেৱল কি পোছাক পিন্ধিব, কোন ডিজাইনাৰে কৰিব তাতহে ব্যস্ত থকা যেন দেখা যায়। গীতৰ সলনি নহয়, কিন্তু পোছাকৰ সলনিটো মন কৰিবলগীয়া, বিহু বুলি য'ত আমাৰ হুঁচৰি দল, বিহু নৃত্য বা আন লোক-নৃত্যই স্থান পাব লাগিছিল, তেওঁলোকে সেই মান্যতা নাপায়। গতিকে, মঞ্চত যদি প্ৰকৃত শিল্পীয়ে শোভাবৰ্ধন নকৰে, তেতিয়াহ'লে মঞ্চৰ বাহিৰতো প্ৰকৃত দৰ্শক নাথাকে আৰু তাৰ পৰাই জন্ম হয় বিশৃংখল পৰিৱেশ যেনে বিহুত 'বোকা ডেঞ্চ', ফলত প্ৰকৃত দৰ্শকে বিহুতলী এৰিবলৈ বাধ্য হৈ যায়। আমাৰ উঠি অহা শিশুসকলৰ লগতে যুৱ প্ৰজন্মই আজি যদি বিহুৰ নামত 'বোকা ডেঞ্চৰ' জ্ঞান ল'ব লগা হয় তাতকৈ দুখৰ কথা আৰু একো হ'ব নোৱাৰে। বিহুৰ পৰম্পৰা ৰক্ষা কৰিবলৈ হ'লে বিহুৰ পুৰণি নিয়মেই শ্ৰেয় বুলি বোধ কৰো। মঞ্চ বিহুৰ পৰিচালনাৰ দায়িত্ব উপযুক্ত, জ্ঞানগৰ্ভ ব্যক্তিৰ হাতত ন্যস্ত থকাৰ প্ৰয়োজন আছে। লগতে সুন্দৰ পৰিৱেশ বজাই ৰাখিবলৈ আমাৰ সকলো চিন্তা-চৰ্চাৰ কিছু ক্ষেত্ৰত আধুনিকতা পৰিত্যাগ কৰিব পৰা বিধৰ হ'ব লাগিব। শান্তি-শৃংখলা বজাই ৰাখিবৰ বাবে চৰকাৰৰ নিয়ম-নীতিৰো প্ৰয়োজন আছে।

**দীপ্তি ভট্টাচাৰ্য**, লেখিকা


*ফোন : ৭০০২৯৮২০৬৪*

# গুণোৎসৱৰ প্ৰতিবেদনৰ ফল ইতিবাচক হওক

**ৰাজ্যত** গুণোৎসৱৰ সামৰণি পৰিল। ইতিমধ্যে সকলো বিদ্যালয়তে এই গুণোৎসৱক লৈ যি জাকজমক পৰিৱেশৰ সৃষ্টি হৈছিল সেইবোৰো নিজম পৰিল। চৰকাৰে যি মহান উদ্দেশ্য আগত লৈ গুণোৎসৱ অনুষ্ঠিত কৰিলে সেয়া পৰৱৰ্তী সময়ত কিমান কাৰ্যকৰী হ'ব তাৰ উত্তৰ সময়েহে দিব। গুণোৎসৱেৰে বিদ্যালয়ৰ সমস্যাৰাজীৰ বিষয়ে অৱগত হোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ জ্ঞান লাভৰ মূল্যাংকন কৰা হৈছে। এয়া সঁচাকৈয়ে ইতিবাচক পদক্ষেপ। অসমৰ শিক্ষাৰ ক্ষেত্ৰত এয়া এক অভূতপূৰ্ব পদক্ষেপ বুলি আখ্যা দিয়া হৈছে। ৰাজ্যৰ প্ৰতিখন বিদ্যালয়ত গুণোৎসৱৰ বাবে মূল্যাংকক উপস্থিত হৈছিল। এইক্ষেত্ৰত বিষয়াসকলে শিক্ষকৰ ৰূপতো অৱতীৰ্ণ হোৱা



দেখা গ'ল। বিষয়াসকলে শিক্ষাৰ্থীসকলৰ জ্ঞানৰ নমুনাও ল'লে। গুণোৎসৱত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পৰা আৰম্ভ কৰি প্ৰায়ভাগ মন্ত্ৰী-বিধায়কে শিক্ষকৰ ৰূপত অৱতীৰ্ণ হ'ল। মূল্যাংকন কৰাৰ লগতে বিদ্যালয়ৰ সমস্যা তথা আন্তঃগাঁঠনি সম্পৰ্কে প্ৰতিবেদন দাখিল কৰিলে। এই প্ৰতিবেদনসমূহ সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত দাখিল কৰাৰ পাছত এইবোৰ কি পৰ্যায়ত আছে তাক লৈ ৰাইজৰ মাজত ইতিমধ্যে গুণাগথা আৰম্ভ হৈছে। হোৱাটো স্বাভাৱিক কথা। এই প্ৰতিবেদনসমূহ এতিয়া পৰ্যালোচনা কৰা হৈছে নে নাই তাৰ বিষয়েও চৰ্চা হৈছে।



**গোপাল জালান**

প্ৰতিখন বিদ্যালয়ত নিয়োজিত বিষয়াসকলে এতিয়া যদি মাহেকত এবাৰ বা দুবাৰ গৈ ছাত্ৰ-ছাত্ৰীসকলক আগবঢ়োৱা প ৰা ম ৰ্শ আখৰে আখৰে পালন কৰিছেনে নাই সেয়াও নিৰীক্ষণ কৰাৰ প্ৰয়োজনীয়তা আছে। আনহাতে, আন্তঃগাঁঠনি আদিৰ উন্নয়নৰ ক্ষেত্ৰত সংশ্লিষ্ট কৰ্তৃপক্ষই পদক্ষেপ গ্ৰহণ কৰিছেনে নাই সেই সম্পৰ্কে পৰ্যালোচনা কৰা উচিত। যদিহে এইবোৰ সমস্যা সমাধানৰ বাবে বিষয়াজনে আগভাগ লৈ বিভাগৰ স'তে সম্পৰ্ক ৰক্ষা কৰি থাকে তেতিয়াহ'লে গুণোৎসৱৰ লক্ষ্য সফল হ'ব।

বিদ্যালয়সমূহত শিক্ষাৰ্থীৰ মূল্যাংকন কৰোঁতে যিবোৰ ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যতে ভাৰতীয় প্ৰশাসনিক পৰীক্ষা অথবা অসম প্ৰশাসনিক সেৱাৰ পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ লক্ষ্য বান্ধি লৈছে সেইসকলৰ বাবে বিদ্যালয়ত এতিয়াৰে পৰা এক পৰিৱেশ গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰিব লাগিব। কাৰণ অসমৰ পৰা সৰ্বভাৰতীয় প্ৰশাসনিক প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তেনেই আঙুলিৰ মূৰত লেখিব পৰা বিধৰ। গতিকে গুণোৎসৱৰ সময়ত যিসকল ছাত্ৰ-ছাত্ৰীয়ে এনে ধৰণৰ লক্ষ্যৰ ইংগিত দিছে সেইসকলক চিনাক্ত কৰি এতিয়াৰে পৰা এখোজ-দুখোজকৈ আগুৱাই নিয়াৰ ব্যৱস্থা কৰা উচিত। গুণোৎসৱে এইসকলক চিনাক্ত কৰাৰো সুযোগ দিছে। গতিকে সকলোৱে এই ক্ষেত্ৰত প্ৰতিখন বিদ্যালয় কৰ্তৃপক্ষয়ো সমানেই সহযোগিতা আগবঢ়োৱা উচিত। গুণোৎসৱত অংশগ্ৰহণ কৰা বিষয়াসকলে যদি এনেধৰণৰ ল'ৰা-ছোৱালীক ভালদৰে চিনাক্ত কৰি আগবাঢ়ি যোৱাত সহায় কৰে তেতিয়াহ'লেও গুণোৎসৱ আয়োজন কৰাটো সাৰ্থক হ'ব। এইটো কথা সকলোৱে জ্ঞাত যে চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন সাধন কৰিবলৈ যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া যাতে ফলপ্ৰসূ হয় তাৰ বাবে সকলোৱে প্ৰচেষ্টা অব্যাহত থাকিব লাগিব। কাৰণ শিক্ষাৰ সাফল্যৰ বাবে মাত্ৰ এদিন বা দুদিন পদক্ষেপ গ্ৰহণ কৰিলেই নহ'ব। ইয়াৰ সুদূৰ প্ৰসাৰী ফলাফলৰ বাবে সকলোৱে চেষ্টা অব্যাহত ৰাখিব লাগিব। গুণোৎসৱ কেৱল জাকজমকতাৰে অনুষ্ঠিত কৰা এক অনুষ্ঠান নহয়। ই হ'ল সকলোকে সামৰি বিদ্যালয়ৰ লগতে ছাত্ৰ-ছাত্ৰীৰ সৰ্বাংগীন উন্নয়নৰ এক পৰিকল্পনা। এই পৰিকল্পনাই যাতে আৰু অধিক সাফল্য অৰ্জন কৰিব পাৰে তাৰ বাবে গুণোৎসৱত প্ৰতিখন বিদ্যালয়লৈ যোৱা বিষয়াসকলে দাখিল কৰা প্ৰতিবেদনৰ ওপৰত বিশ্লেষণ কৰি সংশ্লিষ্ট কৰ্তৃপক্ষ তথা বিভাগে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰক। গুণোৎসৱক কেৱল বছৰি বছৰি আয়োজন কৰা এক শিক্ষামূলক অনুষ্ঠান হিচাপে গণ্য কৰাৰ পৰিৱৰ্তে অসমৰ শৈক্ষিক ক্ষেত্ৰখনৰ সৰ্বাংগীন উন্নয়নৰ মাপকাঠিৰূপে গ্ৰহণ কৰক। তেতিয়া ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যতৰ সপোনবোৰ বাস্তৱত ৰূপায়িত কৰাৰ এখন উপযুক্ত ক্ষেত্ৰত লাভ কৰাটো নিশ্চিত হ'ব।

ফোন : 94351-03977

# ধৰ্মোন্মাদনা আৰু কৰ'না

**অভিমত**

**২০১৯ৰ** ডিচেম্বৰত কেৰালাত প্ৰথম কৰ'নাত আক্ৰান্ত হোৱা ৰোগী চিনাক্ত হৈছিল আৰু লাহে লাহে ইয়াৰ সংক্ৰমণ বৃদ্ধি হৈছিল। ২০২০ত দিল্লীত অনুষ্ঠিত হোৱা জামাত ই ইছলামৰ দেশ-বিদেশৰ পৰা অহা জনসমাগমে কৰ'নাক দেশৰ চাৰিওফালে লৈ গ'ল আৰু সৃষ্টি হ'ল মহামাৰীৰ। দেশৰ অৰ্থনীতি থান-বান হৈ পৰিল। ২০২১ত কৰ'না আৰম্ভ হোৱাৰ সময়তে হৰিদ্বাৰত আৰম্ভ হ'ল কুম্ভমেলা। লাখ লাখ লোকৰ সমাৱেশ হ'ল। কৰ'না তীব্ৰগতিত বিয়পি পৰিল। গংগাৰ পানীত উটি গ'ল বহুতৰ শৱদেহ। মহা সংকট কালৰ সৃষ্টি হ'ল। অভাৱ হ'ল অক্সিজেনৰ, মৃতকৰ সংখ্যা দিনে দিনে বৃদ্ধি হৈ গৈ থাকিল। ভীষণ ভয় লগা পৰিস্থিতিৰ সৃষ্টি হ'ল। সেই মহাসংকটৰ পৰা ভগৱানে ৰক্ষা কৰিলে।

কৰ'না কমিল কিন্তু শেষ হৈ নগ'ল। কেইমাহমান পাছৰ আকৌ বৃদ্ধি হ'বলৈ ধৰিলে। ২২ জুনত দেশত ১২,২৪৯ জন লোকৰ শৰীৰত কৰ'না সংক্ৰমণ ধৰা পৰিছে, তীব্ৰগতিত কৰ'না বৃদ্ধি হৈ গৈ আছে।

কৰ'নামুক্ত হোৱা অসমতো কৰ'না সংক্ৰমণ আৰম্ভ হৈছে। ঠিক এনে সময়তে কামাখ্যাত আৰম্ভ হৈছে হেজাৰ হেজাৰ মানুহৰ সমাৱেশ। কামাখ্যা দেৱালয়ৰ দলৈয়ে বাৰে বাৰে ভক্তসকলক কামাখ্যালৈ নাযাবলৈ অনুৰোধ জনাইছে, আনহাতে, চৰকাৰে এফালে কৈছে অনুষ্টুপীয়াকৈ পালন কৰক, আনফালে হেজাৰ হেজাৰ মানুহৰ বাবে খোৱা-থকাৰ ব্যৱস্থা কৰিছে। ইফালে, সমগ্ৰ অসমৰ মানুহে এমুঠি অন্ন আৰু খোৱা পানীৰ বাবে চকুলো টুকিব ধৰিছে। ৰাজ্যত সকলো ধৰণৰ আন্তঃগাঁথনি বানে উটুৱাই নিছে, শতাধিক লোকৰ মৃত্যু হৈছে, এনে অৱস্থাত যদি কৰ'নাৰ সংক্ৰমণ বৃদ্ধি হয়, তেতিয়া চৰকাৰে কোনফালে চাব? ধৰ্মোন্মাদনাৰ বাবে পৃথিৱীত ভাৰত হেয় হৈ পৰিবলগীয়া হৈছে। অসম চৰকাৰলৈ আমাৰ অনুৰোধ জনসমাগম নিষিদ্ধ কৰক। অসমতো কৰ'না আৰম্ভ হৈছে।

**আচাৰ্য দেবেনচন্দ্ৰ দাস সুদামা**, গুৱাহাটী

# কিন্নৰৰ অতপালি ৰোধ কৰিব কোনে?




**গুৱাহাটীত** কিন্নৰৰ অতপালি আৰু উপদ্ৰৱ দৈনিক বৃদ্ধি হৈছে। চিটি বাছ আৰু দূৰণিবটীয়া বাছত ডকাইতৰ দৰে সিহঁতে যাত্ৰীসকলৰ পৰা পইচা আদায় কৰে। পইচা নিদিয়া যাত্ৰীক মূৰত থপৰিয়াই অশ্লীল গালি-গালাজ কৰে। ১৫ৰ পৰা ৩০ বছৰীয়া ডেকাসকলক কিন্নৰসকলে অধিক উপদ্ৰৱ কৰে। সিহঁতে পইচা নিদিলে গুপ্তাংগত থপৰিয়াই থৈ যায়। সিহঁতৰ কাৰণে যাত্ৰীসকলে পইচা দিয়াটো যেন বাধ্যতামূল— এনে ভাবত সিহঁতে পইচা আদায় কৰে। অত্যন্ত লেতেৰা স্বভাৱৰ এই সকল কিন্নৰে পুৰুষ মানুহৰ মূৰবিলাকত হাত বুলাই 'বীজাণু'ৰ সঞ্চাৰ কৰে। গাড়ীৰ চেকাৰসকলক অভিযোগ দিলে সিহঁতে একো ব্যৱস্থা নকৰে, বৰং হাঁহি মাৰে। পুলিচে চাই থাকে- সিহঁতৰ উপদ্ৰৱ। ৰাতিপুৱাই গা-পা ধুই কৰ্মস্থলীলৈ যোৱাৰ পথত কিন্নৰসকলৰ হাতৰ স্পৰ্শ আৰু উপদ্ৰৱ আমাৰ অসহনীয় হৈ উঠে। গুৱাহাটীৰ আৰক্ষী আয়ুক্তই 'আৰক্ষী মিত্ৰ' নামৰ এটা টেলিফোন নম্বৰ দিছে। ইয়াত ফোন কৰিলেও সদায় 'বিজি' দেখা যায়। পূৰ্বতে গুৱাহাটীত কিন্নৰৰ সমস্যা নাছিল। কিন্নৰক লৈ কোনোবাই ছিণ্ডিকেট চলাই আছে যেন লাগে। কাৰণ কিন্নৰসকলে ব্যক্তিগতভাৱে এদিনত পাঁচৰ পৰা ১০ হেজাৰ টকালৈকে উপাৰ্জন কৰে। জালুকবাৰীত এই কথাৰ প্ৰমাণ সকলোৱে পাব। কিন্নৰসকলক নিয়ন্ত্ৰণ কৰি 'যাত্ৰী' সকলৰ যাত্ৰা মধুময় কোনে কৰিব!

**গুণেশ্বৰ কৈৱৰ্ত**

ফোন : ৭৮৯৬৯-২৫৩৮৮

## কাবুলত পুনৰ মুকলি হ'ল ভাৰতীয় দূতাবাস



**নিউজ ব্যুৰ', কাবুল, ২৪ জুন ঃ** কালি আফগানিস্তানৰ ৰাজধানী কাবুলত ভাৰতে পুনৰ দূতাবাস মুকলি কৰিলে। উল্লেখ্য যে তালিবানে আফগানিস্তানৰ ক্ষমতা দখল কৰাৰ পাছত ভাৰতে কূটনীতিকক স্বদেশলৈ উভতাই আনিছিল আৰু ইমানদিনে কাবুলত ভাৰতীয় দূতাবাস বন্ধ ৰখা হৈছিল। বৃহস্পতিবাৰে কাবুললৈ ভাৰতীয় কূটনীতিকৰ এটি দলক প্ৰেৰণ কৰা হ'ল। বৈদেশিক মন্ত্ৰণালয়ে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি ইতিমধ্যে কাবুলত ভাৰতীয় কূটনীতিকৰ দল উপস্থিত হৈছে আৰু ভাৰতীয় দূতাবাসৰ কাম-কাজ অচিৰে স্বাভাৱিকভাৱে আৰম্ভ কৰা হ'ব। অৱশ্যে এতিয়াই তালিবান চৰকাৰক স্বীকৃতি দিয়াৰ সন্দৰ্ভত ভাৰতে কোনো সিদ্ধান্ত লোৱা নাই বুলিও বৈদেশিক মন্ত্ৰণালয়ে জানিবলৈ দিয়ে।

## ৬০ সংখ্যক জন্মদিনত ৬০ হেজাৰ কোটি টকা দান ঘোষণা আদানীৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ জুন ঃ** আজি ৬০ বছৰ বয়সত ভৰি দিলে দেশৰ অন্যতম ধনাঢ্য উদ্যোগপতি গৌতম আদানীয়ে। ৬০ বছৰীয়া জন্মদিনত উদ্যোগপতিজনে এক বৃহৎ ঘোষণা কৰিলে। আদানী পৰিয়ালে ৬০ হেজাৰ কোটি টকা দান কৰাৰ সিদ্ধান্ত ল'লে। সামাজিক কাম-কাজৰ বাবে দান কৰা হ'ব এই ধনৰাশি। দেশৰ এক বৃহৎ সংখ্যক লোকক শিক্ষা, স্বাস্থ্যসহ একাধিক সেৱা উপলব্ধ কৰাবলৈ জন্মদিনত এইদৰে ৬০ হেজাৰ কোটি টকা দান কৰাৰ ঘোষণা কৰিলে আদানী পৰিয়ালে। উল্লেখ্য যে চলিত বৰ্ষত আদানীয়ে ৬০ সংখ্যক জন্মদিন পালন কৰাৰ লগতে তেওঁৰ প্ৰয়াত পিতৃ শান্তিলাল আদানীও শতবৰ্ষত পদাৰ্পণ কৰিলে। সেয়েহে পিতৃ-পুত্ৰ উভয়ৰ জন্মদিনত দেশবাসীৰ কল্যাণৰ বাবে আদানী গোষ্ঠীয়ে ৬০ হেজাৰ কোটি টকা দান হিচাপে আগবঢ়ালে। আদানীয়ে নিজৰ টুইটাৰ একাউণ্টৰ জৰিয়তে কালি এই সিদ্ধান্তৰ কথা ৰাজহুৱা কৰিছিল। টুইটত বৰ্ষীয়ান উদ্যোগপতিজনে এইদৰে লিখিছিল, 'মোৰ ৬০ বৰ্ষপূৰ্তি আৰু মোৰ পিতৃৰ ১০০ বছৰ বয়সত পদাৰ্পণ উপলক্ষে আদানী পৰিয়ালে ৬০ হেজাৰ কোটি টকা দান কৰাৰ সিদ্ধান্ত লৈছে। দেশৰ এক বৃহৎ অংশৰ শিশুৱে যাতে শিক্ষা-স্বাস্থ্যসহ একাধিক মৌলিক বিষয়ৰ সুবিধা লাভ কৰে, তাৰ প্ৰতি দৃষ্টি ৰাখিব আদানী পৰিয়ালে। ভৱিষ্যতৰ বাবে সুন্দৰ ভাৰত গঢ়ি তোলাই আদানী পৰিয়ালৰ লক্ষ্য।' উল্লেখ্য যে ১৯৬২ৰ ২৪ জুনত আদানীয়ে গুজৰাটৰ আহমেদাবাদত জন্মলাভ কৰিছিল।

## কাটাৰত ৰোমাঞ্চ কৰিলে বিহা হ'ব সাত বছৰৰ কাৰাদণ্ড



**নিউজ ব্যুৰ', কাটাৰ, ২৪ জুন ঃ** আৰবৰ দেশ কাটাৰত অহা নৱেম্বৰত ফিফা ফুটবল বিশ্বকাপ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই উপলক্ষে বিশ্বৰ বিভিন্ন দেশৰ পৰা প্ৰতিযোগীৰ লগতে দৰ্শকেও কাটাৰত ভিৰ কৰিব। ফুটবল বিশ্বকাপক লৈ কাটাৰ প্ৰশাসনে ইতিমধ্যে কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। উল্লেখ্য যে আৰবৰ দেশ হিচাপে কাটাৰত পুৰুষ-মহিলাই মুক্ত মিলা-প্ৰীতিৰ অনুমতি লাভ নকৰে। তদুপৰি সমকামিতাৰ ক্ষেত্ৰতো কাটাৰত কঠোৰ নিষেধাজ্ঞা আছে। বিশ্বকাপ ফুটবলৰ সময়ত কাটাৰত বিদেশী নাগৰিকে যাতে এনেবোৰ নিয়ম উলংঘন কৰিব নোৱাৰে সেই সন্দৰ্ভত ইতিমধ্যে প্ৰশাসনে সতৰ্কতা অৱলম্বন কৰিছে। বিশ্বকাপৰ সময়ছোৱাত কাটাৰত নাৰী-পুৰুষৰ মুক্ত মিলা-মিছা নিষিদ্ধ থাকিব আৰু ৰাজহুৱা স্থানত ৰোমাঞ্চৰ ক্ষেত্ৰতো বিধি নিষেধ জাৰি কৰা হৈছে। কাটাৰ প্ৰশাসনে স্পষ্ট কৰি কৈছে যে বিদেশী অতিথিয়ে আৰবৰ কঠোৰ নিয়ম পালন কৰিব লাগিব। যদি কোনো বিদেশী অতিথিয়ে কাটাৰত কোনো ব্যক্তিৰ স'তে শাৰীৰিক সম্পৰ্কত লিপ্ত হয় তেন্তে তেনে ব্যক্তিক প্ৰচলিত নিয়ম অনুসৰি সাত বছৰৰ কাৰাদণ্ড বিহা হ'ব পাৰে। কেৱল বিবাহিত দম্পতীয়েহে ৰোমাঞ্চৰ অনুমতি লাভ কৰিব। স্বামী-স্ত্ৰী হিচাপে স্বীকৃতি নোহোৱা পুৰুষ বা মহিলাই যৌন সম্পৰ্কত লিপ্ত হ'লে প্ৰশাসনে কাটাৰৰ প্ৰচলিত নিয়মৰে দণ্ড বিহিব।

## ৰেষ্ট ভাৰ্জিনিয়াত হেলিকপ্টাৰ দুৰ্ঘটনাত ছজন লোকৰ মৃত্যু



**নিউজ ব্যুৰ' ল'গান, ২৪ জুন ঃ** আমেৰিকাৰ ৱেষ্ট ভাৰ্জিনিয়াত পৰ্যটক পৰিবাহী এখন হেলিকপ্টাৰ দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত আটাইকেইজন যাত্ৰীৰ মৃত্যু হ'ল। প্ৰকাশিত বাতৰি অনুসৰি ভিয়েটনাম কালৰ হেলিকপ্টাৰ এখনে ল'গান কাউণ্টিত হঠাতে দুৰ্ঘটনাগ্ৰস্ত হৈ ভূপতিত হৈছিল। হেলিকপ্টাৰখনত মুঠ ছজন লোক আছিল আৰু আটাইকেইজনৰে দুৰ্ঘটনাত মৃত্যু হ'ল। ইতিমধ্যে আটাইকেইজন লোকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে।

### বিশ্বৰ ১৮৫ খন দেশৰ ক'ভিডত মৃত্যুৰ পৰিসংখ্যা বিশ্লেষণৰে 'দ্য লেনচেট'ৰ দাবী

# কৰ'না প্ৰতিষেধকে প্ৰাণৰক্ষা কৰিলে ৪২ লাখ ভাৰতীয়ৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৪ জুন ঃ** ক'ভিড টিকাকৰণৰ ফলত ভাৰতত ৪২ লাখৰো অধিক নাগৰিকৰ ক'ভিড কালত প্ৰাণৰক্ষা সম্ভৱ হ'ল। বিজ্ঞান গৱেষণামূলক আলোচনী 'দ্য লেনচেট'ত প্ৰকাশিত এক অধ্যয়নত এইদৰে দাবী কৰা হৈছে। পত্ৰিকাখনৰ অধ্যয়নৰ তথ্য অনুসৰি, অতিমাৰীৰ সময়ছোৱাত ক'ভিড-১৯ প্ৰতিৰোধী প্ৰতিষেধক প্ৰস্তুত কৰা আৰু ইয়াৰ প্ৰয়োগৰ ফলত বিশ্বত কমেও দুই কোটি ক'ভিড ৰোগীৰ প্ৰাণৰক্ষা সম্ভৱ হ'ল। একেটা অধ্যয়নত গৱেষকে



উল্লেখ কৰা মতে, টিকাকৰণ অভিযান আৰম্ভ হোৱা প্ৰথম বছৰ ক'ভিড প্ৰতিষেধকে প্ৰায় ১.৯৮ কোটি লোকৰ প্ৰাণৰক্ষা কৰিছিল। বিশ্বৰ ১৮৫ খন দেশৰ ক'ভিডত মৃত্যুৰ পৰিসংখ্যা বিশ্লেষণৰে গৱেষকে এই তথ্য তালিকা প্ৰস্তুত কৰিছে। বিজ্ঞান পত্ৰিকাখনত লগতে কোৱা হৈছে যে ২০২১ৰ অন্তিম ভাগলৈকে বিশ্বৰ প্ৰত্যেকখন দেশৰ ৪০ শতাংশ জনসংখ্যাৰ সম্পূৰ্ণ টিকাকৰণৰ লক্ষ্য যদিহে পূৰণ কৰা হ'লহেঁতেন, তেন্তে ৫,৯৯,৩০০ লোকৰ প্ৰাণৰক্ষা সম্ভৱ হ'লহেঁতেন। আঠ ডিচেম্বৰ ২০২০ৰ পৰা আঠ ডিচেম্বৰ ২০২১ৰ সময়ছোৱাত প্ৰতিষেধক গ্ৰহণৰ ফলত ক'ভিডত প্ৰাণৰক্ষা হোৱা লোকৰ সংখ্যা বিশ্লেষণৰ জৰিয়তে গাণিতিক পদ্ধতিৰে এই অধ্যয়নটো চলোৱা হৈছিল। অধ্যয়নৰ অন্যতম গৱেষক অলিভাৰ ৱাটছনে কয় যে ভাৰতৰ ক্ষেত্ৰত ক'ভিড প্ৰতিষেধক প্ৰয়োগৰ জৰিয়তে ক'ভিড কালত ৪২,১০,০০০ লোকৰ প্ৰাণৰক্ষা কৰাটো সম্ভৱ হৈছিল। উল্লেখ্য যে ক'ভিড কালত ৫,২৪,৯৪১ জন লোকৰ মৃত্যু হোৱা বুলি চৰকাৰী পৰিসংখ্যাত উল্লেখ কৰা হৈছে। কিন্তু বিশ্ব স্বাস্থ্য সংস্থাই দাবী কৰা অনুসৰি ভাৰতত কৰ'নাৰ সংক্ৰমণৰ ফলত ৪৭ লাখ লোকৰ মৃত্যু হৈছিল। অৱশ্যে ভাৰত চৰকাৰে বিশ্ব স্বাস্থ্য সংস্থাৰ এই তথ্য শুদ্ধ নহয় বুলি দাবী কৰিছিল।

## পুনৰ উপ-ৰাজ্যপালৰে সংঘাত দিল্লীৰ মুখ্যমন্ত্ৰীৰ, ফাইল ৰাখি থলে ছাক্সেনাই




**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ জুন ঃ** দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল আৰু অলপতে উপ-ৰাজ্যপাল নিযুক্ত হোৱা বিনয় কুমাৰ ছাক্সেনাৰ মাজত সংঘাত আৰম্ভ হ'ল। প্ৰকাশিত বাতৰি অনুসৰি, নৱনিযুক্ত উপ-ৰাজ্যপালজনে কেজৰিৱাল চৰকাৰৰ একাংশ ফাইল নিজৰ কাৰ্যালয়ত আবদ্ধ কৰি ৰাখিছে। ছাক্সেনাৰ এনে হস্তক্ষেপৰ ফলত কেজৰিৱালৰ প্ৰস্তাৱিত ছিংগাপুৰ ভ্ৰমণসূচী বাধাগ্ৰস্ত হ'ব পাৰে। উত্থাপিত অভিযোগত প্ৰকাশ পোৱা অনুসৰি, উপ-ৰাজ্যপালে মুখ্যমন্ত্ৰী কেজৰিৱালৰ একাংশ ফাইল বিগত তিনি সপ্তাহ ধৰি আবদ্ধ কৰি ৰাখিছিল। এইসমূহ ফাইল কেজৰিৱালৰ প্ৰস্তাৱিত ছিংগাপুৰ ভ্ৰমণৰ স'তে জড়িত। দিল্লীৰ মুখ্যমন্ত্ৰীজনে ছিংগাপুৰত অনুষ্ঠিত হ'ব লগা বিশ্ব চহৰ সন্মিলনত অংশ লৈ দিল্লী মডেলৰ সন্দৰ্ভত ভাষণ ৰখাৰ কথা আছে। এই সন্মিলন ছিংগাপুৰত অহা ৩১ জুলাইৰ পৰা তিনি আগষ্টলৈকে অনুষ্ঠিত হ'ব।

## অগ্নিবীৰে পেঞ্চন নাপালে নিজৰ পেঞ্চন ত্যাগ কৰিব বিজেপি সাংসদ বৰুণে

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৪ জুন ঃ** বিগত কে'বাবছৰ ধৰি কেন্দ্ৰৰ নিজ দলৰ চৰকাৰৰ বিৰুদ্ধে প্ৰায়ে আক্ৰমণাত্মক আচৰণ প্ৰদৰ্শন কৰি আহিছে বিজেপিৰ সাংসদ বৰুণ গান্ধীয়ে। বিজয় মালিয়াৰ দৰে উদ্যোগপতিৰ দেশত্যাগ প্ৰসংগতে হওক বা ঋণৰ বোজাত আত্মহত্যা কৰা কৃষকৰ প্ৰসংগতে হওক, নৰেন্দ্ৰ মোদীৰ চৰকাৰক বৰুণে নানা সময়ত কটাক্ষ কৰি আহিছে। এইবাৰ কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা অগ্নিপথ নিযুক্তি আঁচনিৰ সন্দৰ্ভত সৰৱ হ'ল বিজেপিৰ বিতৰ্কিত সাংসদজন। অগ্নিবীৰৰ পেঞ্চনৰ দাবী উত্থাপন কৰি বৰুণে ঘোষণা কৰি কয় যে অগ্নিবীৰৰ বাবে পেঞ্চনৰ ব্যৱস্থা নকৰিলে তেওঁ নিজে সাংসদ হিচাপে লাভ কৰিব লগা পেঞ্চন ত্যাগ কৰিব। টুইটাৰত আজি বৰুণে এইদৰে কয়, 'স্বল্পম্যাদী সেৱা কামত নিযুক্ত অগ্নিবীৰসকল যদি পেঞ্চনৰ যোগ্য নহয়, তেন্তে জনপ্ৰতিনিধিক এই সুবিধা দিয়া হ'ব কিয়? ৰাষ্ট্ৰৰ ৰক্ষাকাৰীক পেঞ্চনৰ অধিকাৰ নিদিলে মই নিজৰ পেঞ্চন ত্যাগ কৰিবলৈ প্ৰস্তুত। বিধায়ক-সাংসদসকলে নিজৰ পেঞ্চন ত্যাগ কৰি অগ্নিবীৰৰ পেঞ্চন নিশ্চিত কৰিব



নোৱাৰিব নেকি?' উল্লেখ্য যে অগ্নিপথ আঁচনিৰ অধীনত ভাৰতীয় সেনাত চাৰি বছৰৰ বাবে জোৱানক নিযুক্তি প্ৰদান কৰাৰ প্ৰস্তুতি ইতিমধ্যে আৰম্ভ হৈছে। চাৰি বছৰ পাছত সেনাৰ পৰা অব্যাহতি লাভ কৰিলেও এইসকল প্ৰাক্তন সেনাই পেঞ্চন লাভ নকৰিব বুলি চৰকাৰে ঘোষণা কৰাক লৈ এক বিতৰ্ক অব্যাহত আছে।



## ভি এল ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণ ভাৰতীয় নৌসেনাৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৪ জুন ঃ** প্ৰতিৰক্ষা অনুসন্ধান আৰু বিকাশ সংগঠন (ডি আৰ ডি অ') আৰু ভাৰতীয় নৌসেনাই ভূমিৰ পৰা আকাশলৈ নিক্ষেপ কৰিব পৰা হ্ৰস্ব দূৰত্বভেদী ক্ষমতাসম্পন্ন ভাৰ্টিকেল লাউঞ্চ চৰ্ট ৰেঞ্জ ছাৰ্ফেচ টু এয়াৰ মিছাইল (ডি এল-এছ আৰ এছ এ এম)ৰ সফলতাৰে পৰীক্ষণ সম্পন্ন কৰিলে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি ভি এল ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণৰ বাবে ডি আৰ ডি অ' আৰু ভাৰতীয় নৌসেনাক শুভেচ্ছা জনালে। এই নতুন ক্ষেপণাস্ত্ৰৰ পৰীক্ষণৰ জৰিয়তে ভাৰতীয় বায়ু সেনাৰ প্ৰতিৰক্ষা ক্ষমতা অধিক বৃদ্ধি পালে। ওড়িছাস্থিত চান্দিপুৰত ডি আৰ ডি অ' আৰু ভাৰতীয় বায়ু সেনাই এই ক্ষেপণাস্ত্ৰৰ পৰীক্ষামূলক উৎক্ষেপণ সম্পন্ন কৰে।

## বন্ধ হ'ব বন্দুক ত্ৰাস ঃ অৱশেষত মাৰ্কিন ছিনেটত গৃহীত হ'ল বহুচৰ্চিত বন্দুক হিংসা বিধেয়ক

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৪ জুন ঃ** বিগত কে'বা সপ্তাহ ধৰি বন্দুকধাৰীৰ আক্ৰমণত আক্ৰান্ত হৈ আহিছে আমেৰিকা। জধে-মধে চলোৱা গুলিবৰ্ষণৰ ফলত আমেৰিকাৰ বহু নিৰীহ লোকৰ প্ৰাণ হানি হৈছে। আনকি বিদ্যালয়ৰ কণমানি শিক্ষাৰ্থীসকলো এনে হিংসা আক্ৰমণৰ বলি হৈছে। বাৰে বাৰে আমেৰিকাত সংঘটিত হোৱা এনে হিংসাত্মক ঘটনাৰ বাবে আমেৰিকাৰ বন্দুক নীতিক সকলোৱে কঠোৰভাৱে সমালোচনা কৰি আহিছে। এনে পৰিস্থিতিতে এইবাৰ আমেৰিকাৰ ছিনেটত গৃহীত হ'ল বহুচৰ্চিত




আগ্নেয়াস্ত্ৰ হিংসা বিধেয়ক। কে'বামাহমান পূৰ্বে প্ৰস্তাৱিত বিধেয়কখন ছিনেটত গৃহীত হ'ব বুলি কোনেও কল্পনা কৰিব পৰা নাছিল যদি এইবাৰ বাস্তৱত এয়া সম্ভৱ হ'ল। অৱশ্যে এতিয়াও মাৰ্কিন হাউছৰ চূড়ান্ত সন্মতি বিধেয়কখনে লাভ কৰিবলৈ বাকী আছে। উল্লেখ্য যে আমেৰিকাত ১৮ বছৰ বয়সৰ পৰাই যিকোনো লোকে বন্দুক ক্ৰয়ৰ অনুমতি লাভ কৰে। এই নিয়ম সলনি কৰাৰ দাবীৰে বিগত কে'বাসপ্তাহ ধৰি ৰাজপথত মাৰ্কিন নাগৰিকে প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। অস্ত্ৰ ক্ৰয় আইন সলনি কৰাৰ এই দীৰ্ঘদিনীয়া দাবী অৱশেষত মাৰ্কিন ছিনেটে স্বীকাৰ কৰিলে। ৰিপাব্লিকানসকলে আগ্নেয়াস্ত্ৰ হিংসা বিধেয়কখনৰ ছিনেটত বিৰোধিতা কৰিব বুলি ধাৰণা কৰা হৈছিল যদিও ছিনেটত হোৱা ভোটত বিধেয়কৰ সপক্ষে ৬৫ টা আৰু বিৰুদ্ধে ৩৩ টা ভোট পৰে। ফলত ছিনেটত গৃহীত হ'ল বহু প্ৰতিক্ষীত বিধেয়কখন। হাউছ অব্ ৰিপ্ৰেজেণ্টেটিভত গৃহীত হ'লে বন্দুক হিংসা বিধেয়কখন আইনত পৰিণত হ'ব। এই বিধেয়কৰ জৰিয়তে আমেৰিকাত অস্ত্ৰ ক্ৰয়ৰ নিয়ম-নীতি সলনি কৰাৰ একাধিক সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

## ৰাছিয়াত সামৰিক বিমানৰ দুৰ্ঘটনাত চাৰিজন লোকৰ মৃত্যু



**নিউজ ব্যুৰ', মস্কো, ২৪ জুন ঃ** ৰাছিয়াৰ ৰিয়াজান চহৰৰ সমীপত এখন সামৰিক বিমান দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ ফলত বিমানখনত থকা চাৰিজন লোকৰ মৃত্যু হোৱাৰ লগতে আন পাঁচজন গুৰুতৰভাৱে আহত হ'ল। প্ৰাথমিক তথ্যত উল্লেখ কৰা মতে ৰিয়াজানৰ মিখাইল'ভস্কায় ৰোডৱেৰ সমীপত বিমানখনত যান্ত্ৰিক বিজুতি সংঘটিত হৈ ভূপতিত হৈছিল। ঘটনাস্থলীৰ পৰা চাৰিজন সেনা বাহিনীৰ লোকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। সম্প্ৰতি আন পাঁচজন আহত যাত্ৰী চিকিৎসাধীন হৈ আছে।

## মংকী পক্সক মহামাৰী ঘোষণা বিশ্ব স্বাস্থ্য সংস্থাৰ



**নিউজ ব্যুৰ', জেনেভা, ২৪ জুন ঃ** কৰ'না নতুন সংক্ৰমণে একাধিক দেশত পুনৰ আতংক সৃষ্টি কৰাৰ সময়তে নতুন আশংকা বৃদ্ধি কৰিলে মংকী পক্সে। ইতিমধ্যে বিশ্বৰ ৫৮ খন দেশত ৩৪১৭ জন লোকৰ শৰীৰত মংকী পক্সৰ সংক্ৰমণ চিনাক্ত কৰা হৈছে। বিশ্ব স্বাস্থ্য নেটৱৰ্ক (ডব্লিউ এইচ এন)-এ ইতিমধ্যে মংকী পক্সৰ প্ৰাদুৰ্ভাৱক মহামাৰী ঘোষণা কৰিলে। মংকী পক্সৰ প্ৰাদুৰ্ভাৱ দ্ৰুততাৰে একাধিক দেশত বিয়পি পৰাৰ প্ৰতি লক্ষ্য ৰাখি আন্তৰ্জাতিক স্বাস্থ্য সংস্থাটোৱে এই ভাইৰাছৰ সংক্ৰমণক মহামাৰীক অভিহিত কৰিলে। যোৱা সাত মে'ত ইংলণ্ডত প্ৰথম ধৰা পৰাৰ পাছত ইউৰোপ আৰু আমেৰিকাৰ বিভিন্ন দেশত মংকী পক্সৰ দ্ৰুত সংক্ৰমণ অব্যাহত আছে। উল্লেখ্য যে ১৯৫৮ বৰ্ষত বিশ্বত প্ৰথম মংকী পক্সৰ ভাইৰাছৰ সন্ধান লাভ কৰা হৈছিল। কংগোত ১৯৭০ বৰ্ষত প্ৰথমবাৰ মানৱ দেহত এই ভাইৰাছৰ উপস্থিতি ধৰা পৰিছিল। ২০১৮ বৰ্ষতো ব্ৰিটেইনত প্ৰথমবাৰ এই ভাইৰাছত আক্ৰান্ত ৰোগীৰ সন্ধান লাভ কৰা হৈছিল।

## ফেব্ৰুৱাৰীৰ পাছত দেশত সৰ্বাধিক হ'ল দৈনিক সংক্ৰমণ, মহাৰাষ্ট্ৰত উদ্বেগ বৃদ্ধি



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৪ জুন ঃ** দেশত কৰ'নাৰ নতুন সংক্ৰমণ এদিনতে যথেষ্ট বৃদ্ধি পালে। বিগত চাৰি মাহৰ নিৰিখত শুকুৰবাৰে সৰ্বাধিক হ'ল দেশৰ দৈনিক ক'ভিড সংক্ৰমণ। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ ক'ভিড সংক্ৰমিত হ'ল ১৭,৩৩৬ জন লোকে। ক'ভিড পৰিস্থিতি অধিক উদ্বেগজনক হ'ল মহাৰাষ্ট্ৰ, কেৰালা, দিল্লী, তামিলনাডু আৰু হাৰিয়ানাত। মহাৰাষ্ট্ৰত বিগত এদিনত ৫২১৮ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। একেদৰে কেৰালাত ৩৮৯০, তামিলনাডুত ১০৬৩, দিল্লীত ১৯৩৪ আৰু হাৰিয়ানাত ৮৭২ জন লোক যোৱা ২৪ ঘণ্টাত ক'ভিড সংক্ৰমিত হ'ল। এই মুহূৰ্তত দেশত ৮৮,২৮৪ জন সক্ৰিয় ক'ভিড ৰোগী আছে। আনহাতে, বিগত এদিনত পুনৰ ১৩ জন ক'ভিড ৰোগীৰ দেশত মৃত্যু হ'ল।

## মেক্সিকোত গুলিবৰ্ষণ বন্দুকধাৰীৰ, ১৩ সন্ত্ৰাসবাদী-আৰক্ষীৰ মৃত্যু



**নিউজ ব্যুৰ', মেক্সিকো চিটি, ২৪ জুন ঃ** মেক্সিকোৰ জলিক্স চহৰত আৰক্ষী আৰু অপৰাধীৰ মাজত সংঘটিত হ'ল ভয়াৱহ সংঘৰ্ষ। নিৰাপত্তা বাহিনীক লক্ষ্য হিচাপে লৈ বন্দুকধাৰীয়ে গুলিবৰ্ষণ কৰাত আৰক্ষীয়েও গুলিৰে প্ৰত্যুত্তৰ দিয়ে। দীৰ্ঘসময় ধৰি হোৱা গুলীয়াগুলিৰ ঘটনাত মুঠ ১৩ জন লোক মৃত্যু হ'ল। মৃতকৰ মাজত নজন অপৰাধী আৰু চাৰিজন আৰক্ষী আছে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি এটা ঘৰত দুজন লোকক অপৰাধীয়ে বন্দী কৰি ৰখাৰ বাতৰি লাভৰ পাছত উদ্ধাৰ অভিযানৰ বাবে আৰক্ষীয়ে উক্ত স্থানলৈ যোৱা অপৰাধীয়ে নিৰাপত্তা বাহিনীলৈ গুলিবৰ্ষণ কৰিছিল। আৰক্ষীয়ে লগে লগে গুলিৰে প্ৰত্যুত্তৰ দিয়াত নজন অপৰাধী ধৰাশায়ী হয়। মৃতকৰ মাজত এগৰাকী মহিলাও আছে। ইফালে, অভিযান কালত অপৰাধীৰ গুলিত চাৰিজন আৰক্ষী নিহত হ'ল।

## কানাডাৰ সাংসদৰ মন্তব্যত তীব্ৰ আপত্তি জনালে পাকিস্তানে



**নিউজ ব্যুৰ', ইছলামাবাদ, ২৪ জুন ঃ** পাকিস্তানৰ সেনা মুৰব্বী জেনেৰেল জাভেদ কমৰ বাজৱাৰ বিৰুদ্ধে কানাডাৰ এজন সাংসদে প্ৰকাশ কৰা মন্তব্যৰ প্ৰসংগত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে ইছলামাবাদে। 'দ্য এক্সপ্ৰেছ ট্ৰিবিউন' সংবাদপত্ৰৰ বাতৰি অনুসৰি, পাকিস্তানৰ বৈদেশিক মন্ত্ৰণালয়ে কালি পাকিস্তানস্থিত কানাডাৰ উচ্চায়ুক্তক মাতি আনি কানাডাৰ সাংসদৰ মন্তব্যৰ সন্দৰ্ভত আপত্তি প্ৰদৰ্শন কৰিছিল। উল্লেখ্য যে অলপতে কানাডাৰ সাংসদ টম কেমিকে পাকিস্তানৰ সেনা প্ৰধানৰ সন্দৰ্ভত আপত্তিজনক মন্তব্য কৰিছিল। কনজাৰভেটিভ পাৰ্টিৰ সাংসদ কেমিকে কানাডাৰ নিম্ন সদনত অভিযোগ কৰি কৈছিল যে পাকিস্তানৰ ৰাজনীতিত দেশখনৰ সেনপ্ৰধান জেনেৰেল বাজবাই অবৈধ হস্তক্ষেপ কৰি আহিছে। কানাডাৰ সাংসদজনৰ এই অভিযোগৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ইছলামাবাদে কানাডাৰ উচ্চায়ুক্তক আপত্তি প্ৰদৰ্শন কৰিলে।


## পাকিস্তানী বিমানক আকাশপথ ব্যৱহাৰত বাধা ৰাছিয়াৰ



**নিউজ ব্যুৰ', মস্কো, ২৪ জুন ঃ** চৰম আৰ্থিক সংকটৰ সন্মুখীন হোৱা পাকিস্তানে আন্তৰ্জাতিক দিশতো সমস্যাগ্ৰস্ত হৈছে। পাকিস্তান ইণ্টাৰনেচনেল এয়াৰলাইন্স (পি আই এ)-এ বৰ্তমানলৈকে ৰাছিয়াক অভাৰফ্লাইং ক্লিয়াৰেন্সৰ মাচুল আদায় নিদিয়াত ৰুছ আকাশমাৰ্গ পাকিস্তানৰ বিমানক ব্যৱহাৰৰ ক্ষেত্ৰত বাধা দিলে মস্কোৱে। মাচুল আদায় নিদিয়া হেতুকে ৰাছিয়াই পি আই এক ৰুছ আকাশমাৰ্গ ব্যৱহাৰৰ বাবে দিয়া অনুমতি প্ৰত্যাহাৰ কৰিলে। ফলত ইছলামাবাদৰ পৰা টৰণ্টোলৈ যাত্ৰা কৰা পি আই এৰ বিমানে বিকল্প আকাশপথৰে যাত্ৰা কৰিব লগীয়া হৈছে। ইছলামাবাদৰ পৰা পি আই এৰ বিমানে কৰাচীলৈ গৈ তাৰ পৰা ৰাছিয়াৰ পৰিৱৰ্তে ইউৰোপীয় দেশৰ আকাশমাৰ্গেদি যাত্ৰা কৰি টৰণ্টোত উপস্থিত হৈছে।

## টুইটাৰত লিখিব পাৰিব ২৮০তকৈ অধিক শব্দ, সংযোজিত হ'ব টুইটাৰ নোটছ

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৪ জুন ঃ** এতিয়াৰে পৰা শব্দসীমাৰ জালত আবদ্ধ নাথাকিব টুইটাৰ ব্যৱহাৰকাৰীসকল। মাইক্ৰ' ব্লগিং ছাইটটো অচিৰে সংযোজিত হ'ব এক নতুন বৈশিষ্ট। এই নতুন বৈশিষ্টৰ জৰিয়তে টুইটাৰ ব্যৱহাৰকাৰীয়ে এটা প'ষ্টত ২৮০ টাৰো অধিক শব্দ ব্যৱহাৰ কৰিব পাৰিব। বৰ্তমানে টুইটাৰত এটা প'ষ্টত সৰ্বাধিক ২৮০ টা শব্দ ব্যৱহাৰ কৰিব পাৰিব। পূৰ্বে টুইটাৰত সৰ্বাধিক ১৪০ টা শব্দ ব্যৱহাৰৰ সুবিধা আছিল আৰু ২০১৭ বৰ্ষত শব্দৰ সংখ্যা ২৮০লৈ বৃদ্ধি কৰা হৈছিল। এইবাৰ টুইটাৰ নোটছ নামৰ ফিচাৰৰ জৰিয়তে মাইক্ৰ' ব্লগিং ছাইটটোত একাউণ্ট ধাৰকে ২৮০ টাতকৈ অধিক শব্দৰে টুইট কৰাৰ সুবিধা লাভ কৰিব।



## যোৰাবাটত ৩৩ বসস্তুতা বাৰ্মিজ চুপাৰিসহ ট্ৰাক জব্দ


**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৪ জুন ঃ** চোৰাং ব্যৱসায়ৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অব্যাহত ৰখা মাৰাথন অভিযানৰ মাজতো ৰাজ্যত অব্যাহত আছে বাৰ্মিজ চুপাৰি ছিণ্ডিকেট। আৰক্ষীৰ অভিযানক বুঢ়া আঙুলি দেখুৱাই মৰসাহ দেখুৱাই চোৰাংভাৱে বৃহৎ পৰিমাণৰ বাৰ্মিজ চুপাৰি কঢ়িয়াই অনা এখন ট্ৰাক আজি মহানগৰ আৰক্ষীয়ে জব্দ কৰিবলৈ সক্ষম হয়। এক গোপন খবৰৰ ভিত্তিত যোৰাবাট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া কপিল পাঠকৰ নেতৃত্বত চলা এক অভিযানত এ এছ-২৮ চি ৯৭৫৩ নম্বৰৰ এখন ট্ৰাকত তালাচী চলোৱাৰ সময়তে ৩৩ বেগ বাৰ্মিজ চুপাৰি উদ্ধাৰ হয়। ঘটনাৰ সংক্ৰান্তত আৰক্ষীয়ে ট্ৰাকখনৰ চালক ছফিকুল ইছলামক আটক কৰি জব্দকৃত চুপাৰিসহ অপৰাধ শাখাক গতাই দিয়ে। উল্লেখ্য যে ধৃত চালকজনে বাৰ্মিজ চুপাৰিখিনি শ্বিলঙৰ পৰা কঢ়িয়াই আনিছিল আৰু বজালীলৈ লৈ যোৱাৰ চেষ্টা কৰিছিল বুলি আৰক্ষীয়ে সদৰী কৰাৰ লগতে জব্দকৃত চুপাৰিখিনিৰ বজাৰ মূল্য প্ৰায় ১০ লাখ টকা বুলি কয়।

# ছয়গাঁও উন্নয়ন খণ্ড বিষয়া কাৰ্যালয়ত পাঁচ শতাধিক পুৰুষ-মহিলাৰ তীব্ৰ প্ৰতিবাদ

## বিডিঅ' কাশ্যপী কাশ্যপ গ'-বেক ধ্বনিৰে পৰিৱেশ উত্তাল

**ছয়গাঁও, ২৪ জুন ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁৱত আজি পাঁচ শতাধিক বঞ্চিত পুৰুষ-মহিলাই প্ৰতিবাদ সাব্যস্ত কৰে। পিএমএজিৱাইৰ ঘৰৰ পৰা বঞ্চিত হিতাধিকাৰীসকলে দিনৰ ১২ বজাত হাতে হাতে প্লে-কাৰ্ড লৈ ছয়গাঁও উন্নয়ন খণ্ড বিষয়াৰ কাৰ্যালয়টো ঘেৰি ধৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। ছয়গাঁৰৰ উন্নয়ন বিষয়া কাশ্যপী কাশ্যপ গ'-বেক, কাশ্যপী কাশ্যপ হুচিয়াৰ আদি শ্ল'গান দি পৰিৱেশ উত্তাল কৰি উন্নয়ন খণ্ড বিষয়াৰ কাৰ্যালয় অভিমুখে হিতাধিকাৰীসকলে গৈ থাকোতে আৰক্ষী আৰু চিআৰপিএফে বাধা প্ৰদান কৰে। আনকি দুজনমান চিআৰপিএফ জোৱানে ছয়গাঁৰৰ জ্যেষ্ঠ নাগৰিক পৰশুৰাম দাসক লপাথপা দিয়াও



দেখা যায়। ইয়াৰ পাছতে প্ৰতিবাদী লোকসকলে খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়লৈ গৈ তেওঁৰ সন্মুখতে তেওঁৰ বিৰুদ্ধে বেনাৰ দেখুৱায়। আজিৰ প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰা হিতাধিকাৰীসকল সাততালুক গাঁও পঞ্চায়ত, চম্পকনগৰ গাঁও পঞ্চায়ত, পশ্চিম ছয়গাঁও গাঁও পঞ্চায়ত, দক্ষিণ পান্টান পঞ্চায়ত, গুমী আৰু ছয়গাঁও পঞ্চায়তৰ হিতাধিকাৰী। ইতিমধ্যে এইসকল হিতাধিকাৰীয়ে কিছুদিন পূৰ্বে স্থানীয় বিধায়ক ৰেকিবুদ্দিন আহমেদ, কামৰূপৰ উন্নয়ন বিষয়া, ছয়গাঁৰৰ চক্ৰ বিষয়াৰ জৰিয়তে খণ্ড উন্নয়ন বিষয়া কাৰ্যালয়ত হোৱা বৃহৎ সভাৰ জৰিয়তে অনুমোদন পত্ৰ লাভ কৰিছিল। পিছে ৰহস্যজনকভাৱে এইসকল দুখীয়া হিতাধিকাৰীৰ নাম কৰ্তন হয় বুলি এটা প্ৰচাৰ চলাৰ লগে লগে আজি এই কাৰ্যসূচী ল'বলৈ বাধ্য হয় এইসকল হিতাধিকাৰীয়ে। ঘটনাস্থলীত ছয়গাঁও থানাৰ আৰক্ষী বিষয়া ভগৱান ডেকা উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰে যদিও ছয়গাঁৰৰ চক্ৰ বিষয়া সৰোজ সোণোৱালৰ উপস্থিতিত পৰিস্থিতি শাম কাটে। পাছত গাঁওসভা আৰু পঞ্চায়ত প্ৰতিনিধিয়ে শুদ্ধভাৱে হিতাধিকাৰীসকলক বাছনি কৰাৰ বাবে দায়িত্ব অৰ্পণ কৰে।

## নিউ বঙাইগাঁও ৰেল জংচনত ড্ৰাগছসহ এজনক আটক

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৪ জুন ঃ** বঙাইগাঁও চহৰৰ নিকটৱৰ্তী নিউ বঙাইগাঁও ৰেল আৰক্ষীয়ে আজি পুৱা ভাগত এক অভিযান চলাই ড্ৰাগছসহ এজন ড্ৰাগছ বেপাৰীক আটক কৰিবলৈ সক্ষম হয়। কেৰালা অভিমুখী ১২,৫০৮ নম্বৰৰ আৰনাই এক্সপ্ৰেছত অভিযান চলাওতে ড্ৰাগছ ব্যৱসায়ীজনক ৰেল আৰক্ষীয়ে আটক কৰে। ব্যৱসায়ীজনৰ পৰা পাঁচটা চাবোন বাকচত ৬০.২৬ গ্ৰাম ব্ৰাউন চুগাৰ জব্দ কৰে। আটক হোৱা যুৱকজন নগাঁও জিলাৰ ফিজাৰুল হক বুলি জানিব দিয়ে ৰেল আৰক্ষীয়ে। ধৃত যুৱকজনৰ লগত থকা এজন যুৱক পলাই সাৰে।

# বৰপেটাত বন্যাৰ্তলৈ সহায়ৰ হাত ৰামধেনু ফাউণ্ডেছনৰ

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২৪ জুন ঃ** দুৰ্যোগৰ সময়ত বিভিন্নজনে বিভিন্ন ধৰণে আৰ্তজনৰ কাষত থিয় হৈছে। পিছপৰি নাথাকিল বৰপেটাৰ অন্যতম স্বেচ্ছাসেৱী সংগঠন ৰামধেনু ফাউণ্ডেছনো। কালি বৰপেটা চহৰৰ কিয়দাংশ বানপীড়িত পৰিয়ালৰ মাজত বান সাহায্য বিতৰণ কৰে সংস্থাটোৱে। একেদিনাই চাৰিটা পৰ্যায়ত মুঠ পাঁচটা আশ্ৰয় শিবিৰত সংস্থাটোৱে বান সাহায্য বিতৰণ কৰে। প্ৰথম পৰ্যায়ত বৰপেটা আইন মহাবিদ্যালয় আৰু দ্বিতীয় পৰ্যায়ত অফিচাৰ্চ ক্লাবৰ পিছফালৰ নিৰ্মীয়মাণ ভৱনত আশ্ৰয় লৈ থকা পৰিয়ালসমূহ বান সাহায্য বিতৰণ কৰা হয়। তৃতীয় পৰ্যায়ত সংস্থাটোৱে বৰপেটা সত্ৰৰ অতিথিশালাত আশ্ৰয় লৈ থকা পৰিয়ালসমূহৰ মাজত বান সাহায্য বিতৰণ কৰে। বৰপেটা সত্ৰত স্থায়ীভাৱে থকা কেৱলীয়া ভকতসকলকো বান সাহায্য প্ৰদান কৰে সংস্থাটোৱে।

চতুৰ্থ তথা শেষ পৰ্যায়ত সংস্থাটোৱে বৰপেটা সাহিত্য সভা আৰু ৰাইজিং ক্লাবত আশ্ৰয় লৈ থকা পৰিয়ালসমূহৰ মাজত বান সাহায্য বিতৰণ কৰে। সংস্থাটোৰ তৰফৰ পৰা প্ৰতিটো পৰিয়ালক এক কিলোগ্ৰাম চাউল, ২৫০ গ্ৰাম দাইল, এক কিলোগ্ৰাম আলু, ২৫০ গ্ৰাম পিঁয়াজ, ২০০ মিলিলিটাৰ মিঠাতেল, এক পেকেট বিস্কুট, এক পেকেট মহ খেদা ধূপ কাটি আৰু ৫০০ মিলিলিটাৰৰ দুটাকৈ খোৱাপানীৰ বটল বান সাহায্য হিচাপে প্ৰদান কৰা হয়।

# ৰাজ্যৰ তিনি অনুবাদকলৈ একাডেমীৰ বঁটা

*এক পৃষ্ঠাৰ পৰা* অসমীয়া অনুবাদ 'দাঁতি পাৰৰ মানুহ'ৰ বাবে তেওঁলৈ এই বঁটা আগবঢ়োৱা হৈছে। আনহাতে, বড়োৱে জয়ন্তী গগৈৰ অসমীয়া ভাষাৰ উপন্যাস 'হিড়িম্বা'ৰ বড়ো ভাষালৈ একে নামেৰে গ্ৰন্থৰ অনুবাদৰ বাবে আৰু যশস্বী সাহিত্যিক প্ৰয়াত হোমেন বৰগোহাঞিৰ অসমীয়া ভাষাৰ উপন্যাস 'পিতা-পুত্ৰ'ৰ নেপালী ভাষালৈ অনুবাদ 'বাবু-চোৰা' গ্ৰন্থৰ বাবে উপাধ্যায় লাভ কৰিছে দেশৰ সৰ্বোচ্চ সন্মান সাহিত্য একাডেমী।

সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ ইংৰাজী ভাষাৰ মুৰব্বী অধ্যাপিকা হিলৈদাৰী সাম্প্ৰতিক সময়ৰ অন্যতম গুৰুত্বপূৰ্ণ লেখিকা-সমালোচকৰূপে পৰিচিত। উল্লেখ্য যে দাঁতি পাৰৰ মানুহ শীৰ্ষক গ্ৰন্থখন প্ৰকাশ পাইছিল ২০১৫ত।

### উৎফুল্লিত ড° বড়ো

অনুবাদ সাহিত্যৰ বাবে ২০২১ বৰ্ষৰ বড়ো ভাষাত সাহিত্য একাডেমী বঁটাৰে বিটিচিলৈ গৌৰৱ কঢ়িয়াই আনিছে সদৰ বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ভাষাগুৰু, বড়ো বিভাগৰ ডীন তথা অধ্যাপিকা ড° ইন্দ্ৰিৰা বড়োৱে। একেধাৰে সাহিত্যিক, কবি, গীতিকাৰ তথা বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° বড়োৱে শিৱসাগৰ মহাবিদ্যালয়ৰ প্ৰয়াত অধ্যাপিকা ড° জয়ন্তী গগৈৰ দ্বাৰা ৰচিত অসমীয়া গ্ৰন্থ 'হিড়িম্বা' বড়ো ভাষালৈ অনুবাদ কৰি ২০২১ বৰ্ষৰ সাহিত্য একাডেমী বঁটাৰ বাবে নিৰ্বাচিত হৈছে। ড° বড়োৱে জানিবলৈ দিয়া মতে বহু বছৰ পূৰ্বে কোকৰাঝাৰত অনুষ্ঠিত হোৱা গ্ৰন্থমেলাত 'হিড়িম্বা' গ্ৰন্থখন ক্ৰয় কৰি অধ্যয়ন কৰাৰ পাছতে ভাল লাগি বড়ো ভাষালৈ অনুবাদ কৰাৰ সিদ্ধান্ত লৈছিল। ২০১৯ত গ্ৰন্থখন বড়ো ভাষালৈ অনুবাদ কাৰ্য সমাপ্ত কৰিছিল। ২০২০ত নিজা ব্যয়ৰে তেওঁ গ্ৰন্থখন প্ৰকাশ কৰে। বঁটাপ্ৰাপক অধ্যাপিকাগৰাকীয়ে কয় যে এই গ্ৰন্থখনেই ৰাষ্ট্ৰীয় পৰ্যায়ত সন্মান বুটলিবলৈ সক্ষম হ'ব বুলি তেওঁ ভবা নাছিল। আজি সাফল্যৰ বতৰা লাভ কৰি উৎফুল্লিত হৈ পৰা বুলি তেওঁ অনুভৱ ব্যক্ত কৰে। 'এয়া মোৰ নহয় মোৰ জাতিৰ সন্মান, মোৰ ৰাজ্যৰ সন্মান।' এইদৰে উল্লেখ কৰি অধ্যাপিকাগৰাকীয়ে সাহিত্য একাডেমী বটাঁৰ বাবে নিৰ্বাচিত হোৱাত তেওঁৰ পৰিয়াল, পিতৃ-মাতৃ আৰু পেহীয়েক সুনীতি বসুমতাৰীৰ সান্নিধ্যত অনুপ্ৰেৰণা পোৱা বুলি মত ব্যক্ত কৰে। ড° বড়োৱে ইতিমধ্যে কবিতা পুথি, শিশু সাহিত্য, অনুবাদ সাহিত্য, চুটি গল্পকে ধৰি ৩২ খন বিভিন্ন গ্ৰন্থ প্ৰকাশ কৰিছে আৰু কে'বাখনো চুটি গল্প, উপন্যাস প্ৰকাশৰ প্ৰস্তুতি লোৱা বুলি সদৰী কৰে। কেৱল লিখা-মেলাতে ব্যস্ত থাকি ভাল পোৱা ড° বড়োৱে বড়ো, অসমীয়া আৰু হিন্দীত এই পৰ্যন্ত ডেৰ সহস্ৰাধিক গীত ৰচনা কৰা বুলি জানিবলৈ দিয়ে। লগতে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পাছত আকাশবাণীত ২৫ টা স্বৰচিত গীত ৰচনা কৰি দিছিল ।

### গায়িকা হোৱাৰ দুৰ্বাৰ হেঁপাহ আছিল

১৯৮৫ৰ পৰা বড়ো, অসমীয়া, হিন্দী ভাষাত গীত লিখি গীতিকাৰ হিচাপে জনপ্ৰিয়তা লাভ কৰা সাহিত্যিকগৰাকীৰ গায়িকা হোৱাৰ দুৰ্বাৰ হেঁপাহ আছিল। গান গোৱাৰ হেঁপাহ পুহি উপযুক্ত মঞ্চ লাভ নকৰাত আজি তেওঁ লেখিকাৰূপে ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰি বৰ্ণনাতীতভাৱে আনন্দিত হোৱা বুলি জনায়। অকল এয়ে নহয় ১৯৯৩ৰ পৰা ২০০০লৈ গুৱাহাটীত পঢ়ি থকাৰ সময়ছোৱাত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বড়ো বিভাগৰ নিয়মীয়া ঘোষিকাও আছিল। ইয়াৰ উপৰি গুৱাহাটীৰ দূৰদৰ্শন কেন্দ্ৰৰ 'ৰংগীলা' শীৰ্ষক 'পিপিচি'ৰ বড়ো ভাষাৰ অনুষ্ঠান এটাৰো নিয়মীয়া ঘোষিকা আছিল। বিজনী বিধানসভা সমষ্টিৰ প্ৰয়াত বিধায়ক পিটিচিএ দলৰ গণেশ বড়ো আৰু বাসন্তী বড়োৰ জ্যেষ্ঠ সন্তান ইন্দিৰা বড়োৱে বৰ্তমানৰ চিৰাং জিলাৰ পাণবাৰীৰ ওচৰৰ লোৱাৰপাৰা গাঁৱত ১৯৬৯ৰ ২০ জানুৱাৰীত জন্মগ্ৰহণ কৰে। বড়ো মাধ্যমতে শিক্ষা জীৱনৰ পাতনি মেলা অধ্যাপিকাগৰাকীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা বড়ো ভাষাতে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে । তাৰ পাছত প্ৰফেচৰ ড° দিলীপ বৰাৰ তত্ত্বাৱধানত ২০১৩ত '১৯৬০ৰ পৰা ১৯৮৮লৈ বড়ো আৰু অসমীয়া সামাজিক উপন্যাস, এক তুলনামূলক অধ্যয়ন' (বড়ো এণ্ড আছামিজ ছ'চিয়েলছ ন'ভেল ফ্ৰম ১৯৬০ টু ১৯৮৮, এ কম্পাৰেটিভ ষ্টাডী) শীৰ্ষক বিষয়ৰ ওপৰত গৱেষণা কৰি পিএইছডি ডিগ্ৰী অৰ্জন কৰে। কোকৰাঝাৰ চহৰৰ মাইবং নৌগৰৰ নিবাসী তথা কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক সুশান্ত নাৰ্জাৰীৰ সহধৰ্মিণী বড়োৰ দুগৰাকী কন্যা বহিঃৰাজ্যত অধ্যয়নৰত হৈ আছে।

### যুৱ প্ৰজন্মক সদ্ব্যৱহাৰ কৰিবলৈ আহ্বান

তেওঁ নৱপ্ৰজন্মক অযথা সময় নষ্ট নকৰি সময়ৰ সদ্ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। আত্মবিশ্বাস আৰু একাগ্ৰতা থাকিলে সকলো কামতে কৃতকাৰ্যতা লাভ কৰিব পাৰি বুলিও কয়। বৰ্তমান সময়ত আঞ্চলিক ভাষাৰ ওপৰত গুৰুত্ব দিবলৈ সকলোকে তথা চৰকাৰক আহ্বান জনায় বঁটাপ্ৰাপকগৰাকীয়ে। তেওঁ কয়, 'নিজ মাতৃভাষা যদি অস্তিত্বৰ সংকটত পৰে এদিন সংস্কৃতিও হেৰাই যাব । ভাষা- সংস্কৃতি নাথাকিলে জাতিৰ অস্তিত্ব নাথাকিব।' বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, কোকৰাঝাৰ শাখা সাহিত্য সভা, কোকৰাঝাৰ জিলা ছাত্ৰ সন্থা, নিখিল বড়ো ছাত্ৰ সন্থা, বড়ো সাহিত্য সভা, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীবৃন্দ, গৌৰাং অধ্যয়ন চক্ৰ সমিতি, কোকৰাঝাৰকে ধৰি বিভিন্ন দল- সংগঠনে ড° ইন্দিৰা বড়োক উষ্ম আদৰণি জনাই আন্তৰিক অভিনন্দন জ্ঞাপন কৰে ।

# মৃতদেহ লৈ ২০ কিলোমিটাৰ আহি মৰিগাঁৱত মৃতদেহ সংকাৰ পৰিয়ালৰ

## বানত দিশহাৰা হোৱা মৰিগাঁৱৰ এটা পৰিয়ালৰ কৰুণ কাহিনী

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ২৪ জুন ঃ** প্ৰলয়ংকৰী বানৰ কৱলত পৰি দিশহাৰা হোৱা মৰিগাঁও জিলাৰ গাগলমাৰী ছোট গড়জানৰ এজন ৬০ বছৰীয়া লোকৰ মৃত্যু হোৱাত বানৰ প্ৰকোপৰ বাবে জন্মস্থানত মৃতদেহ সংকাৰ কৰিব নোৱাৰি অৱশেষত মৰিগাঁও চহৰৰ ভূতনাথ শ্মশানত আজি পৰিয়ালৰ লোকে সংকাৰ কৰিবলগীয়া হোৱা কৰুণ ঘটনাই মৰিগাঁৱত সকলোকে আৱেগিক কৰি তোলে। প্ৰাপ্ত তথ্য মতে, মৰিগাঁও জিলাৰ জাগীৰোড সমষ্টিৰ অন্তৰ্গত গাগলমাৰীৰ ছোট গড়জানত যোৱা কে'বাদিনো ধৰি বানে বিভীষিকাময় পৰিৱেশৰ সৃষ্টি কৰিছে। উক্ত অঞ্চলটোত বহু পৰিয়াল যোৱা কে'বাদিনো ধৰি বানত আবদ্ধ হৈ আছিল। অঞ্চলটোৰ হাচিৰাম সৰকাৰ নামৰ ৬০ বছৰীয়া লোকজনে অৱশেষত উপায়ান্তৰ হৈ নাৱেৰে নিৰাপদ স্থানত গৈ থকা অৱস্থাত নাৱৰ পৰা পিছলি পৰাত পানীৰ কোবাল সোঁতে উটুৱাই নিয়ে। পাছত গাঁৱৰ ৰাইজে হুৱাদুৱা কৰাত সেই স্থানত থকা এছডিআৰএফ বাহিনীয়ে তাৎক্ষণিকভাৱে হাচিৰাম সৰকাৰ নামৰ লোকজনক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। অঞ্চলটোত এই কৰুণ ঘটনাই দুদিন ধৰি শোকৰ ছাঁ পেলাইছিল। অঞ্চলটোত বানে বিভীষিকাময় পৰিৱেশৰ সৃষ্টি কৰাৰ ফলত গাঁওখনৰ ৰাইজে হাচিৰামৰ মৃতদেহ সংকাৰ কৰাত অসমৰ্থ হ'ল। বানত হাবুডুবু খোৱা ছোট গড়জান ৰাইজে অৱশেষত গাঁওখনত বানৰ প্ৰকোপৰ বাবে হাচিৰাম সৰকাৰ মৃতদেহ সংকাৰ কৰিব নোৱাৰি প্ৰায় ২০ কিলোমিটাৰ পথেৰে আহি মৰিগাঁও চহৰৰ ভূতনাথ শ্মশানত ৬০ বছৰীয়া লোকজনক পৰিয়ালৰ লোকে সংকাৰ কৰে। বানত বিধ্বস্ত কৰা জিলাখনত মৃতদেহ সংকাৰ কৰিব নোৱাৰি চহৰত পৰিয়ালৰ লোকে সংকাৰ কৰিবলগীয়া হোৱা হৃদয়বিদাৰক ঘটনাই অঞ্চলটোৰ লগতে জিলাখনতেই গভীৰ শোকৰ ছাঁ পেলাইছে।

## সমাজকৰ্মী পুষ্পেন্দ্ৰ ডেকাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২৪ জুন ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ জামুগুৰি গাঁৱৰ নিবাসী বিশিষ্ট সমাজকৰ্মী, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত বিষয়া পুষ্পেন্দ্ৰ ডেকা (৮০)ৰ আজি বিয়লি হৃদৰোগত আক্ৰান্ত হৈ নিজ ঘৰতে মৃত্যু হয়। এজন সৰল মনৰ কষ্টসহিষ্ণু লোক হিচাপে সকলোৰে স্নেহ আৰু শ্ৰদ্ধাৰ ডেকাৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে গাঁওখনত শোকৰ ছাঁ পৰিছে। সাহিত্যানুৰাগী ডেকাই ইতিমধ্যে 'শুকলা মেঘৰ পৰশ' নামৰ এখনি উপন্যাস প্ৰণয়ন কৰাৰ উপৰি অসমীয়া কাব্য চৰ্চাতো মনোনিৱেশ কৰি যথেষ্ট সংখ্যক কবিতা ৰচনা কৰি থৈ যায়। সামাজিকভাৱে দায়বদ্ধ লোকজনে বেবেজীয়া পণ্ডিত কনক শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ দয়ামায় প্ৰাথমিকৰ প্ৰাক্তন সভাপতি, জামুগুৰি শাখা সাহিত্য সভাৰো প্ৰাক্তন সভাপতিৰূপে নিষ্ঠা সহকাৰে কৰ্তব্য সম্পাদন কৰাৰ সমান্তৰালভাৱে ডেকা আমৃত্যু পৰ্যন্ত জনমভূমি জামুগুৰি গাঁৱৰ আধ্যাত্মিক পীঠস্থান সাৰ্বজনীন গৰখীয়া থান পৰিচালনা সমিতিৰ উপ-সভাপতি হিচাপেও সমাজ জীৱনলৈ সেৱা আগবঢ়াই গৈছে।

# বানপানীৰ বাবে খলিহৈ-কুৰুৱা অঞ্চলত ব্যাহত বিদ্যুৎ

## পুনৰ সংযোগৰ বাবে স্থানীয় ৰাইজে বিভাগক কৰিলে সহযোগ

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ২৪ জুন ঃ** সমগ্ৰ দৰং জিলাত হোৱা প্ৰলয়ংকৰী বানপানীয়ে বৃহত্তৰ খলিহৈ-কুৰুৱা অঞ্চলৰ ৰাইজকো জুৰুলা কৰে। আকস্মিকভাৱে কে'বাঠাইতো নৈনে নৈৰ মথাউৰি ভাঙি ৰাতিটোৰ ভিতৰতে বানপানীত বুৰ যোৱা ছিপাঝাৰ সমষ্টিৰ দক্ষিণ-পশ্চিম কোণত অৱস্থিত খলিহৈ-কুৰুৱা অঞ্চলৰ ১৩ খন ৰাজহ গাঁৱৰ প্ৰায় ১০ সহস্ৰাধিক ৰাইজ এসপ্তাহ ধৰি জলবন্দী হয়। তাতেই দুৰ্ভাগ্যজনকভাৱে পশ্চিম কুৰুৱাৰ মাজেৰে যোৱা লেঙা-কুৰুৱা সংযোগী পথ বানপানীয়ে ভাঙি দিয়াত পথ-যোগাযোগ বিচ্ছিন্ন হোৱাৰ লগতে উক্ত স্থানত থকা ডাঙৰ গছ উভালি পৰাত বিদ্যুৎ সংযোগ ব্যাহত হোৱাত প্ৰায় এসপ্তাহ ধৰি পোহৰ, খোৱা পানী, ম'বাইল সংযোগ আদিৰ ক্ষেত্ৰত অঞ্চলবাসী বঞ্চিত হয়। ইফালে, উৎকট গৰমত বিদ্যুতৰ অভাৱত ৰাইজে জীয়াতু ভুগিবলগীয়া হয়। বানপানী ক্ৰমে শুকাবলৈ ধৰাত বিদ্যুৎ বিভাগে বন বিভাগৰ সহযোগত বিদ্যুৎ সংযোগ কৰিবলৈ চেষ্টা কৰে যদিও গছ কটা, ঠানি কটা আৰু পোষ্ট পোতাৰ অসুবিধাৰ বাবে বিদ্যুত সংযোগত সফল হ'ব নোৱাৰিলে। সেয়ে আজি পুনৰ বৃহত্তৰ অঞ্চলৰ সচেতন ৰাইজ তথা যুৱ চাম আৰু কুৰুৱা বন সংমণ্ডলৰ সহযোগত সমস্যাসমূহ সমাধান কৰি আমিনগাঁও বিদ্যুৎ সংমণ্ডলে খলিহৈ-কুৰুৱা অঞ্চলত ব্যাহত হৈ থকা বিদ্যুৎ সংযোগ কৰিবলৈ সক্ষম হোৱাত বৃহত্তৰ অঞ্চলৰ ৰাইজে স্বস্তিৰ নিশ্বাস পেলায়। উল্লেখ্য যে এনে সামূহিক কৰ্মত উৎসাহ যোগাবলৈ অঞ্চলৰ কেইগৰাকীমান সমাজহিতৈষী ব্যক্তিয়ে চাহ-পানী, বিস্কুট আদিৰ নামত নগদ বৰঙণি আগবঢ়ায়।

# জলসম্পদ বিভাগৰ অদূৰদৰ্শিতাৰ বাবে মঙলদৈৰ ১২ খন গাঁও পানীৰ তলত

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ২৪ জুন ঃ** দৰঙৰ বৃহত্তৰ ৰঙামাটি অঞ্চলৰ পৰা জমা হোৱা পানীখিনি শীঘ্ৰে নিষ্কাসনৰ ব্যৱস্থা কৰক। অন্যথা ১০-১২ খন গাঁৱৰ ৰাইজ মৃত্যু মুখত পৰিব। ইতিমধ্যে ১০-১২ দিন পানীৰ তলত থকাৰ পাছতো মুখ্যমন্ত্ৰীৰ লগতে জলসম্পদমন্ত্ৰী আৰু বিয়াগোম বান নিয়ন্ত্ৰণ বিভাগৰ কোনো বিষয়াই পৰিদৰ্শন নকৰাত আমি আশ্বৰ্য প্ৰকাশ কৰিছো, অসম চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰে বিশেষ পেকেজ ঘোষণাৰ জৰিয়তে বানাক্ৰান্ত ৰাইজক উদ্ধাৰ কৰিব লাগিব। এইদৰে কয় সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক কুমাৰ নাথে। আজি মঙলদৈ ৰাজহ চক্ৰৰ অন্তৰ্গত বৰ ঠেকেৰাবাৰী, সৰু ঠেকেৰাবাৰী, ছটো নগাঁও, ধনখুন্দা পাৰা, ৰঙামাটি, আদি গাঁও নৌকাৰে পৰিদৰ্শন কৰি সভাপতি নাথসহ আছুৰ প্ৰতিনিধি দলটোৱে আচম্বিত হৈ পৰে। যোৱা ১৫ জুলাইত শাকতোলাৰ ভঙা মাথাউৰিৰে পানী সোমাই বৃহৎ হ্ৰদৰ সৃষ্টি কৰা অঞ্চলটোত বিগত আঠদিনে পানীৰ তলত থকাৰ পাছতো ৰাজ্য চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ নকৰাত আছুৱে ক্ষোভ ব্যক্ত কৰে। সভাপতি নাথৰ চৰকাৰলৈ পোনপটীয়া দাবী বান সাহায্য দিলেই নহ'ব, দুই এদিনৰ ভিতৰতে পানী নিষ্কাসনৰ ব্যৱস্থাও কৰিব লাগিব। তেওঁ ৰঙামাটি কুৰুৱা মথাউৰিত থকা তিনিখন কৈ শ্লুইছ গেট প্ৰত্যক্ষ কৰি তিনি ফুট তিনি ফুট বহলৰ তিনিখন শ্লুইছ গেট প্ৰত্যক্ষ কৰি জলসম্পদ বিভাগৰ অভিযন্তাসকলৰ দক্ষতাৰ ওপৰতো প্ৰশ্ন কৰে। তেওঁ কয় এয়া হয়তো বিশ্বৰ ভিতৰতে ক্ষুদ্ৰতম শ্লুইছ গেট। শাকতোলাৰ ভঙা মথাউৰিৰে সোমোৱা পানীভাগ এই শ্লুইছ গেটেৰে পাৰ হ'ব লাগিলে এমাহতকৈ বেছি দিন লাগিব আৰু তেওঁ খিলঞ্জীয়া গঞা ৰাইজ মৃত্যু মুখত পৰিব বুলি কয়। এনে এটা গুৰুত্বপূৰ্ণ বিষয় লৈ জলসম্পদ বিভাগে ল'ৰা-ধেমালি কৰা বুলিও অভিযোগ কৰে। আনহাতে, আছুৰ উপদেষ্টা প্ৰকাশ দাসে জলসম্পদ বিভাগৰ যিসকল অভিযন্তা আৰু বিষয়াই অ-বিজ্ঞানসন্মতভাৱে ৰঙামাটি কুৰুৱা মাথাউৰিত শ্লুইছ গেট নিৰ্মাণ কৰিছিল তেওঁলোকৰ বিৰুদ্ধে তদন্ত কৰি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীক দাবী জনায়। তেওঁ উক্ত বানপীড়িত অঞ্চলৰ ৰাইজক এবছৰলৈ খাজনা ৰেহাইৰ দাবী জনোৱাৰ লগতে কৃষি ঋণ-মৎস্য পালনৰ ঋণ ৰেহাই দিবলৈ দাবী জনায়। আছুৰ উপ-সভাপতি জয়ন্ত ভট্টাচাৰ্য, বিত্ত সম্পাদক খনিন্দ্ৰ ৰাজবংশী, ৰাজ্যিক কাৰ্যনিবাহক নিৰঞ্জন শইকীয়া, দৰং জিলা আছুৰ সভাপতি পৰাগ চহৰীয়া আৰু সাধাৰণ সম্পাদক সত্যৰঞ্জন ডেকা সহিতে প্ৰতিনিধি দলটিয়ে ৰঙামাটি-কুৰুৱা মথাউৰিত থকা বানাক্ৰান্ত ৰাইজৰ খা-খবৰ লোৱাৰ লগতে কিছু খাদ্য সামগ্ৰীও যোগান ধৰে।

# সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীলৈ সাহিত্য একাডেমীৰ

*এক পৃষ্ঠাৰ পৰা* হৈছে বিশিষ্ট পণ্ডিত অধ্যাপক সত্যেন্দ্ৰ নাৰায়ণ গোস্বামীক। একেটা বৰ্ষতে পশ্চিম মণ্ডলৰ পৰা এই সন্মান আগবঢ়োৱা হৈছে পণ্ডিত ড০ মহম্মদ আজমক। আনহাতে, ২০১৯ৰ বাবে উত্তৰ মণ্ডলৰ পৰা অধ্যাপক দয়ানন্দ ভাৰ্গৱক আৰু দক্ষিণ মণ্ডলৰ পৰা অধ্যাপক এ দক্ষিণা মূৰ্তিক এই সন্মান আগবঢ়োৱা হৈছে। আজি নতুন দিল্লীৰ ৰবীন্দ্ৰ ভৱনত ড০ চন্দ্ৰশেখৰ কাম্বাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সাহিত্য একাডেমীৰ কাৰ্যকৰী পৰিষদৰ এখন সভাত এই চাৰিগৰাকী পণ্ডিতৰ নাম উক্ত সন্মানৰ বাবে চূড়ান্ত কৰা হয়।

তাহানিৰ কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পিএইছডি অৰ্জন কৰা অধ্যাপক সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী এগৰাকী নীৰৱ পণ্ডিত-সাহিত্যিক। ইংৰাজী আৰু অসমীয়া ভাষাত কে'বাখনো গৱেষণামূলক গ্ৰন্থৰ প্ৰণেতা গোস্বামীয়ে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অধ্যাপনা কৰিছিল। ইন্দিৰা গান্ধী মেম'ৰিয়েল ফেল'শ্বিপ, অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনো লাভ কৰা পণ্ডিতগৰাকীৰ কেইখনমান বিশেষ গ্ৰন্থ হ'ল— 'নাগামিজ ইটছ ষ্টেটাছ এণ্ড পজিছন ইন নগালেণ্ড', 'দ্য ছ'চাইটি এণ্ড কালচাৰ ৰিফ্লেকটেড ইন দ্য ৰামায়ণ অৱ মাধৱ কন্দলী', 'হিষ্ট'ৰী এণ্ড প্ৰি-হিষ্ট'ৰী অৱ দ্য এছামিজ প্ৰোজে লিটাৰেচাৰ', আৰু 'দ্য বড়ো এণ্ড গাৰো লেংগুৱেজ—এ কম্পাৰেটিভ ষ্টাডি।'

# দেশৰ চোৰাংচোৱা সংস্থাৰ মুৰব্বী পদত

*এক পৃষ্ঠাৰ পৰা* তেওঁ যথেষ্ট অভিজ্ঞতালব্ধ।'

সম্প্ৰতি ডেকাই আই বিৰ অপাৰেচন ডেস্কৰ মুৰব্বীৰূপে কৰ্মৰত হৈ থকা ডেকা এজন নিৰ্জু আৰু বিনয়ী বিষয়াৰূপে পৰিচিত। বিগত দুটা দশক ধৰি তেওঁ সন্ত্ৰাসবাদ আৰু ধৰ্মীয় মৌলবাদৰ বিষয়ত অহৰহ অনুসৰণ কৰি আছে। উত্তৰ-পূৰ্বাঞ্চলৰ এজন বিশেষজ্ঞ ডেকাক বাছনি কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ২০১৯ত অসমত নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে হোৱা হিংসাৰ পাছত অসমলৈ প্ৰেৰণ কৰিছিল।

আই বিত তেওঁৰ কেৰিয়াৰৰ অধিকাংশ সময় কাৰ্যনিৰ্বাহ কৰাৰ ডেকাৰ ওপৰত গৃহমন্ত্ৰী শ্বাহৰ অগাধ বিশ্বাস থকা বুলিও গৃহ মন্ত্ৰণালয়ৰ এজন জ্যেষ্ঠ বিষয়াই কয়। বিগত জুনত ডেকাক আই বিৰ অতিৰিক্ত সঞ্চালক পদবীৰ পৰা বিশেষ সঞ্চালকৰূপে পদোন্নতি দিয়া হৈছিল।


অহা ৩০ জুনত অন্ত পৰিব বৰ্তমানে আই বিৰ সঞ্চালকৰূপে কাৰ্যনিৰ্বাহ কৰি থকা অৰবিন্দ কুমাৰৰ কাৰ্যকাল। সেই স্থানতে স্থলাভিষিক্ত হ'ব ডেকা। তেওঁৰ এই পদোন্নতিৰ বাবে কেন্দ্ৰীয় চৰকাৰে অতিক্ৰম কৰা বিষয়াকেইজন হৈছে এ এছ ৰাজন, আনিছ দয়াল, মনোজ যাদৱ, মনোজ লাল, অমিতাভ ৰাজন আৰু মনমোহন সিং। এইসকলৰ বিষয়াক অতিক্ৰমী কেন্দ্ৰই দেশৰ চোৰাংচোৱাৰ শীৰ্ষ পদবীত অধিষ্ঠিত কৰালে ডেকাক।

আনহাতে, ৰ'ৰ সচিব সামন্ত গোৱেলৰ কাৰ্যকাল বৃদ্ধি কৰি তেওঁকো পুৰস্কৃত কৰিলে। নজিৰবিহীনভাৱে গোৱেলৰ কাৰ্যকাল এবছৰ বৃদ্ধি কৰা হ'ল। গোৱেলৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালৰ স'তে বুজাবুজি থকা বুলি কয়। পঞ্জাৱৰ এই বিষয়াজন আফগানিস্তান-পাকিস্তান আৰু মধ্যপ্ৰাচ্যৰ এজন বিশেষজ্ঞৰূপে পৰিচিত।

# নগাঁৱত পুনৰ চোৰাং গৰু জব্দ মণিপুৰৰ দুই চোৰাং গৰু সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৪ জুন ঃ** চোৰাং গৰু সৰবৰাহৰ বিৰুদ্ধে নগাঁও আৰক্ষীয়ে অতি কঠোৰ ভূমিকা গ্ৰহণ কৰি ধাৰাবাহিক অভিযান চলাই আছে যদিও ইয়াৰ মাজতেই নগাঁৱৰ মাজেৰে যোৱা ৰাষ্ট্ৰীয় ঘাই পথ আৰু ৰাজ্যিক ঘাইপথসমূহৰে যোৱাবাট হৈ মেঘালয়লৈ চোৰাং গৰু সৰবৰাহ অব্যাহত আছে। এনেদৰে সৰবৰাহ কৰা চোৰাং গৰুসমূহ মেঘালয়ৰ পৰা বাংলাদেশলৈ সৰবৰাহ কৰাৰ তথ্য আৰক্ষীয়ে লাভ কৰিছে। এই চোৰাং গৰু সৰবৰাহৰ স'তে এটা কুখ্যাত আন্তঃৰাজ্যিক চক্ৰ জড়িত থকাৰ তথ্যও আৰক্ষীয়ে উদ্‌ঘাটন কৰিছে। যোৱা নিশাও নগাঁৱৰ আৰক্ষীয়ে এক গোপন সূত্ৰৰ খবৰৰ ভিত্তিত নগাঁও বাইপাছৰ বৰঘাটত এক অভিযান চলাই গৰুসহ দুজন চোৰাং গৰু সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। নগাঁৱৰ বৰঘাট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ফিৰোজ দলেৰ নেতৃত্বত বৰঘাট বাইপাছৰ ৩৬ নম্বৰ আৰু ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা অভিযান চলাই ২২টা চোৰাং গৰুসহ এখন ট্ৰাক জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে এই গৰুসমূহ সৰবৰাহ কৰা মণিপুৰৰ দুজন চোৰাং গৰু সৰবৰাহকাৰীকো গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা চোৰাং গৰু সৰবৰাহকাৰী দুজনৰ নাম হৈছে খুলকপাম চবিৰ আৰু খুলকপাম শ্বৰিফ। দুয়োৰে ঘৰ মণিপুৰৰ ইম্ফলত। আৰক্ষী সূত্ৰৰ পৰা জানিব পৰা মতে, দুই চোৰাং সৰবৰাহকাৰীয়ে গোলাঘাট জিলাৰ বোকাখাতৰ পৰা মেঘালয়লৈ ২২টা গৰু সৰবৰাহৰ বাবে নগাঁও হৈ নিয়াৰ পৰিকল্পনা কৰিছিল। এম এন-০৫ চি-১৬৯২ নম্বৰৰ ট্ৰাকখনত গৰুকেইটা লৈ অনা হৈছিল। এই খবৰ লাভ কৰি বৰঘাট আৰক্ষীয়ে অভিযান চলাই এই সফলতা লাভ কৰে। উল্লেখ্য যে কেইদিনমান পূৰ্বে বৰঘাট আৰক্ষীয়ে তিনিখন ট্ৰাকসহ প্ৰায় ৮০টাৰো অধিক চোৰাং গৰু জব্দ কৰিবলৈ সক্ষম হৈছিল। এই সন্দৰ্ভত আৰক্ষীয়ে কে'বাজনো চোৰাং গৰু সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছিল। চোৰাং গৰু সৰবৰাহৰ



বিৰুদ্ধে আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে যদিও চোৰাং গৰু সৰবৰাহকাৰীয়ে সৰবৰাহ অব্যাহত ৰাখিছে। জিলাখনৰ বিভিন্ন আৰক্ষী থানৰ সন্মুখেৰেই চোৰাং গৰু সৰবৰাহ হৈ আহিছে। যিটো অতি উদ্বেগজনক বিষয় হিচাপে বিবেচিত হৈছে।

**SHORT TENDER NOTICE**

[illegible]

| Sl No. | Name of the work | Estimated Cost | EMD amount | Completion period |
|---|---|---|---|---|
| 1 | [illegible] | [illegible] | [illegible] | [illegible] |

[illegible]

Sd/-
Director-in-Charge
Dairy Development, Assam
[illegible]

Janasanyog/C/5339/22

# নলবাৰীৰ ৬২ ভক্তৰ অমৰনাথ যাত্ৰাৰ প্ৰস্তুতি

## আজি নাট্য মন্দিৰত দিনজোৰা বৰ্ণিল অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২৪ জুন ঃ** অমৰনাথ ভোলে সেৱা দল নলবাৰীৰ পৰা অহা ২৭ জুনত নলবাৰী ৰেলৱে ষ্টেছনৰ পৰা ৬২জনীয়া পুৰুষ-মহিলাৰ এটি দলে কাশ্মীৰৰ হিমালয় পৰ্বতত থকা অমৰনাথ বাবা বাৰফানী দৰ্শনৰ বাবে ৰাওনা হ'ব। উক্ত ধৰ্মীয় দলৰ ভক্তসকলে অমৰনাথ দৰ্শন কৰি মা বৈষ্ণ দেৱীৰ দৰ্শন কৰিব। উক্ত যাত্ৰাৰ লগত সংগতি ৰাখি কাইলৈ নলবাৰী নাট্য মন্দিৰ প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি পুৱা ১১ বজাত বিশ্ব শান্তিৰ বাবে এক ধৰ্মীয় মটৰ চাইকেলেৰে শোভাযাত্ৰা উলিওৱা হ'ব। উক্ত শোভাযাত্ৰা উদ্বোধন কৰিব নলবাৰী জিলাৰ ভাৰতীয় জনতা পাৰ্টিৰ সম্পাদক মৃণাল শৰ্মাই। তাৰ পাছত দিনটো ৰাইজৰ বাবে মিঠা চৰবত বিতৰণ। আবেলি পাঁচ বজাৰ পৰা এক বিশাল ভাণ্ডাৰাৰ আয়োজন কৰিছে। সন্ধিয়া ৬-৩০ বজাত বন্তি প্ৰজ্বলন অনুষ্ঠান। বন্তি প্ৰজলন কৰিব ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ নলবাৰী বিভাগৰ প্ৰচাৰক জ্ঞান মোহন মণ্ডল আৰু বিশ্ব হিন্দু পৰিষদ নলবাৰী জিলাৰ সম্পাদক নয়নমণি চক্ৰৱৰ্তীয়ে। মাল্যাপৰ্ণ কৰিব বিশ্ব হিন্দু পৰিষদ নলবাৰী জিলাৰ উপ-সভাপতি মানস পাটগিৰি আৰু বজৰং দল নলবাৰী জিলাৰ সংযোজক নয়ন তালুকদাৰে। সন্ধিয়া সাত বজাত ধৰ্মীয় গীতৰ ওপৰত সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব বিশিষ্ট সমাজ সেৱক গণেশ তামুলীয়ে। ইয়াৰ পাছতে অমৰনাথ যাত্ৰীসকলক আশিস গ্ৰহণ অনুষ্ঠান। উক্ত অনুষ্ঠানত নলবাৰী জিলাৰ বিশিষ্ট ব্যক্তিৰ লগতে নলবাৰী সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, ক্ষেত্ৰ সংঘ চালক অসম ক্ষেত্ৰৰ ডাঃ উমেশ চক্ৰৱৰ্তী, বিশ্ব হিন্দু পৰিষদ নলবাৰী বিভাগৰ অনুপ দাসসহ সংযোজক উত্তৰ অসম প্ৰান্তৰ অমল বৈশ্য, গোৱালপাৰা জিলা পৰিবহণ বিষয়া মনোজ কুমাৰ চৌধুৰী, নলবাৰী যানবাহন পৰিদৰ্শক জয়ন্ত দেউৰী, পৌৰপতি জয়শ্ৰী তালুকদাৰ, জিলা সংঘ চালক কুমুদ শৰ্মা, জিলা ব্যৱস্থা প্ৰমুখ যোগেশ্বৰ গোস্বামী, জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ, ভাগ্যশ্ৰী টাটা মটৰ্ছৰ সঞ্চালক দিলীপ কুমাৰ দাস, ডাঃ কৈলাশ ডেকা, উত্তৰ কামপীঠ কলেজৰ অধ্যক্ষ নৱ ডেকা, নলবাৰী ক্ৰীড়া সন্থাৰ সম্পাদক বুবুল তালুকদাৰ, আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ পৰাগ চৌধুৰী, জিলা বিজেপিৰ কোষাধ্যক্ষ পংকজ ডেকা, যুৱনেতা ধীৰু মোহন বৰ্মনে আশিস প্ৰদান কৰিব। ইপিনে সাংস্কৃতিক অনুষ্ঠানত ধৰ্মীয় গীত পৰিৱেশন কৰাৰ উপৰি জনপ্ৰিয় কণ্ঠশিল্পী অমৰকিৰণ, ৰাজু ৰংমন, জিনেন্দ্ৰ, প্ৰিয়ংকা কলিতা, জুৰি দাস, পি জে প্ৰিন্সে সংগীত পৰিৱেশন কৰিব। ৰাইজৰ উপস্থিতিত অমৰনাথ ভোলে সেৱা দলৰ সভাপতি বিষ্ণু সূত্ৰধৰ আৰু সম্পাদক ধৰ্মেশ্বৰ হালৈয়ে আন্তৰিকতাৰে কামনা কৰিছে।

## মৰাণত দুটাকৈ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন মন্ত্ৰী মহনৰ

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ২৪ জুন ঃ** 'অংগনৱাড়ী কেন্দ্ৰসমূহৰ পৰিৱেশ সুন্দৰ আৰু মনোমোহা হ'লেহে শিশুসকল এই কেন্দ্ৰসমূহলৈ আহিবলৈ আগ্ৰহী হ'ব। ৰাজ্য চৰকাৰে আদৰ্শ অংগনৱাড়ী কেন্দ্ৰসমূহ স্থাপনৰ যোগেদি শিশুসকলৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক উৎকৰ্ষ সাধনৰ পথ প্ৰশস্ত কৰিছে। এই পদক্ষেপৰ জৰিয়তে অংগনৱাড়ী কেন্দ্ৰসমূহে দেশৰ ভৱিষ্যৎ স্বৰূপ শিশুসকলক বৰ্তমানৰ প্ৰতিযোগিতামূলক যুগত নিজৰ যোগ্যতা প্ৰতিপন্ন কৰাৰ দিশত উৎকৃষ্ট আদিপাঠ প্ৰদান কৰিবলৈ সক্ষম হ'ব। এই ক্ষেত্ৰত অংগনৱাড়ী কেন্দ্ৰসমূহৰ কৰ্মী-সহায়িসকলে নিজ নিজ দায়িত্ব নিষ্ঠা সহকাৰে আৰু সেৱাৰ মনোভাৱেৰে পালন কৰিব লাগিব।' কালি চৰাইদেউ জিলাৰ মাহমৰা বিধানসভা সমষ্টিৰ অধীনত মৰাণ নগৰৰ সমীপত দুটাকৈ আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন কৰি এই মন্তব্য কৰে অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, পাৰ্বত্য অঞ্চল উন্নয়ন আদি বিভাগৰ মন্ত্ৰী যোগেন মহনে। জিলাখনৰ দুটা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ ক্ৰমে নাৰায়ণপুৰ অংগনৱাড়ী কেন্দ্ৰ আৰু বনমালি অংগনৱাড়ী কেন্দ্ৰৰ উদ্বোধন কৰি মন্ত্ৰীজনে শিক্ষা জাতিৰ মেৰুদণ্ড বুলি অভিহিত কৰি ৰাজ্য চৰকাৰে শিক্ষা খণ্ডৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে অৱগত কৰে। তেওঁ লগতে অন্যান্য চৰকাৰী জনহিতকৰ আঁচনিৰ বিষয়েও উল্লেখ কৰে। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি চৰাইদেউ জিলাৰ উপায়ুক্ত পল বৰুৱাই কয় যে ২৫ লাখ টকাকৈ ব্যয়ৰে জিলাখনত মুঠ ২২টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ স্থাপন কৰা হৈছে। ইয়াৰে ১১টা সোণাৰি আৰু ১১টা মাহমৰা বিধানসভাত স্থাপিত হৈছে। অৱশিষ্ট আদৰ্শ অংগনৱাড়ী কেন্দ্ৰকেইটাৰ নিৰ্মাণকাৰ্য অহা ১৫ আগষ্টৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব। অংগনৱাড়ী কেন্দ্ৰৰ হিতাধিকাৰীসকলৰ আধাৰ পঞ্জীয়ন অপৰিহাৰ্য বুলি উল্লেখ কৰি তেওঁ সংশ্লিষ্ট সকলোকে শীঘ্ৰে আধাৰ পঞ্জীয়ন কৰাই তেওঁলোকৰ আধাৰ সংযোজনৰ কাম সম্পন্ন কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে অন্যান্য সকলো চৰকাৰী আঁচনিৰ হিতাধিকাৰীসকলৰ আধাৰ পঞ্জীয়ন আৰু আধাৰ সংযোজন বাধ্যতামূলক বুলি উল্লেখ কৰে। উপায়ুক্তই অংগনৱাড়ী কেন্দ্ৰসমূহ সুন্দৰভাৱে পৰিচালনা কৰাৰ ক্ষেত্ৰত কেন্দ্ৰসমূহৰ কৰ্মী-সহায়িকাৰ লগতে পৰিচালনা সমিতি আৰু স্থানীয় ৰাইজো সচেতন হ'ব লাগিব বুলি কয়। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় ভাৰপ্ৰাপ্ত জিলা সমাজ কল্যাণ বিষয়া জাহ্নবী গোস্বামীয়ে।

## তিনিচুকীয়া জিলা প্ৰশাসনে চলোৱা উচ্ছেদ অভিযান সন্দৰ্ভত সৰৱ শ্ৰমমন্ত্ৰী কিষাণ

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ২৪ জুন ঃ** যোৱা ১১ জুনত তিনিচুকীয়াৰ ৩৭ নম্বৰ ঘাইপথৰ শুকানপুখুৰীত অৱস্থিত 'দ্য অপুচ' নামৰ ধাবাখনৰ লগতে আন ১৩খন সৰু-বৰ ব্যৱসায়িক প্ৰতিষ্ঠান জিলা প্ৰশাসনৰ নেতৃত্বত ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ে উচ্ছেদ চলোৱাৰ সমান্তৰালভাৱে তিনিচুকীয়া চহৰত পদপথৰ ব্যৱসায়িক প্ৰতিষ্ঠান আৰু অবৈধ দখলত উচ্ছেদ চলায়। এই সময়ত সহযোগ কৰাৰ বিপৰীতে জিলা উপায়ুক্তৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে বৰঞ্চ তিনিচুকীয়া সমষ্টিৰ বিধায়ক তথা শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণ। কালি মন্ত্ৰীজনৰ তিনিচুকীয়াস্থিত নিজ বাসগৃহত তিনিচুকীয়াৰ একাংশ উচ্ছেদিত পৰিয়ালৰ লোক উপস্থিত হৈ সাক্ষাৎ কৰাৰ লগতে অভাৱ-অভিযোগ সন্দৰ্ভত অৱগত কৰে। ইফালে, মঙলবাৰে তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ সাংস্কৃতিক কেন্দ্ৰত হিতাধিকাৰীলৈ মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ চেক বিতৰণ বিশিষ্ট সমাজকৰ্মীক সম্বৰ্ধনা আৰু ভূমিপট্টা, ই-শ্ৰম কাৰ্ড বিতৰণ কাৰ্যসূচীত উচ্ছেদ চলোৱাৰ সন্দৰ্ভত

### ■ উচ্ছেদত ক্ষতিগ্ৰস্ত পৰিয়ালক সাক্ষাৎ



মঞ্চৰ পৰা জিলা উপায়ুক্তই মন্ত্ৰীৰ লগত কোনো আলোচনা নকৰাকৈ কৰিছে বুলি জিলা উপায়ুক্তলৈ মুকলিকৈ প্ৰশ্ন কৰাক লৈ তিনিচুকীয়াত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাৰ সময়তে আজি পুনৰ উচ্ছেদত ক্ষতিগ্ৰস্ত লোকসকলৰ সন্মুখত সংবাদ মাধ্যমৰ আগত মন্ত্ৰীজনে কয়, 'জিলা উপায়ুক্ত আজি আছে কাইলৈ যাবগৈ, কিন্তু আমি সদায় থাকিব লাগিব। 'দ্য অপুচ' নামৰ ধাবাখনত জিলা প্ৰশাসনৰ লোক মদ খাই তৰ্কাতৰ্কি হোৱাত উচ্ছেদ অভিযান চলায়, এনে কি জৰুৰী আছিল যে নিশাটোতে উচ্ছেদৰ জাননী উলিয়াই উচ্ছেদ কৰিব লগা হ'ল। দেখুৱাব পাৰিব নেকি সেই স্থানত জৰুৰীকালীনভাৱে কিবা প্ৰজেক্ট আৰম্ভ হ'ব বুলি। গতিকে এনে ধৰণৰ আমাৰ লগত কোনো আলোচনা নকৰাকৈ উচ্ছেদ চলাব নোৱাৰিব, এতিয়া যিসকলে সেই প্ৰতিষ্ঠানৰ যুৱকসকল নিবনুৱা হ'ল তাৰ ব্যৱস্থা কোনে কৰিব। সেইসকল লোকে আমাক নিৰ্বাচনত যথেষ্ট সহায় কৰিছিল, সেইসকল দৰিদ্ৰ পৰিয়াল লোক। মই ইতিমধ্যে উক্ত বিষয়টোৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীক অৱগত কৰিছো আৰু জিলা উপায়ুক্তই যিকেইজন বিষয়াই ধাবাখনত মদ খাইছিল সেইসকল বিষয়াৰ ওপৰতো তদন্ত আৰম্ভ কৰক।'

### ■ দেৰগাঁৱত ই-ৰিক্সাৰ দৌৰাত্ম্য

## ৩৭ নম্বৰ পথৰ ওপৰত ই-ৰিক্সা চলাচল বন্ধৰ নিৰ্দেশ

**অগ্ৰদূত বাৰ্তা**

**দেৰগাঁও, ২৪ জুন ঃ** বিগত সময়ছোৱাত দেৰগাঁৱত দেখা গৈছিল অত্যধিক ই-ৰিক্সা চলাচলে ভয়ানক যানজঁটৰ সৃষ্টি কৰি আহিছিল। আনহাতে, গুৰু-গোসাঁই নমনা একাংশ অপৰিপক্ক ই-ৰিক্সা চালকৰ ৰেপেৰুৱা স্বভাৱে যাত্ৰী তথা আন যানবাহনৰ ক্ষেত্ৰত ভাবুকিৰ সৃষ্টি কৰি আহিছিল। এইসমূহ নিয়ন্ত্ৰণ কৰিবলৈ বৃহস্পতিবাৰে দেৰগাঁও পৌৰসভা কাৰ্যালয়ত অনুষ্ঠিত হয় এখন বিশেষ সভা। চক্ৰ বিষয়া, জিলা পৰিবহণ বিষয়া আৰু দেৰগাঁও যানবাহন আৰক্ষীৰ উপস্থিতিত আলোচনা কৰা হয় দেৰগাঁও চহৰত ই-ৰিক্সাই সৃষ্টি কৰা যান-জঁটৰ বিষয়ে। দেৰগাঁও ই-ৰিক্সা সন্থাৰ সভাপতি-সম্পাদকৰ উপস্থিতিত দেৰগাঁৱৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু হেমচন্দ্ৰ গোস্বামী পথত ই-ৰিক্সাৰ চলাচল বন্ধ কৰাৰ সিদ্ধান্ত লোৱা হয়। আনহাতে, দুৰ্ঘটনা আৰু ৰিক্সাসমূহ নিয়ন্ত্ৰণত ৰাখিবলৈ চৰকাৰী পৰিবহণ নিয়ম অনুযায়ী এই সভাত জিলা পৰিবহণ বিষয়াই সাতদিনৰ ভিতৰত সকলো ই-ৰিক্সা চালকক চালকৰ অনুজ্ঞাপত্ৰ ল'বলৈ নিৰ্দেশ প্ৰদান কৰে।

## চিৰাঙৰ বন্যাৰ্তৰ মাজত জাফাৰ সাহায্য সামগ্ৰী বিতৰণ



**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২৪ জুন ঃ** চিৰাঙত বানাক্ৰান্ত ৰাইজৰ মাজত খাদ্য সামগ্ৰী বিতৰণ জাফাৰ। সমগ্ৰ ৰাজ্যৰ লগতে চিৰাং জিলাৰ বিভিন্ন অঞ্চলত আই নৈৰ বাঢ়নী পানীয়ে ব্যাপক ক্ষতি কৰা পৰিলক্ষিত হৈছে। প্ৰয়োজনীয় খাদ্য সামগ্ৰী যোগান ধৰা নাই বিভাগীয় কৰ্তৃপক্ষই বানাক্ৰান্ত নেপালপাৰা গাঁৱত। আই নৈৰ খহনীয়াত ইতিমধ্যে গাঁওখনত ৩৫ টাতকৈ অধিক ঘৰ জাহ গৈছে। খহনীয়াগ্ৰস্ত লোকসকল শিবিৰ পাতি থাকিবলগীয়া হৈছে। তাৰ পাছতো চৰকাৰীভাৱে কোনো ধৰণৰ সাহায্য প্ৰদান নকৰাৰ অভিযোগ বন্যাৰ্তৰ। গাঁওখন বিদ্যুৎ বিচ্ছিন্ন প্ৰায় ১৭ দিনৰ পৰা তাৰ মাজতে কেৰাচিন তেলো পোৱা নাযায়। এই অৱস্থাত গাঁৱৰ দুই শতাধিক বিভিন্ন পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনাত অন্ধকাৰ নামি পৰিছে। যোৱা মংগলবাৰে দৈনিক অগ্ৰদূত কাকতত বাতৰি পৰিৱেশনৰ পাছতে চিৰাং জিলা সমিতি জাফাৰ লগতে ছাতিপুৰৰ এদল যুৱকে সহায়ৰ হাত আগবঢ়ালে নেপালপাৰা গাঁৱত। বান-খহনীয়াত ৰাইজৰ পৰিস্থিতিৰ বুজ ল'বলৈ জাৰ্ণেলিষ্ট এছ'চিয়েছন ফৰ আসাম চমুকৈ জাফাৰ কেন্দ্ৰীয় আৰু চিৰাং জিলাৰ ছাতিপুৰ জোনাকীবস্তিৰ আব্দুল কালামৰ নেতৃত্বত এদল যুৱকে খাদ্য সামগ্ৰী লৈ নাৱৰে আই নৈ পাৰ হৈ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰাৰ লগতে বন্যাৰ্তৰ মাজত সাহায্য সামগ্ৰী বিতৰণ কৰে। জাফাৰ সভাপতি অভিদ্বিপ চৌধুৰী বিভাগীয় কৰ্তৃপক্ষক বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰি প্ৰয়োজনীয় খাদ্য সামগ্ৰী, শিশু খাদ্য, পশুখাদ্য, চিকিৎসা প্ৰদানৰ আহ্বান জনায়। জাফাৰ দলটোত জাফাৰ উপ-সভাপতি ছৈয়দ আফতাব আলীৰ লগতে চিৰাং জিলা সমিতি জাফাৰ প্ৰতিনিধিসকল আৰু বঙাইগাঁৱৰ শিক্ষাবিদ জাগালা গোপালো উপস্থিত থাকে।

## সাত মৃতকলৈ এককালীন সাহায্য হোজাইত

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২৪ জুন ঃ** হোজাই জিলা প্ৰশাসনৰ দুৰ্যোগ ব্যৱস্থাপনাৰ অধীনত জিলাখনৰ দ্বিতীয় বানত মৃত্যু হোৱা সাতজনক আৰ্থিক সাহায্যৰ ঘোষণা কৰে। হোজাই জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ তৰফৰ পৰা দ্বিতীয় বানত মৃত্যু হোৱা সাতজনৰ পৰিয়াললৈ চাৰিলাখ টকাৰ এককালীন সাহায্যৰ ঘোষণা কৰা হয়। সেইকেইজন হ'ল ক্ৰমে চেলিমা বেগম, অজয় দাস, চিৰাজুল ইছলাম আনোৱাৰা বেগম, আমিৰুল ইছলাম, মহিৰা, জেনিফা বেগম।

## হাজোৰ ভিন্ন প্ৰান্তত বানাক্ৰান্তক সাহায্য প্ৰদান হিন্দু জাগৰণ মঞ্চৰ

**অগ্ৰদূত বাৰ্তা**

**হাজো, ২৪ জুন ঃ** সম্প্ৰতি ৰাজ্যৰ চৌদিশে বানৰ বিভীষিকা অব্যাহত আছে। সৰ্বস্ব হেৰুওৱাই সৰ্বস্বান্ত হৈ ভোক-পিয়াহৰ বিনিদ্ৰ ৰজনী কটাবলগীয়া হোৱা আৰ্তজনক এমুঠি খাদ্য দিবলৈ ওলাই আহিছে হিন্দু জাগৰণ মঞ্চ উত্তৰ কামৰূপ জিলাৰ সদস্যবৃন্দ। নিশ্চিতভাৱে হিন্দু জাগৰণ মঞ্চ উত্তৰ কামৰূপ জিলাৰ তৰফৰ পৰা এক প্ৰশংসনীয় পদক্ষেপ হাতত লৈছে। বানাক্ৰান্তক কিছু সকাহ দিয়াৰ চেষ্টা, অসহায়জনৰ কাষত থিয় দি কিছু সাহস দিয়াৰ প্ৰয়াস চলাইছে হিন্দু জাগৰণ মঞ্চৰ উত্তৰ কামৰূপ জিলাৰ সদস্যবৃন্দই। হিন্দু জাগৰণ মঞ্চ উত্তৰ কামৰূপ জিলাৰ একক প্ৰচেষ্টাত হাজোৰ ভিন্ন প্ৰান্তত সংগঠনটোৱে বিশুদ্ধ খোৱাপানীৰ লগতে কাপোৰ, বিস্কুট, মমবাতি আৰু ব্লিচিং পাউডাৰ আদি বিভিন্ন সামগ্ৰী বিতৰণ কৰে। বিশেষকৈ হাজোৰ বাগটা, ভোমা, মনাহকুছি, সাতদলা আদি ভিন্ন প্ৰান্তত খাদ্য সামগ্ৰী বিতৰণ কৰিছে সংগঠনটোৱে। অনাগত দিনসমূহতো বানপীড়িত লোকৰ মাজত পাৰ্যমানে সাহায্য প্ৰদান কৰিব বুলি উল্লেখ কৰে হিন্দু জাগৰণ মঞ্চ উত্তৰ কামৰূপ জিলাৰ সভাপতি টংকে ডেকাই। লগতে এই ক্ষেত্ৰত সহযোগ আগবঢ়োৱা ব্যক্তিসকলকো ধন্যবান জনায় সংগঠনৰ সভাপতি টংকে ডেকাই।

## শোণিতপুৰত বানাক্ৰান্তৰ ওচৰত বিভিন্ন অনুষ্ঠান

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৪ জুন ঃ** বছৰৰ দ্বিতীয়টো বানত বিধ্বস্ত হোৱা শোণিতপুৰত বিভিন্ন অনুষ্ঠানে বানাক্ৰান্তসকলৰ কাষত থিয় দি তেওঁলোকক কিছু সাহায্য প্ৰদানৰে সকাহ দিয়াৰ চেষ্টা অব্যাহত ৰাখিছে। উল্লেখ্য যে আছুকে ধৰি বিজেপিৰ যুৱ সংগঠন তথা বিভিন্ন সামাজিক অনুষ্ঠান আৰু ব্যৱসায়ী সন্থা এই ক্ষেত্ৰত আগবাঢ়ি অহাৰ লগতে ব্যক্তি বিশেষেও এনে সহায় কৰি গৈছে। জিলাখনৰ এক পৰিবহণ ব্যৱসায়ী সংস্থা এছজিএছ নামৰ সংস্থাটোৱেও জিলাখনৰ কে'বা শতাধিক বন্যাক্ৰান্ত লোকৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰে। আনহাতে, কালি তেজপুৰৰ মিলিজুলি মহিলা সমিতিৰ তৰফৰ পৰা খোলাকুটি কছাৰী গাঁও অঞ্চলৰ প্ৰায় ডেৰ শতাধিক আৰু পুঠিমাৰী বাবুভেটি অঞ্চলৰ প্ৰায় শতাধিক বান পীড়িত পৰিয়ালক বিভিন্ন খাদ্য বস্তু যেনে চিৰা, চেনি, গাখীৰ, খোৱা পানী বিস্কুট আদি প্ৰদান কৰে। মিলিজুলি মহিলা সমিতিৰ সভানেত্ৰী বিনু শইকীয়া আৰু সম্পাদিকা ইনু দাসৰ লগতে মিলিজুলি মহিলা সমিতিৰ সদস্যাসকলে সম্পূৰ্ণ নিজাববীয়া প্ৰচেষ্টাৰে পাঁচখনকৈ গাঁৱৰ ৩০০ ঘৰ লোকক সাহায্য প্ৰদান কৰি অঞ্চলটোৰ বানাক্ৰান্ত লোকসকলক কিঞ্চিৎ সকাহ প্ৰদান কৰে। ইপিনে, মাজগাঁও খৰাআটি মহিলা সমিতিয়ে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ পাঁচ হেজাৰ টকাৰ সাহায্য আগবঢ়ায়।

## আজাৰাৰ শিশুগ্ৰামত এছঅ'এছ ডে উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২৪ জুন ঃ** দিনজোৰা কাৰ্যসূচীৰে কালি আজাৰাস্থিত এছঅ'এছ শিশুগ্ৰামত 'এছঅ'এছ ডে ২০২২ উদ্‌যাপন কৰা হয়। পুৱাৰ ভাগত এছঅ'এছ ভিলেজৰ প্ৰতিষ্ঠাপক ড° হাৰমণ গ্যমিণাৰৰ প্ৰতিচ্ছবিত এছঅ'এছ শিশু গাঁৱৰ পৰিয়ালবৰ্গৰ দ্বাৰা শ্ৰদ্ধাঞ্জলি জনোৱা হয়। আবেলি অনুষ্ঠিত এক আকৰ্ষণীয় অনুষ্ঠানৰ আৰম্ভণিতে এছঅ'এছ শিশুগ্ৰাম আজাৰাৰ সঞ্চালক সুবোধ দাসে আদৰণি ভাষণেৰে আদৰণি জনায়। ইয়াৰ পাছতে শিশুগ্ৰামৰ শিশুসকলে বিভিন্ন নৃত্য পৰিৱেশন কৰে। শিশুসকলে পৰিৱেশন কৰা বিভিন্ন নৃত্যই উপস্থিত সকলোকে মোহিত কৰে। অনুষ্ঠানত ২০২২ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ শিশু গাঁৱৰ ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কাৰ প্ৰদান কৰাৰ লগতে চিত্ৰাংকন প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগী ক্ৰমে কাজল ভড়ালী, কৈৰাণী হাজদা, মৃণাল ৰাভা, গল্প লিখন প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগী আলিম ৰহমান আৰু ২০২২ ৰ এছঅ'এছ ভিলেজৰ শ্ৰেষ্ঠ শিশু ক্ৰমে ল'ৰা শাখাৰ প্ৰদীপ গৌৰ আৰু ছোৱালী শাখাৰ গায়ত্ৰী বৰ্মনক পুৰস্কাৰ প্ৰদান কৰা হয়। অনুষ্ঠানত এছঅ'এছ ডে উপলক্ষে কণ কণ শিশু আৰু মাতৃসকলৰ দ্বাৰা এটি কেক কাটি সকলোকে আপ্যায়ন কৰা হয়।

## বানত ডুবি নষ্ট হ'ল সানেকুছিৰ চৌধুৰী ট্ৰেডিঙৰ দুই লক্ষাধিক টকাৰ সামগ্ৰী

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ২৪ জুন ঃ** দীৰ্ঘদিনৰ পৰা হোৱা নেৰানেপেৰা বৰষুণৰ বাবে যোৱা ১৬ জুনত বৰভাগ ৰাজহ চক্ৰৰ কে'বাখনো গাঁও বানে ডুবাই ৰাইজক হাৰাশাস্তি কৰে। বহুতৰে সা-সম্পত্তি, পুখুৰীৰ মাছ আদি বানে উটুৱাই নিয়াৰ লগতে শালিধানৰ কঠীয়া আৰু শাক-পাচলিকে ধৰি সকলো কৃষিজাত সামগ্ৰী সম্পূৰ্ণৰূপে নষ্ট হয়। ইয়াৰ মাজতে ৰাজহ চক্ৰটোৰ অন্তৰ্গত আৰু ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অধীনস্থ সানেকুছিৰ চৌধুৰী ট্ৰেডিঙৰ বহুতো সামগ্ৰী পানীত বুৰি নষ্ট হোৱাত গৰাকী বিৰাজ কুমাৰ চৌধুৰী হতাশ হৈ পৰিছে। অঞ্চলটোৰ জনপ্ৰিয় গ্ৰোছাৰী দোকান চৌধুৰী ট্ৰেডিঙৰ প্ৰায় দুই লক্ষাধিক টকাৰ সামগ্ৰী নষ্ট হোৱা বুলি স্বত্বাধিকাৰী চৌধুৰীয়ে জানিবলৈ দিয়ে। এই ক্ষেত্ৰত চৌধুৰীয়ে স্থানীয় গাঁও প্ৰধানক অৱগত কৰা বুলি জানিবলৈ দিয়ে।



*আজাৰাৰ শিশুগ্ৰামত এছঅ'এছ ডে উদ্‌যাপন।*

## ডিগবৈৰ ৰ'টাৰী ক্লাবৰ প্ৰশংসনীয় পদক্ষেপ

### দুই নম্বৰ বৰবিল নিম্ন প্ৰাথমিক বিদ্যালয়ত স্কুল গৃহ নিৰ্মাণ

**ডিগবৈ, ২৪ জুন ঃ** সমাজ হিতকৰ কৰ্মৰে বিশ্বখ্যাত ৰ'টাৰী ক্লাবৰ অৱদানৰ বিষয়ে সকলোৱেই জ্ঞাত। ডিগবৈ ৰ'টাৰী ক্লাবৰ উদ্যোগত ডিগবৈ দুই নম্বৰ বৰবিল নিম্ন প্ৰাথমিক বিদ্যালয়ত বহু বছৰৰ পৰা আধৰুৱাকৈ পৰি ৰোৱা বিদ্যালয় গৃহ নিৰ্মাণকাৰ্য ৰ'টাৰী ক্লাবৰ পুঁজিৰে সম্পন্ন কৰা হয়। ৰ'টাৰী ক্লাবৰ হেপ্পী স্কুল শীৰ্ষক আঁচনিৰ অধীনত কালি বিদ্যালয়খনত বিভিন্ন কাৰ্যসূচীৰে উদ্বোধনী অনুষ্ঠান আয়োজন কৰা হয়। উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে তিনিচুকীয়া জিলা ৰ'টাৰী ক্লাবৰ জিলা গভৰ্ণৰ ড° মোহন শ্যাম কোঁৱৰে। ডিগবৈ ৰ'টাৰী ক্লাবৰ সভাপতি পূৰ্ণ বৰাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সমবেত সংগীত, কবিতা আবৃত্তি, ঝুমুৰ নৃত্য আদিৰে অনুষ্ঠান জীপাল কৰি তোলে। অনুষ্ঠানত ডিগবৈ ৰ'টাৰী ক্লাবৰ উপ-সভাপতি ত্ৰিলোক গুপ্তা, ৰ'টাৰীয়ান অৰূপ গোস্বামী, প্ৰাক্তন সভানেত্ৰী উমা বৰুৱা, বিক্ৰম বৰুৱা, দীপেন শৰ্মা, বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী চিত্ৰাঞ্জলি বৰগোহাঁই তথা শিক্ষক-শিক্ষয়িত্ৰী, তেজস্বনী মহিলা গোটৰ সদস্যাসকল উপস্থিত থাকে। মুখ্য অতিথি ড° মোহন শ্যাম কোঁৱৰে ৰ'টাৰী ক্লাবৰ বিভিন্ন সমাজ হিতকৰ কৰ্মৰাজিৰ সন্দৰ্ভত ব্যাখ্যা আগবঢ়াই নৱপ্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলক জীৱন গঢ়াৰ ক্ষেত্ৰত শিক্ষাক গুৰুত্ব দিবলৈ আহ্বান জনাই ডিগবৈ ৰ'টাৰী ক্লাবৰ তৰফৰ পৰা বিদ্যালয়খনলৈ খেলা সামগ্ৰী প্ৰদান কৰে।

## তিনিচুকীয়াৰ বিভিন্ন সমস্যা সমাধানৰ দাবীত আছুৰ পৌৰসভাক স্মাৰকপত্ৰ



**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ২৪ জুন ঃ** তিনিচুকীয়া চহৰত পদপথৰ লগতে অবৈধভাৱে মাটি দখল কৰি ব্যৱসায় চলাই থকা ব্যৱসায়িক প্ৰতিষ্ঠানৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণৰ দাবীৰে আজি তিনিচুকীয়া আঞ্চলিক ছাত্ৰ সন্থাই তিনিচুকীয়া পৌৰসভাৰ পৌৰপতি জয়ন্ত বৰুৱাক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। তিনিচুকীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি উদ্দীপ বৰপাত্ৰ আৰু সাধাৰণ সম্পাদক নয়নজ্যোতি বেজবৰুৱাৰ স্বাক্ষৰিত স্মাৰকপত্ৰখনৰ জৰিয়তে আঠটাকৈ দাবী প্ৰদান কৰে। ক্ৰমান্বয়ে তিনিচুকীয়াৰ কৃত্ৰিম বানপানীৰ সমস্যা সমাধানৰ কাৰণে বিজ্ঞানসন্মতভাৱে নলা-নৰ্দমা প্ৰস্তুত, চহৰখনত বৰ্তমানো অবৈধভাৱে নিৰ্মাণ কৰি থকা বাসগৃহসমূহ নিৰ্মাণ বন্ধ, জনসাধাৰণে খোৱাপানীৰ বাবে নিৰ্মাণ কৰা প্ৰকল্প অতি সোনকালে সম্পূৰ্ণ, পদপথ দখল কৰি ব্যৱসায় চলাই থকাসকলক সম্পূৰ্ণ ৰূপত উচ্ছেদ চলাই পদপথ মুকলি, টিংৰাই নিৰ্মাণ কৰা জাবৰ নিষ্কাসন কেন্দ্ৰটো সম্পূৰ্ণ কৰাৰ লগতে চহৰ অঞ্চলত ডাষ্টবিনৰ ব্যৱস্থা, ষ্ট্ৰীট লাইটসমূহ কাৰ্যক্ষম কৰাৰ লগতে চহৰৰ ন ন স্থানত ষ্ট্ৰীট লাইট স্থাপন, অপৰাধজনিত ঘটনা ৰোধৰ উদ্দেশ্যে চহৰখনৰ বিভিন্ন স্থানত গোপন কেমেৰা সংস্থাপন আৰু তিনিকোণীয়া পুখুৰীৰ পাৰত ভেণ্ডৰ জ'ন কৰাৰ পৰিকল্পনা বাতিল কৰাৰ লগতে তিনিকোণীয়া পুখুৰীৰ সৌন্দৰ্য বৃদ্ধি কৰাৰ দাবী জনায়।

ইফালে, স্মাৰকপত্ৰ প্ৰদানৰ সময়ত জিলা আছুৰ সাধাৰণ সম্পাদক সমৰজ্যোতি গোহাঁয়ে কয় যে তিনিচুকীয়া জিলা প্ৰশাসন, ৰাজহ চক্ৰ বিভাগ তথা পৌৰসভাই সকলোকে সমদৃষ্টিৰে চাবলৈ শিকক। দ্যা অপুচ্ যেনেকৈ উচ্ছেদ কৰিছে তেনেকৈ চহৰখনৰ প্ৰতিটো অবৈধ বিল্ডিং তথা পদপথৰ ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ উচ্ছেদ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰক। চহৰখনত থকা পৌৰাণিক কৃতীচিহ্নসমূহৰ অবৈধ দখল উচ্ছেদ কৰাৰ লগতে সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰক, অন্যথা অনাগত দিনত গণতান্ত্ৰিক প্ৰতিবাদ গঢ়ি তুলিবলৈ বাধ্য হ'ম।

## পানীত পৰি মৃত্যু হোৱা অংশুমানৰ পৰিয়ালক মুখ্যমন্ত্ৰীৰ পুঁজিৰ সাহায্য প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**টংলা, ২৪ জুন ঃ** ওদালগুৰি জিলাৰ ডিমাকুছি থানাৰ অন্তৰ্গত তিনি নম্বৰ উত্তৰ ডিমাকুছিত ১৯ জুনত পানীত পৰি মৃত্যু হোৱা ৰুবুল তালুকদাৰৰ ১০ বছৰীয়া পুত্ৰ অংশুমান তালুকদাৰৰ পৰিয়ালক কালি অসম বিধানসভাৰ অধ্যক্ষ তথা পানেৰী বিধানসভা সমষ্টিৰ বিধায়ক বিশ্বজিৎ দৈমাৰীয়ে মুখ্যমন্ত্ৰী পুঁজিৰ চাৰি লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰে । উল্লেখ্য যে অংশুমান তালুকদাৰ নামৰ শিশুজনে ঘৰৰ কাষতে থকা এটা দ খাৰৈত বৰশী বাবলৈ গৈ পানীত পৰি মৃত্যুবৰণ কৰিছিল, যি ঘটনাই বৃহত্তৰ ডিমাকুছি অঞ্চলত শোকৰ ছাঁ পেলাইছিল। উক্ত ঘটনাৰ খবৰ পাই বিধানসভাৰ অধ্যক্ষ তথা স্থানীয় বিধায়ক দৈমাৰীয়ে দুৰ্ভগীয়া পৰিয়ালটোৰ ওচৰত উপস্থিত হৈ মৃতকৰ আত্মাৰ সদগতি কামনা কৰাৰ লগতে মুখ্যমন্ত্ৰী পুঁজিৰ চাৰি লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰি পৰিয়ালটোৰ লগত দুখৰ সমভাগী হয়।

## ৰঙিয়াৰ বান পৰিস্থিতি সামান্য উন্নত

**অগ্ৰদূত বাৰ্তা**

**ৰঙিয়া, ২৪ জুন ঃ** ৰঙিয়া মহকুমাৰ বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও বানত ক্ষতিগ্ৰস্ত লোকসকলৰ দুৰ্দশাৰ অন্ত পৰা নাই। ৰঙিয়া মহকুমাৰ কঞ্জা, বাৰাংহাটী বৰপুল্লা, পালেপাৰা, দুই নম্বৰ ধুহি, নিতেনি দদোতিয়া, ততাৰকুছি, বিহাপাৰা, চেনিমাৰা, লাহাপাৰা, বালাগাঁও, চিৰাখুন্দি, ধুলাবাৰী আদি অঞ্চলৰ বানাক্ৰান্তই ভেটি মাটি হেৰুৱাই আজিও চকুলো টোকা পৰিলক্ষিত হৈছে। বহু লোকৰ ঘৰ বানপানীত উটুৱাই লৈ যোৱাৰ উপৰি একাংশৰ ঘৰ বানপানীত ধ্বংসস্তূপত পৰিণত হৈছে। বানাক্ৰান্ত অঞ্চলৰ যিসকলৰ ঘৰ অৱশিষ্ট আছে তেওঁলোকৰ ঘৰ বোকা মাটিৰে পুতি পেলোৱাত ৰাইজে অবৰ্ণনীয় পৰিস্থিতিৰ সন্মুখীন হৈছে। আজি বান বিধ্বস্ত অঞ্চলৰ ৰাইজে নিজৰ দুৰ্দশাৰ কথা ব্যক্ত কৰি কান্দোনত ভাঙি পৰে। মাত্ৰ কেইদিন মানৰ ব্যৱধানত দ্বিতীয়টো বানৰ সাক্ষী হোৱা ৰাইজৰ দুখ-দুৰ্দশা কুলাই-পাচিয়ে নধৰা হৈছে। বানপানী কমিলেও এতিয়াও গৰু-ছাগলীসহ পথৰ দাঁতিত নাইবা আশ্ৰয় শিবিৰত থাকিবলগীয়া হৈছে বহু বানাক্ৰান্ত। বান বিধ্বস্ত অঞ্চলসমূহৰ বিদ্যালয়সমূহেও বোকা মাটিৰে পুতি পেলোৱাত চূড়ান্ত সমস্যাৰ সন্মুখীন হৈছে শিক্ষকসকল। বিদ্যালয়সমূহৰ মধ্যাহ্ন ভোজনৰ বহু চাউল, সৰ্বশিক্ষাৰ বিনামূলীয়া কিতাপ, আচবাব পত্ৰসহ বহু সামগ্ৰী পানীত নষ্ট হোৱা পৰিলক্ষিত হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ কিতাপ-বহী পানীত নষ্ট হোৱাত মূৰে-কপালে হাত দিবলগীয়া হৈছে ছাত্ৰ-ছাত্ৰীসকলে। প্ৰলয়ংকৰী বানে ৰঙিয়া মহকুমাৰ বহু বাট-পথ বুৰাই পেলোৱোত বাট-পথসমূহ বিধ্বস্ত কৰি পেলাইছে। ফলত ব্যাহত হৈছে যাতায়াত। বৰদোঙা বটাকুছিৰ পৰা নৱজ্যোতি ছোৱালী উচ্চ ইংৰাজী বিদ্যালয়লৈ যোৱা পথৰ একাংশ খহাই নিয়াত ৰাইজে শ্ৰম দান কৰি নিজা খৰচত বাঁহৰ দলং বনাই কোনোমতে যাতায়াত অব্যাহত ৰাখিছে। স্থানীয় ৰাইজে অনতি পলমে চৰকাৰলৈ লৰমা গোৰহাটীত বান্ধ নিৰ্মাণ, ক্ষতিগ্ৰস্ত পথসমূহ মেৰামতি লগতে অঞ্চলটোত সাহায্য আৰু পুনৰসংস্থাপন তত্বৰান্বিত কৰাৰ দাবী জনাইছে। ইপিনে, বানৰ পানী শুকুৱাবলৈ ধৰাত বিভিন্ন বেমাৰে বানাক্ৰান্ত ৰাইজক আগুৰি ধৰাৰ সম্ভাৱনা প্ৰকট হৈ উঠিছে। ফলত স্বাস্থ্য বিভাগৰ তৰফৰ পৰা চিকিৎসা শিবিৰৰ ব্যৱস্থা কৰাৰ উপৰি ফেনাইল-ব্লিচিং পাউডাৰ লগতে পানী শোধনৰ ব্যৱস্থা কৰিবলৈও ৰাইজে চৰকাৰলৈ আবেদন জনাইছে।

### ■ অন্ত পৰা নাই বানাক্ৰান্তৰ দুৰ্দশাৰ



## সূৰ্যগিৰিত গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদানৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৪ জুন ঃ** পূব গোৱালপাৰাৰ সূৰ্যগিৰি এম ই আৰু হাইস্কুল প্ৰাংগনত অহা ২৭ জুনৰ পৰা গ্ৰীষ্মকালীন বিনামূলীয়া পাঠদান আৰম্ভ হ'ব। স্থানীয় স্বেচ্ছাসেৱী সংগঠন সূৰ্যোদয় সাহায্য নিধিৰ সৌজন্যত অষ্টম, নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক গণিত, বিজ্ঞান আৰু ইংৰাজী বিষয়ৰ ওপৰত অভিজ্ঞ শিক্ষকৰ দ্বাৰা ২৫ জুলাইলৈকে পাঠদান দিয়া হ'ব বুলি জনা গৈছে। সবিশেষ জনাৰ বাবে ইচ্ছুক ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলে ৯৮৫৯৬১৯৩৩২, ৯৩৬৫৪৮৮৫২৬ আৰু ৭০০২০২৬৭১২ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে উদ্যোক্তাসকলে।

## ফৰকাটিং মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ২৪ জুন ঃ** গোলাঘাট জিলাৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান ফৰকাটিং মহাবিদ্যালয়ত বুৰঞ্জী বিভাগৰ উদ্যোগত আৰু আইচিচিআৰৰ পৃষ্ঠপোষকতাত ৰুল -অফ-অ'মেন-অফ-আছাম-ইন-দি ফ্ৰী'ডম-ম'ভমেণ্ট-এফ-ইণ্ডিয়া শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰখন আলপতে সম্পন্ন হয়। উল্লেখ্য যে আলোচনা চক্ৰখনৰ উদ্বোধনী ভাষণ ৰাখে মেঘালয়স্থিত নিহুৰ বুৰঞ্জী বিভাগৰ অধ্যাপক অমিনা এন পাচাই। মুখ্য বক্তা হিচাপে উপস্থিত থাকে ডিব্ৰুগড়, বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সহযোগী অধ্যাপক ড° চন্দন কুমাৰ শৰ্মা। মুখ্য আহ্বায়ক ড° বিনোদ শৰ্মাই আঁত ধৰা আলোচনা চক্ৰখনৰ আদৰণি ভাষণ ৰাখে ফৰকাটিং মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অপূৰ্ব শইকীয়াই। উক্ত আলোচনা চক্ৰত সমল ব্যক্তি হিচাপে উপস্থিত থাকে খুমটাই জয়া গগৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমিয় কুমাৰ দাস, লেখক ড° অজিত বৰুৱা, দেৰৰাজ ৰয় মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সহযোগী অধ্যাপক দুলেন গগৈ আৰু ফৰকাটিং মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সহযোগী অধ্যাপক ড° অজন্তা ৰাজখোৱা। উল্লেখ্য যে আলোচনাচক্ৰত অসমৰ ভিন্ন প্ৰান্তৰৰ বিশ্ববিদ্যালয়-মহাবিদ্যালয়ৰ গৱেষক, শিক্ষাবিদ আৰু ছাত্ৰ-ছাত্ৰীয়ে গৱেষণা পত্ৰ পাঠ কৰে। বুৰঞ্জী বিভাগৰ সহযোগী অধ্যাপিকা অভিশিখা বাইলঙে সঞ্চালনা কৰা আলোচনাচক্ৰখনত শলাগৰ শৰাই আগবঢ়াই ফৰকাটিং মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহযোগী অধ্যাপক অপূৰ্ব ৰঞ্জন দত্তই।

## ■ নিশাৰ ভিতৰতে প্ৰতিকিলোত ২০ টকাকৈ বৃদ্ধি লাভখোৰ বেপাৰীৰ

# পাচলিৰ মূল্যবৃদ্ধিত ত্ৰাহি মধুসূদন দেখিছে বানপীড়িতই

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ২৪ জুন ঃ** বানেধোৱা অসমত এতিয়া লাভখোৰ সুবিধাবাদীৰ দপ্দপনি। বানপীড়িত অঞ্চলত ৰাইজৰ দুৰ্দশাৰ সুযোগ লৈ লাভখোৰ বেপাৰীসকলে প্ৰয়োজনীয় সামগ্ৰীৰ দাম নিশাৰ ভিতৰতে বৃদ্ধি কৰি জেপ গধুৰ কৰাৰ কৌশল ৰচিছে। শেহতীয়াকৈ কামৰূপ জিলাৰ পূৱ বংশৰ আৰু পশ্চিম বংশৰ অঞ্চলৰ বৃহৎ অঞ্চলসমূহত পাচলিৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে ত্ৰাহিমধুসূদন দেখাইছে ৰাইজক। নিশাৰ ভিতৰতে প্ৰতি কিলো পাচলিত ২০ৰ পৰা ৩০ টকাকৈ বৃদ্ধি কৰাত চকুৰে ধোঁৱা-কোঁৱা দেখিছে বানপীড়িতই। এফালে বানৰ তাণ্ডৱ আনফালে, পাচলিৰ মূল্যবৃদ্ধিই ভূতৰ ওপৰত দানহ পৰাৰ লেখীয়া হৈছে। বানৰ প্ৰকোপত একাংশই ঘৰ এৰি আশ্ৰয়স্থলী অথবা ওখ ঠাইত আশ্ৰয় লৈ আছে। এই সময়ত দুবেলা দুমুঠি খোৱাৰ চিন্তা। যিসকলৰ পশু ধন আছে তেওঁলোকৰ নিজৰ লগতে পশুধনৰ খাদ্যৰ চিন্তাই জুলুম কৰিছে। অঞ্চল ভেদে চৰকাৰীভাৱে পশুধনৰ খাদ্য বিতৰণ কৰিছে যদিও পৰ্যাপ্ত নহয়। তেনে সময়তে পাচলিৰ মুল্যবৃদ্ধিত ৰাইজ কোঙা বেঙা হৈছে। তথ্য মতে জিকা ৮০ টকা, ভেণ্ডি ৮০ টকা, স্কোৱাচ ৮০ টকা, অমিতা ৫০ টকা, লেচেৰা ৮০ টকা, ফ্ৰেঞ্চ বিন ২২০ টকা, জলকীয়া ১২০ টকা, ৰঙালাও প্ৰতি কিলো ৪০ টকা। ভাত কেৰেলা ১২০, বিলাহী ১২০ টকা, তিঁয়হ ৬০ টকা। বানৰ সয়মত নিয়ন্ত্ৰণাধীন বজাৰে ৰাইজক জুৰুলা কৰাৰ লগতে মানৱীয়তাকো ধুলিসাৎ কৰা বুলি চৰ্চা কৰিছে সচেতন মহলে। শীঘ্ৰে যোগান বিভাগক বিষয়সমূহক গুৰুত্ব সহকাৰে লৈ এই বিভীষিকাময় পৰিৱেশত বজাৰ নিযন্ত্ৰণ কৰিবলৈ ৰাইজে দাবী জনায়



## বৰ্ষাকালীন বতৰৰ পৰিপ্ৰেক্ষিতত খাদ্য সামগ্ৰীৰ নতুন নিৰ্দেশনা জিলা প্ৰশাসনৰ

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২৪ জুন ঃ** জিলাখনৰ বৰ্ষকালীন বতৰৰ পৰিপ্ৰেক্ষিতত জৰুৰী অৱস্থাত যাতে খাদ্য সামগ্ৰীৰ নাটনি নঘটে তাক নিশ্চিত কৰিবলৈ লখিমপুৰ জিলা উপায়ুক্তই এক বিশেষ পদক্ষেপ গ্ৰহণ কৰি এক নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুযায়ী দৈনন্দিন অতি দৰকাৰী সামগ্ৰী যেনে চাউল, আটা, মচুৰ দাইল, নিমখ, আলু, পিঁয়াজ, সৰিয়হৰ তেল, শিশুৰ খাদ্য, চাপৰ আৰু ধানবন্ধা মিল আদিৰ ব্যৱসায়ীসকলে দৈনন্দিন বিক্ৰী কৰা সামগ্ৰীৰ দৰ-দামৰ তালিকা আৰু মজুত থকা সামগ্ৰীৰ পৰিমাণৰ বিষয়ে জিলাৰ খাদ্য আৰু অসামৰিক যোগান আৰু পৰিক্ৰমা বিভাগৰ উপ-সঞ্চালকক তথ্য দাখিল কৰিব লাগিব। লগতে উপ-সঞ্চালক জিলা খাদ্য আৰু অসামৰিক যোগান আৰু পৰিক্ৰমা বিভাগক উল্লিখিত সামগ্ৰীসমূহৰ ব্যৱসায়ীসকলৰ লগত দৈনন্দিন দামৰ তালিকা আৰু মজুত থকা সামগ্ৰীৰ পৰিমাণৰ তথ্য দাখিলৰ বাবে যোগাযোগ ৰাখিবলৈ নিৰ্দেশ দিয়া হৈছে।

## আজি তিতাবৰত অন্যান্য পিছপৰা শ্ৰেণীৰ ৰাজহুৱা সভা

অগ্ৰদূতবাৰ্তা


**মেলামাটি, ২৪ জুন ঃ** ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত অন্যান্য পিছপৰা শ্ৰেণীৰ জনসাধাৰণক চৰকাৰে সংবিধান প্ৰদত্ত আৰু আইন সংগত ন্যায্য প্ৰাপ্য প্ৰদান কৰি আহিছে যদিও অসমত আজিকোপতি কোনো এখন চৰকাৰে অন্যান্য পিছপৰা শ্ৰেণীৰ জনসাধাৰণে সংবিধানপ্ৰদত্ত আৰু আইনসংগত সুবিধাসমূহ লাভ কৰিবলৈ সক্ষম হোৱা নাই। আনহাতে, স্বাধীনোত্তৰ কালত অন্যান্য পিছপৰা শ্ৰেণীৰ কোনো সংগঠনে এই ক্ষেত্ৰত বলিষ্ঠ পদক্ষেপ লোৱা পৰিলক্ষিত নহ'ল। কাজেই, অন্যান্য পিছপৰা শ্ৰেণীৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ, বেচৰকাৰী তথা ব্যক্তিগত খণ্ডৰ কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অন্যান্য পিছপৰা শ্ৰেণীৰ অন্তৰ্গত ৩১ জনগোষ্ঠীৰ স্বাৰ্থত কাম কৰি যোৱাৰ সংকল্পৰে 'অল ইণ্ডিয়া অ'বিচি ফেডাৰেছনৰ অধীনত গঠিত অৰাজনৈতিক-সামাজিক সংগঠন 'অসম ৰাজ্যিক অ'বিচি সংঘৰ তিতাবৰ আৰু মৰিয়নি বিধানসভা সমষ্টিক লৈ সংঘৰ তিতাবৰ জিলা সমিতি গঠনৰ উদ্দেশ্যে অহা ২৫ জুনৰ দিনৰ ১১ বজাত তিতাবৰ সাহিত্য সভা ভৱনত এখন ৰাজহুৱা সভাৰ আহ্বান কৰা হৈছে। অসম ৰাজ্যিক অ'বিচি সংঘ'ৰ সভাপতি হেমেন শইকীয়া মুখ্য অতিথি আৰু কেন্দ্ৰীয় সমিতিৰ সম্পাদক প্ৰসেনজিৎ ৰাজখোৱা পৰ্যৱেক্ষক হিচাপে অংশগ্ৰহণ কৰিব লগা সভাত তিতাবৰ মহকুমাৰ অন্তৰ্গত তিতাবৰ আৰু মৰিয়নি বিধানসভা সমষ্টিৰ অন্যান্য পিছপৰা শ্ৰেণীৰ ৰাইজক যথা সময়ত উপস্থিত থাকি অসম ৰাজ্যিক অ'বিচি সংঘ'ৰ তিতাবৰ জিলা সমিতি গঠনৰ ক্ষেত্ৰত দিহা-পৰামৰ্শ আগবঢ়াবলৈ আহ্বায়ক মণ্ডলীৰ হৈ ক্ৰমে ক্ষেত্ৰধৰ বৰুৱা, নন্দ ৰাও আৰু বিতুল গগৈয়ে অনুৰোধ জনাইছে।

# অহংকাৰেই পতনৰ মূল ঃ ড° ৰংহাং

## ■ কৰ্ম সংস্কৃতিয়েই মূলমন্ত্ৰ হ'ব তৃতীয়বাৰৰ কাৰ্বি পৰিষদৰ

অগ্ৰদূত বাৰ্তা

**ডংকামোকাম, ২৪ জুন ঃ** তৃতীয় বাৰৰ বাবে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী আসনত অধিষ্ঠিত ড° তুলিৰাম ৰংহাঙৰ কাৰ্বি পৰিষদখনৰ উন্নয়নৰ মূল মন্ত্ৰই হ'ব কৰ্ম সংস্কৃতি। নৱ-নিযুক্ত কাৰ্বি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্যৰূপে পুনৰবাৰ লাভ কৰিয়েই কালি ৭১ সংখ্যক কাৰ্বি পৰিষদৰ প্ৰতিষ্ঠা দিৱসত ড° ৰংহাঙে এই তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। লগতে নৱ-নিৰ্বাচিত পৰিষদৰ সদস্য-সদস্যাক অহংকাৰ নকৰি ৰাইজৰ উন্নয়নৰ লগতে ৰাইজৰ কাষ চপাৰ আহ্বান জনায়। লগতে তেওঁ নিজেও পূৰ্বৰ তুলনাত আৰু অধিক সংযত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি কয় অহংকাৰেই পতনৰ মূল ঃ বুলি কৈ দায়িত্ব বাঢ়িলে কামৰ দায়িত্ব বাঢ়ে। সেয়েহে পূৰ্বৰ ১০ ঘন্টাৰ ঠাইত এতিয়াৰে পৰা ১৮ ঘন্টাকৈ কাম কৰিব লাগিব বুলি কয়। ইয়াৰ উপৰি চৰকাৰী কৰ্মচাৰীসকলকো একপ্ৰকাৰৰ সকীয়নি প্ৰদান কৰি ড° ৰংহাঙে কয় পুৱা ১০ বজাৰ পৰা পাঁচ বজালৈকে কাৰ্যালয়ত কাম কৰাৰ আহ্বান জনায়। ইপিনে, ২৬ পৰিষদীয় সদস্য-সদস্যাৰে গঠিত কাৰ্বি পৰিষদখনৰ ২৬ পাৰিষদেই বিজেপিৰ দখলত। বিৰোধী নাই অৰ্থাৎ কওঁতা নাই। ইপিনে, মুখ্য অতিথিৰূপে ৭১ সংখ্যক কাৰ্বি পৰিষদৰ প্ৰতিষ্ঠা দিৱসত উপস্থিত থকা পাৰ্বত্য উন্নয়ন মন্ত্ৰী যোগেন মহনে তেওঁৰ ভাষণত কয় জিলাখনৰ দল-সংগঠন, বিৰোধী আৰু বুদ্ধিজীৱীসকলে ৰাজনৈতিক ভেদাভেদ পাহৰি জিলাখনৰ উন্নয়নৰ হকে সংকল্পবদ্ধ হ'বলৈ আহ্বান জনায়। লগতে মন্ত্ৰীজনে কয় বৰ্তমানৰ পৰিষদৰ ৩০ টা বিভাগৰ লগতে আৰু আঠটা বিভাগ কাৰ্বি পৰিষদক হস্তান্তৰ কৰাৰ কথাও উল্লেখ কৰে মন্ত্ৰীজনে। ইপিনে, শিক্ষা, সংস্কৃতি, স্বাস্থ্য ক্ষেত্ৰৰ লগতে বিভিন্ন উন্নয়নত পাৰদৰ্শিতা দেখুওৱা ব্যক্তিক কাৰ্বি পৰিষদে পুৰস্কাৰ প্ৰদানৰ ঘোষণা কৰে।



## নামতি পিয়লি ফুকন শাখা সাহিত্য সভাৰ ৰাভা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**নামতি, ২৪ জুন ঃ** সমগ্ৰ ৰাজ্যৰ লগতে শিৱসাগৰ জিলাৰ নামতিৰ পিয়লি ফুকন শাখা সাহিত্য সভায়ো দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱস আয়োজন কৰে। আনহাতে, নামতিৰ খেজুৰিতলৰ জ্ঞানজ্যোতি বিদ্যাপীঠৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানৰ প্ৰথম দিনা চিত্ৰাংকন আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা উদ্বোধন কৰে লাচিত মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক প্ৰাঞ্জল কোঁৱৰে। দ্বিতীয় দিনা শাখা সাহিত্য সভাৰ উপ-সভাপতি জয়া গগৈয়ে পতাকা উত্তোলনেৰে আৰম্ভ কৰা অনুষ্ঠানত মল্লিকা বেগমে স্মৃতি তৰ্পণ আৰু অমিয়া মহন্তই কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে। বিয়লিলৈ উপ-সভাপতি জয়া গগৈৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা আৰু বঁটা বিতৰণী সভাত আটাছু শিৱসাগৰ জিলা সমিতিৰ উপ-সভাপতি অখিল আহোম, সাংবাদিক ৰাতুল শৰ্মা, জিয়াৰুদ্দিন আহমেদ, ৰংপুৰ সাহিত্য সভাৰ সম্পাদক জনম খনিকৰ বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। তদুপৰি নিৰ্দিষ্ট বক্তাৰূপে ছহিদ পিয়লি ফুকন মহাবিদ্যালয়ৰ অধ্যাপিকা জ্যোতি গগৈয়ে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ বিষয়ে বিস্তৃতভাৱে বক্তব্য প্ৰদান কৰি অনুষ্ঠান সাফল্যমণ্ডিত কৰি তোলে।

ইফালে, ৰাভা দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা চিত্ৰাংকন প্ৰতিযোগিতাৰ নিম্ন শাখাত প্ৰথম গুণগুণ শইকীয়া, দ্বিতীয় অনুশিখা কোঁৱৰ আৰু তৃতীয় ৰম্যৰঞ্জন গগৈ উচ্চ শাখাত প্ৰথম প্ৰাবৃক্ষা প্ৰাপ্তি মহন্ত, দ্বিতীয় আৰাধ্যা দত্ত আৰু তৃতীয় নীলপৱন নেওগ আৰু কবিতা আবৃত্তি প্ৰতিযোগিতাৰ নিম্ন শাখাত প্ৰথম অনুষ্কা কোঁৱৰ, দ্বিতীয় জ্যোতিস্ময়ী বৰুৱা আৰু তৃতীয় অংগনা চেতিয়া, উচ্চ শাখাত প্ৰথম মৈয়েত্ৰী শইকীয়া, দ্বিতীয় পূৰ্বস প্ৰাংসু মহন্ত আৰু তৃতীয় স্থান সৃষ্টিজোনাক গগৈয়ে লাভ কৰিবলৈ সক্ষম হয়। শাখা সাহিত্য সভা সম্পাদিকা দেৱযানী দীক্ষিতা গগৈয়ে শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানত অসমা টুংখুঙীয়া, হাফিজ আহমেদ, জোনমণি দেৱী, বিশ্বজিৎ আৰন্ধৰাকে ধৰি বহু ব্যক্তি উপস্থিত থাকে।

## নদুৱাৰৰ অন্তৰ্গত বৰভগীয়া মজলীয়া বিদ্যালয়ত চিকিৎসা শিবিৰ

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৪ জুন ঃ** নদুৱাৰ শিক্ষা খণ্ডৰ অধীনৰ বৰভগীয়া মজলীয়া বিদ্যালয়ত কালি উত্তৰ জামুগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত এটি চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। উত্তৰ জামুগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত এটি চিকিৎসা শিবিৰ অনুষ্ঠিত হয়। উত্তৰ জামুগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক, নাৰ্চ আৰু চিকিৎসা কৰ্মীসকলে বিদ্যালয়খনৰ মুঠ ১২০ গৰাকী ছাত্ৰ-ছাত্ৰীক চিকিৎসা সেৱা আগবঢ়ায়। প্ৰথমৰ পৰা অষ্টম শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীসকলে অংশ লোৱা চিকিৎসা শিবিৰটোত ২০ ৰে অধিক বিভিন্ন বয়সৰ ছাত্ৰ-ছাত্ৰীক স্বাস্থ্য পৰীক্ষাৰ অন্তত উন্নত চিকিৎসাৰ বাবে উত্তৰ জামুগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ নিবলৈ বিদ্যালয়ৰ প্ৰধান শিক্ষকক পৰামৰ্শ আগবঢ়ায় চিকিৎসকে। চিকিৎসা বিদ্যালয়ৰ চৌহদত থকা অংগনৱাড়ী কেন্দ্ৰটোৰ কণ কণ শিশুসকলকো স্বাস্থ্য পৰীক্ষা কৰোৱা হয়।

## বৰজান মাটিখোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীক অভিনন্দন

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ২৪ জুন ঃ** গোলাঘাট জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক কাৰ্যালয়ৰ অন্তৰ্গত বৰজান মাটিখোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২১ জুনত আনুষ্ঠানিকতাৰে সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ শিক্ষাৰ্থীসকলক বিদ্যালয় কৰ্তৃপক্ষই অভিনন্দন জ্ঞাপন কৰে। সংশ্লিষ্ট বিদ্যালয়খনৰ প্ৰাক্তন শিক্ষয়িত্ৰী শৈল্যবালা কাকতিৰ সভাপতিত্বত অনুষ্ঠিত অভিনন্দন সভাখনত প্ৰথম বিভাগৰ ষ্টাৰ মাৰ্ক অৰ্জন কৰা এগৰাকী, লেটাৰ মাৰ্ক লাভ আঠগৰাকী, দ্বিতীয় বিভাগৰ ৩৩গৰাকী আৰু ২৮গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ শিক্ষাৰ্থীক অভিনন্দন পত্ৰ, গ্ৰন্থৰ টোপোলা আৰু কলমেৰে অভিনন্দন জনোৱা হয়। উল্লেখ্য যে সভাখনত শিক্ষক গোট, বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতি বিষয়ববীয়া, ছাত্ৰ সংসদ প্ৰমুখ্যে শিক্ষাপ্ৰেমী ৰাইজ উপস্থিত থাকে। সভাৰ কাৰ্যসূচীসমূহৰ আঁত ধৰে অধ্যক্ষা সবিতা গগৈ, শিক্ষকদ্বয় ইন্দুকল্প হাজৰিকা আৰু বিপ্ৰবিনোদ বড়াই।

## যোৰহাটৰ শিক্ষানুষ্ঠানত একুৱা ফিল্টাৰ প্ৰতিষ্ঠা-প্ৰয়োগ সম্পৰ্কীয় প্ৰশিক্ষণ সম্পন্ন

ষ্টাফ ৰিপ'ৰ্টাৰ


**যোৰহাট, ২৪ জুন ঃ** জনস্বাস্থ্য কাৰিকৰী বিভাগ, যোৰহাটে যোৰহাট প্ৰিন্স অৱ ৱেলছৰ সভাগৃহত কালি অনুষ্ঠিত কৰে শিক্ষানুষ্ঠানসমূহত একুৱা ফিল্টাৰ প্ৰতিষ্ঠা, প্ৰয়োগ আদি সম্পৰ্কীয় প্ৰশিক্ষণ। উল্লেখ্য যে জল জীৱন মিছনৰ অধীনত বিভাগে জিলাখনৰ প্ৰতিখন বিদ্যালয়ত গৰম বন্ধত জুলাইত একুৱা ফিল্টাৰ (ভেছেল) প্ৰতিষ্ঠা কৰাৰ পৰিকল্পনা কৰিছে। যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মনৰ উপস্থিতিত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তা ভাস্কৰ শৰ্মাই আঁচনিখনৰ ব্যাখ্যা কৰি বিগত দুমাহত জিলাখনৰ ৩৫ খন বিদ্যালয় পৰিদৰ্শন কৰি লাভ কৰা অভিজ্ঞতা ব্যাখ্যা কৰে। গুণোৎসৱৰ বাবে শিক্ষানুষ্ঠানলৈ পানী পৰীক্ষা কৰিবলৈ আনোতে প্ৰতিখন শিক্ষানুষ্ঠানত সেৱন কৰাই থকা পানী নিৰাপদ যে নহয় সেয়াও প্ৰমাণিত হোৱা বুলি ভাষণত উল্লেখ কৰে। এগৰাকী ব্যক্তিৰ বাবে প্ৰতিদিনে ৫৫ লিটাৰ পানীৰ প্ৰয়োজন, তাৰে খোৱাপানী হিচাপে পাঁচ লিটাৰকৈ পাব লাগে; কিন্তু শিক্ষানুষ্ঠানতে হওক বা অন্যান্য স্থানতো পানী অপব্যয় কৰা দৃষ্টিগোচৰ হৈছে বুলি তেওঁ উল্লেখ কৰে। জিলাখনৰ শিক্ষানুষ্ঠানসমূহৰ পৰিদৰ্শক ড° শুভলক্ষী ৰাজকুমাৰীয়ে ভাষণ দিয়ে। জগন্নাথ অগ্নিবৰাই আঁতধৰা প্ৰশিক্ষণত প্ৰাথমিকৰ পৰা উচ্চতৰ মাধ্যমিকলৈকে ৩০০ খন শিক্ষানুষ্ঠানৰ প্ৰধানে অংশগ্ৰহণ কৰে। জিলাখনত ১৪০০ খনৰো অধিক শিক্ষানুষ্ঠানৰ লগতে অংগনৱাড়ী কেন্দ্ৰ আছে। প্ৰত্যেকখনতে একুৱা ফিল্টাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে প্ৰতিষ্ঠা কৰিবলৈ পৰিকল্পনা কৰিছে আৰু পৰ্যায়ক্ৰমে প্ৰধানসকলক প্ৰশিক্ষণ দিয়াৰ আঁচনি গ্ৰহণ কৰিছে। ৰাজ্যত এনে প্ৰশিক্ষণ যোৰহাট জিলাতে প্ৰথম আৰম্ভ কৰা হৈছে বুলি কাৰ্যবাহী অভিযন্তা ভাস্কৰ শৰ্মাই ভাষণত উল্লেখ কৰে। সহকাৰী কাৰ্যবাহী অভিযন্তা দীপাংকৰ বৰা, একুৱা চলিউছন কোম্পানীৰ বিষয়া সুজয় গাংগুলী আৰু কৰ্মচাৰীসকলে ভেছেল ফিল্টাৰ শিক্ষানুষ্ঠানসমূহত প্ৰতিষ্ঠা, প্ৰয়োগ, মেৰামতি, ম্যাদ আদিৰ সম্পৰ্কে পুংখানুপুংখভাৱে বুজাই দিয়ে। প্ৰশিক্ষণত অংশগ্ৰহণ কৰা প্ৰতিখন শিক্ষানুষ্ঠানতে একোটাকৈ একুৱা ফিল্টাৰ জুলাইত প্ৰতিষ্ঠা কৰিব আৰু পৰিচালনা সমিতি, শিক্ষক-শিক্ষয়িত্ৰীৰ সহযোগিতা বিভাগৰ বিষয়াসকলে কামনা কৰে। সাংবাদিক ৰমেন শইকীয়া, বিভাগৰ ৰূপক গগৈ, সঞ্জয় শইকীয়া প্ৰমুখ্যে বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে প্ৰশিক্ষণ সফল ৰূপায়ণত সহযোগিতা কৰে।

## যোৰহাট জিলা মুক্তিযুঁজাৰু সন্মিলনৰ ন্যাসৰ সভা সৌন্দৰ্যবৰ্ধনত গুৰুত্ব

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২৪ জুন ঃ** যোৰহাটৰ মুক্তিযুঁজাৰু পৰিয়ালৰ সতি-সন্ততিসকলৰ লগতে বিশিষ্ট নাগৰিকৰ দ্বাৰা গঠিত ন্যাসৰ এখন বৈঠক কালি জিলা উপায়ুক্ত অশোক কুমাৰ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত হয়। মুক্তিযুঁজাৰু ভৱনত অনুষ্ঠিত সভাত যোৰহাট সমষ্টিৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, যোৰহাট জিলা মুক্তিযুঁজাৰু সন্মিলনৰ সভাপতি মুক্তিযুঁজাৰু খৰ্গেশ্বৰ গগৈ, কাৰ্যকৰী সভাপতি গিৰীশ চন্দ্ৰ বৰদলৈ উপস্থিত থাকে। সভাত ন্যাসৰ কে'বাজনো সদস্যৰ মৃত্যু হোৱাত নতুনকৈ সাতজন সদস্য অন্তৰ্ভুক্ত কৰা হয়। জিলা উপায়ুক্তৰ সহযোগিতা আৰু বিধায়কৰ দ্বাৰা মুক্তিযুঁজাৰু ভৱনটো সৌন্দৰ্যবৰ্ধন কৰাত সভাত গুৰুত্ব আৰোপ কৰে। ড° পৰাণ বৰুৱা, ড° প্ৰমোদ চন্দ্ৰ নেওগ, নিৰেন শৰ্মা, প্ৰণৱ দলৈ প্ৰমুখ্যে ব্যক্তিসকলে অংশগ্ৰহণ কৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সন্মিলনৰ সম্পাদক ধীৰেন্দ্ৰ কুমাৰ গগৈয়ে আৰু শলাগ জ্ঞাপন কৰে মুনিন্দ্ৰনাথ দত্তই। স্মৰ্তব্য যে ২০০২ত প্ৰতিষ্ঠা হোৱা যোৰহাট জিলা মুক্তিযুঁজাৰু সন্মিলনে ২০১৪ত উপায়ুক্তক সভাপতিৰূপে লৈ ন্যাস গঠন কৰিছিল।

## তামুলপুৰত কেন্দ্ৰীয় বিদ্যালয়ত প্ৰৱেশ উৎসৱ উদ্‌যাপন



অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২৪ জুন ঃ** কেন্দ্ৰীয় বিদ্যালয়, তালুমপুৰত কালি ২০২২-২৩ৰ প্ৰথম শ্ৰেণীৰ পাঠদান আৰম্ভ হোৱা উপলক্ষে প্ৰৱেশ উৎসৱ উদ্‌যাপন কৰা হয়। প্ৰৱেশ উৎসৱ উপলক্ষে পুৱা আঠ বজাত প্ৰথম শ্ৰেণীত নামভৰ্তি কৰা কণ কণ ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে কপালত তিলক লগাই আদৰণি জনোৱাৰ লগতে প্ৰাতঃসভাত অংশগ্ৰহণ কৰোৱায়। পাছত বিদ্যালয়খনৰ অভিভাৱকৰ অপেক্ষা গৃহত প্ৰথম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ উপস্থিতিত এখন আদৰণি সভা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ প্ৰথম শ্ৰেণীৰ ক শাখাৰ শিক্ষক অৰুণ যাদৱে আঁতধৰা সভাত অধ্যক্ষ গুৰুপদ তালুকদাৰে ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অভিভাৱকসকলক আদৰণি জনাই কয় যে বিগত দুবছৰ ক'ভিড সৃষ্টি পৰিৱেশৰ বাবে বিদ্যালয়খনত প্ৰৱেশ উৎসৱ অনুষ্ঠিত কৰিব পৰা হোৱা নাছিল। ক'ভিড সৃষ্টি পৰিৱেশৰ উন্নতি হোৱাত এইবাৰ পুনৰ প্ৰৱেশ উৎসৱ অনুষ্ঠিত কৰা হৈছে বুলি অধ্যক্ষই কয়। প্ৰৱেশ উৎসৱৰ জৰিয়তে বিদ্যালয়ত প্ৰথমবাৰৰ বাবে খোজ দিয়া ছাত্ৰ-ছাত্ৰীসকলক এটা উৎসৱ মুখৰ পৰিৱেশৰ মাজেৰে শৈক্ষিক পৰিৱেশৰ লগত চিনাকি কৰাই দিয়া। সভাত অধ্যক্ষই কেন্দ্ৰীয় বিদ্যালয়ৰ নীতি-নিয়মৰ লগতে পাঠদান সম্পৰ্কত বক্তব্য দাঙি ধৰে। লগতে এই ক্ষেত্ৰত অভিভাৱকসকলৰ সহায়-সহযোগিতা বিচাৰে। অনুষ্ঠানতে প্ৰথম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিদ্যালয় কৰ্তৃপক্ষৰ পৰা উপহাৰো বিতৰণ কৰা হয়।

## ডিব্ৰুগড়ত ড্ৰাগছ জব্দ ঃ মহিলাসহ দুই সৰবৰাহকাৰী আটক

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ২৪ জুন ঃ** কালি দুই ড্ৰাগছ সৰবৰাহকাৰী আৰু এগৰাকী মহিলাসহ ১৩.৬৩ গ্ৰাম নিষিদ্ধ ড্ৰাগছ জব্দ কৰিছে ডিব্ৰুগড় আৰক্ষীয়ে। আৰক্ষীয়ে অংকিট ঝা আৰু আছলম হুছেইন নামৰ দুই নিষিদ্ধ ড্ৰাগছ সৰবৰাহকাৰীক বিশেষ সূত্ৰৰ পম খেদি গ্ৰেপ্তাৰ কৰাৰ লগতে আন এগৰাকী মহিলাকো আটক কৰিছে। লগতে ১৩.৬৩ গ্ৰাম ব্ৰাউন ছুগাৰসহ অন্যান্য আপত্তিজনক সামগ্ৰী জব্দ কৰে। ডিব্ৰুগড় আৰক্ষীয়ে বিভিন্ন সময়ত মাৰাত্মক ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই অহাৰ লগতে বহুতে নিষিদ্ধ ড্ৰাগছ জব্দ আৰু ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে যদিও উৎখাত কৰিবলৈ সক্ষম হোৱা নাই। আনহাতে, চেলিম হুছেইন ওৰফে গুড্ডো নামৰ মূল ড্ৰাগছৰ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম নহ'ল।

## মানুহে মানুহৰ বাবে, দৰং-অসমৰ পদক্ষেপ

### মঙলদৈৰ শিক্ষানুষ্ঠান কৰিলে ছেনিটাইজ

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২৪ জুন ঃ** মঙলদৈ চহৰ আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত বানপানী কমিছে যদিও মঙলদৈ চহৰৰ কে'বাখনো চৰকাৰী শিক্ষানুষ্ঠানত এতিয়াও বানাক্ৰান্তই আশ্ৰয় লৈ আছে। ইয়াৰ মাজতে চৰ জুন মানৱতাবাদী সংগঠন 'মানুহে মানুহৰ বাবে, দৰং, অসম'ৰ সদস্য-সদস্যাসকলে মঙলদৈ বৰুৱাপাৰাস্থিত শংকৰদেৱ শিশু বিদ্যা নিকেতনলৈ গৈ ছেনিটাইজ কৰে। জানিব পৰা মতে, সংগঠনটোৰ সদস্যসকলে পানীত ব্লিচিং পাউদাৰ মিহলাই ছটিয়ায়। নিকেতনৰ প্ৰধান আচাৰ্য প্ৰসন্নজিৎ গোস্বামীয়ে উদ্বোধন কৰা এই কাৰ্যত অংশগ্ৰহণ কৰে ক্ৰমে জয়প্ৰকাশ শৰ্মা, হেৰম্ব প্ৰসাদ কলিতা, পংকজ চহৰীয়া, জিতুমণি চহৰীয়া, চন্দনা ভাৰতী, অনুপমা কুৰ্মী বৰা, ৰাতুল ডেকা, ধ্ৰুৱজ্যোতি বৰা, জ্যোতিষ বৰা আদিয়ে। এনে পদক্ষেপক সচেতন মহলে প্ৰশংসা কৰিছে।

## মেলেঙত বিপ্লৱী যুৱ সন্থা অসম সংগ্ৰামী চাহ শ্ৰমিকৰ প্ৰতিবাদ



অগ্ৰদূত বাৰ্তা

**কাকজান, ২৪ জুন ঃ** আজি ৩৭ নম্বৰ ঘাইপথৰ মেলেং চাৰিআলিত বিপ্লৱী যুৱ সন্থা, অসম সংগ্ৰামী চাহ শ্ৰমিক সন্থাই এক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰে। সেনা জোৱানৰ চাকৰি অগ্নিপথ আঁচনিৰ জৰিয়তে চাৰি বছৰৰ ঠাইত স্থায়ী নিযুক্তি প্ৰদান, নিবনুৱা সংস্থাপনক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিয়া, অগ্নিপথ আঁচনি বাতিল, অতি শীঘ্ৰে কেন্দ্ৰীয় চৰকাৰে অসমৰ বাবে দুহেজাৰ কোটি টকা বান সাহায্য পেকেজ ঘোষণা, প্ৰতিখন জিলাৰ বাবে কিমান সাহায্য পুঁজি মোকলাই দিছে মুখ্যমন্ত্ৰীয়ে শীঘ্ৰে শ্বেতপত্ৰ প্ৰকাশ কৰাকে ধৰি কে'বাটাও দাবী জনোৱাৰ লগতে অতি শীঘ্ৰে প্ৰতিটো বানপীড়িত পৰিয়ালৰ বাবে শিশু খাদ্য, পশু খাদ্যসহ পৰ্যাপ্ত খাদ্য সাহায্য আৰু চিকিৎসা সাহায্য নিশ্চিত কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে কেন্দ্ৰীয় সমিতিৰ আহ্বান ক্ৰমে ৩৭ নম্বৰ ঘাইপথৰ কাষত মেলেং চাৰিআলিত, বিপ্লৱী যুৱ সন্থা, অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘ, চি পি আই (এম-এল)ৰ যোৰহাট জিলা সমিতিয়ে এই প্ৰতিবাদ সাব্যস্ত কৰে। কাৰ্যসূচীত অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘৰ কেন্দ্ৰীয় সম্পাদক জিতেন তাঁতী, আৰ ৱাই এৰ অসম ৰাজ্যিক সমিতিৰ সম্পাদক আমুছ কুমাৰ তাঁতী, উপদেষ্টা ৰাজেন ৰাজ, সংগ্ৰামী চাহ শ্ৰমিক সংঘৰ টীয়ক চাৰ্কোলৰ সম্পাদক ৰামেশ্বৰ কল, সভাপতি বৰুণ কৰ্মী, সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ জিলা সম্পাদিকা ৰাহিল মুণ্ডা, জিলা সভাপতি পৱিত্ৰ নায়ক, টীয়ক আঞ্চলিকৰ সম্পাদক মন্টু ৰাজুৱাৰকে ধৰি কে'বাগৰাকী বিষয়ববীয়া উপস্থিত থাকে।

## পূব নলবাৰীত ডাঃ শ্যামাপ্ৰসাদ মুখাৰ্জীৰ পুণ্যতিথিত 'বলিদান দিৱস'



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৪ জুন ঃ** বিজেপি ৰাজ্যিক সমিতিৰ নিৰ্দেশ মৰ্মে ভাৰতীয় জনসংঘৰ সংস্থাপক, দেশৰ একতা আৰু অখণ্ডতাৰ কাৰণে প্ৰাণ আহুতি দিয়া দেশভক্ত, মহান শিক্ষাবিদ, আমাৰ সকলোৰে পথ প্ৰদৰ্শক শ্ৰদ্ধাৰ ডাঃ শ্যামাপ্ৰসাদ মুখাৰ্জীৰ পুণ্যতিথিত 'বলিদান দিৱস' উপলক্ষে কালি বিজেপি সংখ্যালঘু মৰ্চা নলবাৰী জিলা সমিতিৰ সহযোগত আৰু পূব নলবাৰী মণ্ডল সংখ্যালঘু মৰ্চাৰ উদ্যোগত চাৰি নম্বৰ খাতা গাঁও পঞ্চায়ত কাৰ্যালয়ৰ বাকৰিত বৃক্ষৰোপণ আৰু সংৰক্ষণ কাৰ্যসূচী এটি অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানত বিজেপি নলবাৰী জিলা সংখ্যালঘু মৰ্চাৰ সভাপতি চবিৰ আহমেদ, সামাজিক মাধ্যমৰ সহ-আহ্বায়ক মহবুবৰ ৰহমান, সম্পাদক আনোৱাৰ আলী, পূব নলবাৰী মণ্ডল সংখ্যালঘু মৰ্চাৰ সভাপতি ৰচিদ আলী, চাৰি নম্বৰ খাতা গাঁও পঞ্চায়তৰ সভাপতি তপন কুমাৰ শৰ্মা, আৰু ১২৮ নম্বৰ বুথ সভাপতি ভাস্কৰ ভট্টাচাৰ্যৰ লগতে জিলা পৰ্যায়ৰ বিষয়ববীয়া আৰু মণ্ডলৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# পৰ্বতঝোৰাত বানৰ পাছৰ পৰিস্থিতি সন্দৰ্ভত পৰ্যালোচনা সভা

অগ্ৰদূত বাৰ্তা

**বগৰীবাৰী/চিথিলা, ২৪ জুন ঃ** চলিত বৰ্ষৰ বানে কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ বিস্তৰ অঞ্চল প্লাৱিত কৰাৰ পাছত এই সম্পৰ্কীয় এখন পৰ্যালোচনা সভা আজি মহকুমাধিপতি কাৰ্যালয়ত অনুষ্ঠিত হয়। অতিৰিক্ত উপায়ুক্ত তথা পৰ্বতঝোৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি অনছুলা বসুমতাৰীয়ে সভাত বিভিন্ন বিভাগৰ মুৰব্বীসকলৰ পৰা ক্ষয়-ক্ষতিৰ খতিয়ান বিচাৰে। তেওঁ বিভিন্ন বিভাগৰ বিষয়াসকলৰ উপৰি খণ্ড উন্নয়ন বিষয়াসকলক বানত ক্ষতিগ্ৰস্ত অঞ্চলসমূহ নিয়মীয়াকৈ পৰিদৰ্শন কৰি ক্ষয়-ক্ষতি তথা অভাৱ-অভিযোগৰ বুজ ল'বলৈ পৰামৰ্শ আগবঢ়ায়। গড়কাপ্তানী (পথ) বিভাগক এসপ্তাহৰ ভিতৰত ক্ষতিগ্ৰস্ত পথসমূহ মেৰামতি কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে। উল্লেখ্য যে এইবাৰৰ বানত পৰ্বতঝোৰা মহকুমাত চাৰিখন গাঁও সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত হোৱাৰ উপৰি ৪১ খন গাঁও আংশিকভাৱে ক্ষতিগ্ৰস্ত হয় আৰু ৬১ খন গাঁৱৰ মুঠ ২৮৪.৪৯ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হয়। অঞ্চলটোত ক্ষতিগ্ৰস্ত লোকৰ সংখ্যা পুৰুষ, মহিলা তথা শিশুকে ধৰি ২২,৮৮৪ গৰাকী। তাৰ ভিতৰত ২,১১৯ গৰাকীয়ে আশ্ৰয় শিবিৰত আশ্ৰয় গ্ৰহণ কৰে। এইবাৰ মহকুমাটোত ৩৬,৬৫৬ টি পশুধন বানৰ কবলত পৰে। ন ঠাইত আশ্ৰয় শিবিৰ স্থাপন কৰাৰ উপৰি চাৰিটা সাহায্য বিতৰণ কেন্দ্ৰৰ জৰিয়তে পৰ্যাপ্ত পৰিমাণে চাউল, দাইল, নিমখ, চিৰা, গুৰ, মিঠাতেল আৰু যথেষ্টসংখ্যক শিশুখাদ্য, বিস্কুট, মমবাতি, পানীৰ বটল, চাবোন, টাৰপালিন আদি বিতৰণ কৰা হয়। উল্লেখ্য যে মহকুমাটোত ৩৩৮.৪ কুইন্টল পশুখাদ্যও বিতৰণ কৰা হয়। বান পৰ্যালোচনা সভাত বগৰীবাৰীৰ চক্ৰ বিষয়া দেৱজ্যোতি গগৈ, সহকাৰী আয়ুক্ত অজিতাভ ভৌমিক, দেৱীতোলা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া মানসজ্যোতি মালাকাৰ, খণ্ড প্ৰাথমিক শিক্ষা বিষয়া একাব্বৰ আলী, স্কুলসমূহৰ উপ-পৰিদৰ্শক মংগলেশ্বৰ চৌধুৰী, মহকুমা পশু চিকিৎসা বিষয়া ডাঃ ভানুৰাণী কছাৰী, হস্ত-তাঁত বস্ত্ৰ শিল্প বিভাগৰ অধীক্ষক ইন্দ্ৰমোহন নাথ, গড়কাপ্তানী (গৃহ) বিভাগৰ কনিষ্ঠ অভিযন্তা ৰাজু কুমাৰ শ্বাও, যোগান বিভাগৰ অধীক্ষক ধৰ্মেশ্বৰ দাস, জলসিঞ্চন বিভাগৰ বিষয়া সাদন কুমাৰ সেন, বিদ্যুৎ বিভাগৰ বিষয়াদ্বয় নিশান্ত গুপ্তা আৰু ৰাহুল তৰফদাৰৰ লগতে বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে বুলি মহকুমা তথ্য আৰু জনসংযোগ বিষয়া বিজয় বেজবৰুৱাই জনাইছে।

# বঙাইগাঁও জিলাৰ বাশবাৰীত আই নৈৰ খহনীয়া অব্যাহত



অগ্ৰদূত ব্যুৰ'
**বঙাইগাঁও, ২৪ জুন ঃ** বঙাইগাঁও জিলাৰ মাণিকপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বাশবাৰী দ্বিতীয় খণ্ডত আই নৈৰ খহনীয়াই এতিয়ালৈকে প্ৰায় ৩০০টা পৰিয়ালৰ ঘৰ খহাই নিছে। উত্তৰ অভয়াপুৰী বিধানসভা সমষ্টিৰ অধীনৰ কীৰ্তনপাৰা আৰু ভাণ্ডাৰা সংযোগী মূল পথটো আই নৈৰ খহনীয়াই সম্পূৰ্ণৰূপে খহাই নিয়াৰ ফলত যোগাযোগ বিচ্ছিন্ন হোৱাত প্ৰশাসনে নতুন বিকল্প পথ এটা নিৰ্মাণ কৰি উলিয়াইছে। প্ৰশাসনে ইতিমধ্যে বাঁশবাৰীৰ বানপীড়িতসকলৰ বাবে আশ্ৰয় শিবিৰ স্থাপন কৰি তাত পৰ্যাপ্ত পৰিমাণে খাদ্য সামগ্ৰী আৰু আন অত্যাৰশকীয় সা-সামগ্ৰী যোগান ধৰিছে। আনহাতে, সৃজনগ্ৰাম ৰাজহ চক্ৰৰ ডুবাচৰাত আই-মানাস নৈৰ খহনীয়া এতিয়াও অব্যাহত আছে।

## নৰ্থ ইষ্ট চেণ্টাৰ ফৰ ইকুইটি একছন অন ইণ্টিগ্ৰেটেড ডেভেলপমেণ্টৰ বান সাহায্য প্ৰদান



অগ্ৰদূত বাৰ্তা
**বেবেজীয়া, ২৪ জুন ঃ** সম্প্ৰতি ৰাজ্যৰ বিভিন্ন জিলাত বানপানীয়ে ভয়াৱহ ৰূপ ধাৰণ কৰিছে আৰু এই বানপানীৰ কবলত পৰি সাধাৰণ ৰাইজ ভীষণ অসুবিধাত পৰিছে। নগাঁও জিলাৰো বিভিন্ন প্ৰান্তত বানপানীয়ে ভয়ানক ৰূপ লৈছে। ফলত লক্ষ লক্ষ জনতা বানৰ কবলত পৰি বিলৈ-বিপত্তি নোহোৱা হৈছে। এই দুৰ্গত লোকসকলক সহায়ৰ বাবে চৰকাৰৰ লগতে আগবাঢ়ি আহিছে বিভিন্ন সংস্থা, সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ। ৰাজ্যৰ স্বেচ্ছাসেৱী সংস্থা নৰ্থ ইষ্ট চেণ্টাৰ ফৰ ইকুইটি একছন অন ইণ্টিগ্ৰেটেড ডেভেলপমেণ্ট চমুকৈ এনইএইডৰ উদ্যোগত নগাঁও জিলাৰ ৰহা ৰাজহ চক্ৰৰ কে'বাখনো গাঁৱত বান সাহায্য প্ৰদান কৰা হয়। বিগত চাৰিদিনৰে পৰা ৰহাৰ বগৰিগুৰি, কাষৰিগাঁও, মোলান কটা, বাকৰিগাঁও আৰু আজি নামগাঁৱত বানাক্ৰান্ত ৰাইজৰ মাজত অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰা হৈছে। এনইএইডৰ অধ্যক্ষ মিৰাজ আহমেদ আৰু নিলাদ্ৰী বৰাৰ নেতৃত্বত সংস্থাটোৰ নগাঁও-মৰিগাঁও জিলাৰ কৰ্মকৰ্তাসকলে এইদিনকেইটাত উপৰোক্ত গাঁওসমূহৰ বানাক্ৰান্ত পৰিয়ালৰ কাষলৈ গৈ ব্লিচিং পাউদাৰ, কাপোৰ ধোৱা চাবোন, গা ধোৱা চাবোন, কাপোৰ ধোৱা পাউদাৰ, টুথপেষ্ট, ব্ৰাছ, টাৱেল আদি বিভিন্ন সামগ্ৰীৰ টোপোলা বিতৰণ কৰে। এই দুৰ্যোগৰ সময়ত এন ইএইডে বৰ্নাত্যৰ সহায়ৰ বাবে লোৱা তৎপৰতা তথা চেষ্টাৰ বাবে বানাক্ৰান্ত ৰাইজে শলাগ লয়। আগন্তুক দিনত মৰিগাঁও, ধেমাজি, লখিমপুৰ আৰু কামৰূপ গ্ৰাম্য জিলাৰ বানাক্ৰান্ত ৰাইজকো পৰ্যায়ক্ৰমে সাহায্য প্ৰদান কৰা হ'ব বুলি এনইএইডৰ তৰফৰ পৰা জানিবলৈ দিয়ে।

## পিপিৰা দোকান বন্যাৰ্তৰ মাজত বিৰাটচুবা নামঘৰ উন্নয়ন সমিতি ছশ বন্যাৰ্তক নিশাৰ আহাৰ দান

অগ্ৰদূত বাৰ্তা
**ছিপাঝাৰ, ২৪ জুন ঃ** শাকতোলা নদীৰ মথাউৰি ছিগি অভূতপূৰ্ব বানপানীৰ ফলত গৃহহীন হৈ ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথত, মথাউৰিৰ আশ্ৰয় শিবিৰত থকা ছশ বন্যাৰ্তক যোৱা নিশাৰ আহাৰ প্ৰদান কৰে বৰদৌলগুৰিৰ বিৰাটচুবা নামঘৰ উন্নয়ন সমিতিয়ে। সমিতিৰ সম্পাদক ভৈৰৱ চন্দ্ৰ নাথ, জগদীশ নাথ, সমিতিৰ আন কেইগৰাকীমান বিষয়ববীয়া ক্ৰমে মুনিন্দ্ৰ নাথ, দোলন কুমাৰ নাথ, টংকেশ্বৰ নাথ, ভূমিধৰ নাথ, কণ্ঠিৰাম নাথ, ৰিংকু কুমাৰ নাথ আদিয়ে খাদ্য প্ৰস্তুত কৰি তিনিখন গাড়ীৰে পিপিৰা দোকান, নগাঁও, এনআৰএলৰ ওচৰত থকা আশ্ৰয় শিবিৰত আশ্ৰয় লোৱা বন্যাৰ্তক নিশাৰ আহাৰ আৰু পানী প্ৰদান কৰে। ইফালে, একে স্থানত আজি বৰদৌলগুৰি আঞ্চলিক উন্নয়ন সমিতিৰ উদ্যোগত প্ৰায় সাতশ বন্যাৰ্তক দুপৰীয়াৰ আহাৰ প্ৰদান কৰে।

## আধুনিক তামুলপুৰৰ অন্যতম খনিকৰ প্ৰফুল্ল চন্দ্ৰ মহন্তৰ সোঁৱৰণত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান



অগ্ৰদূত বাৰ্তা
**তামুলপুৰ, ২৪ জুন ঃ** আধুনিক তামুলপুৰৰ অন্যতম খনিকৰ, অসম আন্দোলনৰ তামুলপুৰৰ মূল হোতা, বিভিন্ন সামাজিক অনুষ্ঠানৰ প্ৰতিষ্ঠাপক, তামুলপুৰ পৌৰসভাৰ পৌৰপতি, সদৌ অসম মাধ্যমিক শিক্ষক-কৰ্মচাৰী সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক, শিক্ষাবিদ, সাংস্কৃতিক কৰ্মী প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ মহন্তৰ স্মৃতিত তামুলপুৰ মহকুমা সাংস্কৃতিক কেন্দ্ৰই আজি এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। তামুলপুৰ সাংস্কৃতিক কেন্দ্ৰৰ বিষয়া যুগান্ত বায়নে পৰিচালনা কৰা অনুষ্ঠানত প্ৰয়াত মহন্তৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে তামুলপুৰৰ জ্যেষ্ঠ নাগৰিক ধৰ্মকান্ত তালুকদাৰে। অনুষ্ঠানত বিটিচিৰ এমচিএলএ হেমন্ত কুমাৰ ৰাভা, সাংস্কৃতিক কৰ্মী অভিজিত দাস, তামুলপুৰ প্ৰেছ ক্লাবৰ উপ-সভাপতি ৰজনী বৰ্মন, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক মুকুন্দ দাস, জাতীয় সাংস্কৃতিক ঐক্য মঞ্চ, অসমৰ সভাপতি ৰামেশ্বৰ ব্ৰহ্ম আদিকে ধৰি কে'বাজনো বিশিষ্ট ব্যক্তিয়ে মহন্তৰ স্মৃতিচাৰণ কৰে। অনুষ্ঠানত জাতীয় সাংস্কৃতিক ঐক্যমঞ্চ, তামুলপুৰ আঞ্চলিক সমিতিৰ সভাপতি প্ৰতাপ ব্ৰহ্ম, সম্পাদক ব্ৰজেন মহন্ত, তামুলপুৰ জ্যেষ্ঠ নাগৰিক মঞ্চৰ বিষয়ববীয়া, অসম নাট্য সন্মিলন তামুলপুৰ শাখাৰ বিষয়ববীয়া, অসম নাট্য সন্মিলনৰ ৰত্নপীঠ মণ্ডলৰ বিষয়ববীয়া, তামুলপুৰ প্ৰেছ ক্লাবৰ বিষয়ববীয়া আদিকে ধৰি কে'বাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি মহন্তলৈ গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। উল্লেখ্য যে যোৱা ২০ জুনৰ নিশা জিএমচি হাস্পতালত চিকিৎসাধীন অৱস্থাত তামুলপুৰৰ সমাজ জীৱনত শূন্যতাৰ সৃষ্টি কৰি এইজন পুৰোধা ব্যক্তিয়ে এই পাৰ্থিৱ জগতৰ পৰা চিৰ বিদায় মাগে।

## দক্ষিণ ডেফেলী অঞ্চলত বান সমস্যা সমাধানৰ দাবীত উপায়ুক্তক যুৱ-ছাত্ৰ পৰিষদৰ স্মাৰক

অগ্ৰদূত বাৰ্তা
**তামুলপুৰ, ২৪ জুন ঃ** শেহতীয়া বানত তামুলপুৰ জিলাৰ অন্তৰ্গত বৃহত্তৰ দক্ষিণ দেফেলী অঞ্চলৰ প্ৰায় ১০খনৰো অধিক গাঁও বানৰ কবলত পৰাত অঞ্চলটোৰ বহুলোক গৃহহীন হোৱাই নহয় শ শ কৃষিভূমি হেৰুৱাই সৰ্বস্বান্ত হ'বলগীয়া হৈছে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ দক্ষিণ ডেফেলী আঞ্চলিক সমিতিয়ে বানপানীৰ পাছত বৃহত্তৰ অঞ্চলটোত সৃষ্টি হোৱা খহনীয়া ৰোধ কৰি কৃষিভূমি ৰক্ষা, বিজ্ঞানসন্মতভাৱে মথাউৰিবোৰ নিৰ্মাণ, অঞ্চলটোৰ বান সমস্যাৰ স্থায়ী সমাধানৰ ব্যৱস্থা, বানপানীৰ ফলত ক্ষতিগ্ৰস্ত হোৱা বাট-পথবোৰ অতিশীঘ্ৰে পুনৰ মেৰামতিৰ ব্যৱস্থা, কৃষিজীৱী ৰাইজক সকাহ প্ৰদানৰ স্বাৰ্থত খেতি পথাৰ অনিষ্ট হোৱাসকলৰ ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰা বানপানীৰ ফলত ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালসমূহক উচিত ক্ষতিপূৰণৰ লগতে পুনঃ সংস্থাপনৰ ব্যৱস্থা কৰা আদি কে'বাটাও দাবী সম্বলিত এখন স্মাৰকপত্ৰ তামুলপুৰ জিলা উপায়ুক্তৰ হাতত প্ৰদান কৰে। আজি জিলা উপায়ুক্তক স্মাৰকপত্ৰ দিয়াৰ সময়ত সঁজাতী দলটোত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ দক্ষিণ ডেফেলী আঞ্চলিক সমিতিৰ সভাপতি জিতেন মালাকৰ আৰু সাধাৰণ সম্পাদক গৌতম মালাকৰ লগতে আন কে'বাজনো সদস্য উপস্থিত থাকে।

## বাহনা বালক বিদ্যালয়ৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস

ষ্টাফ ৰিপ'ৰ্টাৰ
**যোৰহাট, ২৪ জুন ঃ** বাহনা উচ্চ মাধ্যমিক বালক বিদ্যালয়ৰ মহৰাজত জয়ন্তী বৰ্ষৰ প্ৰতিষ্ঠা দিৱস যোৱা ২১ জুনত পালন কৰে। বিদ্যালয়খনৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে বাহন অঞ্চলৰ বিভিন্ন বিদ্যালয়ৰ মাজত ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীলৈ চিত্ৰাংকণ আৰু নৱমৰ পৰা দ্বাদশ শ্ৰেণীলৈ ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হয়। বাহনা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ প্ৰসন্ন কুমাৰ দত্তৰ সভাপতিত্বত অনুষ্ঠিত দিৱসৰ সভাত বিদ্যালয়ৰ ইতিবৃত্ত ব্যাখ্যা কৰে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক উপেন্দ্ৰনাথ হাজৰিকাই। শিক্ষক প্ৰদীপ দত্তই আঁত ধৰা আৰু প্ৰধান শিক্ষক পুনাৰাম শইকীয়ই উদ্দেশ্য ব্যাখ্যা কৰা সভাত মুখ্য অতিথিৰূপে যোৰহাটৰ বিধায়ক তথা বিদ্যালয়ৰ মহাৰাজত জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি হিতেন্দ্ৰ নাথ গোস্বামীয়ে ভাষণ প্ৰদান কৰে। সভাত মহাৰাজত জয়ন্তীৰ বিষয়ববীয়া প্ৰদীপ শইকীয়া, প্ৰদীপ নেওগ, সঞ্জীৱ ভূঞা, জগন্নাথ অগ্নি বৰা, ৰাজীৱ লোচন বেজবৰুৱাৰ লগতে বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰশান্ত কুমাৰ দত্ত, মুকুল বৰা প্ৰমুখ্যে ব্যক্তিসকল উপস্থিত থাকে। অনুষ্ঠানত বিদ্যালয়ৰ কৃতি ছাত্ৰক অভিনন্দন জনোৱাৰ লগতে প্ৰতিযোগিতাৰ বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰে। দুদিনীয়াকৈ অনুষ্ঠিত দিৱসৰ প্ৰথম দিনা ২০ জুনত বিষ্ণু ৰাভা দিৱসৰ লগত সংগতি ৰাখি যোৰহাট জিলা ভিত্তিত ষষ্ঠৰ পৰা অষ্টম শ্ৰেণীলৈ কবিতা আবৃত্তি আৰু নৱমৰ পৰা দ্বাদশ শ্ৰেণীলৈ কলাগুৰু বিষ্ণু ৰাভা শীৰ্ষক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়।

## চিনামৰা মহাবিদ্যালয়ত ১৪ টাকৈ নতুন পাঠ্যক্ৰম মুকলি

অগ্ৰদূত বাৰ্তা
**মৰিয়নি, ২৪ জুন ঃ** যোৰহাট জিলাৰ অন্যতম অগ্ৰণী উচ্চ শিক্ষাৰ অনুষ্ঠান চিনামৰা মহাবিদ্যালয়ে ১৪টাকৈ নতুন বৃত্তিমুখী পাঠ্যক্ৰম মুকলি কৰিছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অনুমোদিত এই পাঠ্যক্ৰমসমূহ চলিত বৰ্ষৰ পৰাই আৰম্ভ হ'ব। মহাবিদ্যালয়খনৰ কে'বাটাও বিভাগ আৰু সংযুক্ত অনুষ্ঠানসমূহৰ অধীনত এই পাঠ্যক্ৰমসমূহ অন্তৰ্ভুক্ত হ'ব বুলি অধ্যক্ষ ড০ অঞ্জন শইকীয়াই জানিবলৈ দিছে। সেই অনুসৰি ইংৰাজী বিভাগৰ তত্বাৱধানত স্প'কেন ইংলিছ ছমাহ আৰু ফাংছনেল ইংলিছ ছমাহ, ভূগোল বিভাগৰ তত্বাৱধানত ডিজেষ্টাৰ মেনেজমেণ্ট, ছইল টেষ্টিং, ৱাটাৰ টেষ্টিং, ৰাজনীতি বিজ্ঞান বিভাগৰ তত্বাৱধানত হিউমেন ৰাইটছ, অৰ্থনীতি বিজ্ঞান বিভাগৰ তত্বাৱধানত চাৰ্টিফিকেট ক'ৰ্ছ ইন মাছৰুম কালছাৰ, মহাবিদ্যালয়ৰ কেৰিয়াৰ কাউন্সেলিং কোষৰ তত্বাৱধানত চাৰ্টিফিকেট ক'ৰ্ছ ইন টেলী, চাৰ্টিফিকেট ক'ৰ্ছ ইন বেচিক কম্পিউটাৰ ক'ৰ্ছ, এনএছএছ গোটৰ তত্বাৱধানত যোগ, মহিলা কোষৰ তত্বাৱধানত আৰ্ট এণ্ড ক্ৰাফট, বিউটিচিয়ান, কাটিং-ষ্টিচিং এণ্ড ড্ৰেছ মেকিং আৰু উইভিং আইকিউএচিৰ তত্বাৱধানত কাৰাটে আৰু যোৰহাটৰ সত্ৰীয়া সংগীত মহাবিদ্যালয়ৰ সহযোগত অসমীয়া বিভাগৰ তত্বাৱধানত পাৰফ'ৰ্মিং আৰ্ট (এবছৰীয়া) বিষয়ৰ পাঠ্যক্ৰম মুকলি কৰা হৈছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুটীয়া পঞ্জীয়ক ড০ বি চি বৰাই এক জাননীযোগে এই কথা জনাইছে। মহাবিদ্যালয়খনলৈ একেলগে ১৪টাকৈ নতুন বিষয়ৰ পাঠ্যক্ৰম মুকলি কৰা কাৰ্যত অঞ্চলটোৰ বিদ্যানুৰাগী ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিচে।

## ঘগ্ৰাপাৰৰ দিহজাৰীত শিক্ষকৰ আত্মহত্যা

অগ্ৰদূত বাৰ্তা
**ঘগ্ৰাপাৰ, ২৪ জুন ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ থানাৰ অন্তৰ্গত দিহজাৰীত আজি কাহিলিপুৱাতে এজন শিক্ষকে নিজ ঘৰত চিপ লৈ আত্মহত্যা কৰা ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। তথ্য মতে দিহজাৰী গাঁৱৰ প্ৰয়াত ভবেন্দ্ৰ বৰ্মন আৰু অমলা বৰ্মনৰ জ্যেষ্ঠ পুত্ৰ তথা পশ্চিম সোনোৱা প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক প্ৰদীপ বৰ্মন (৩৬)-এ ঘৰত পত্নী আৰু ডেৰ বছৰীয়া একমাত্ৰ পুত্ৰ নথকাৰ সুযোগ মতে এনে হঠকাৰী সিদ্ধান্ত গ্ৰহণ কৰে। শিক্ষকজনৰ আত্মহত্যাৰ কাৰণ জানিব পৰা নাই। ইতিমধ্যে ঘটনাস্থলী ঘগ্ৰাপাৰ আৰক্ষী উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে নলবাৰী ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয় লৈ প্ৰেৰণ কৰিছে।

## পহুমৰা স্পন্দন সংগীত বিদ্যালয়ত সাংস্কৃতিক অনুষ্ঠান

অগ্ৰদূত বাৰ্তা
**লখিমপুৰ, ২৪ জুন ঃ** পহুমৰা স্পন্দন সংগীত বিদ্যালয় আৰু স্পন্দন মইনা পাৰিজাতৰ উদ্যোগত বিষ্ণু ৰাভা দিৱসৰ লগত সংগতি ৰাখি আজি পহুমৰা স্পন্দন সংগীত বিদ্যালয়ৰ প্ৰাংগণত বিষ্ণু ৰাভা গীত নৃত্যৰ এক মনোজ্ঞ অনুষ্ঠান অনুষ্ঠিত হয়। অসম গণ পৰিষদ লখিমপুৰ জিলা সমিতিৰ সভাপতি তথা পহুমৰা শাখা সাহিত্য সভাৰ সভাপতি দীপক বৰদলৈয়ে বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰা অনুষ্ঠানটোত লখিমপুৰ সংগীত কাননৰ পৰিচালক দেৱ দত্ত প্ৰমুখ্যে কে'বাজনো সাংস্কৃতিক কৰ্মীয়ে অংশগ্ৰহণ কৰি অনুষ্ঠানৰ গাম্ভীৰ্য বঢ়ায়। স্পন্দন সংগীত বিদ্যালয়ৰ পৰিচালিকা মাখনি ভৰালীয়ে আঁত ধৰা অনুষ্ঠানটোত স্পন্দন সংগীত বিদ্যালয় আৰু মইনা পাৰিজাতৰ শিল্পীসকলে সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰে।

## আমগুৰিৰ পূবেৰুণ শিল্পী সমাজৰ উদ্যোগত শিশু নাট কৰ্মশালাৰ আয়োজন

অগ্ৰদূত বাৰ্তা
**আমগুৰি, ২৪ জুন ঃ** শিৱসাগৰ জিলাৰ আমগুৰি অঞ্চলৰ অন্যতম সাংস্কৃতিক প্ৰাণকেন্দ্ৰ পূবেৰুণ শিল্পী সমাজৰ উদ্যোগত অহা দুই জুলাইৰ পৰা ২৫ দিনীয়া এটি প্ৰযোজনা ভিত্তিক শিশু নাট কৰ্মশালাৰ আয়োজন কৰা হৈছে। সাতৰ পৰা ১৪ বছৰ বয়সৰ শিশুসকলক সামৰি আমগুৰি নাট্যমন্দিৰৰ সমীপতে অৱস্থিত চন্দ্ৰ প্ৰসাদ শইকীয়া সোঁৱৰণী কেন্দ্ৰীয় পুথিভঁৰাল প্ৰেক্ষাগৃহত কৰ্মশালা অনুষ্ঠিত হ'ব। কৰ্মশালাৰ শেষত প্ৰশিক্ষাৰ্থীসকলক লৈ এখনি শিশু নাট আমগুৰি নাট্য মন্দিৰত মঞ্চস্থ কৰা হ'ব। ২৫ জুনৰ পৰা প্ৰমাণপত্ৰ যোগান ধৰা হ'ব আৰু ৩০ জুনৰ ভিতৰত জমা দিব লাগিব বুলি পূবেৰুণৰ সম্পাদকে জনাইছে। কৰ্মশালাৰ বিষয়ে সবিশেষ জানিবৰ বাবে ৭০০২৯৫৫২১৮, ৯১০১৩১৫৫০৫ নম্বৰত যোগাযোগ কৰিব পাৰিব।

### কাৰ্বি আংলঙৰ লাহৰীজানত এক কেজি হেৰ'ইনসহ ধৃত

## ড্ৰাগছ সৰবৰাহকাৰীৰ ৰূপত আৰক্ষীৰ জালত এইবাৰ পিতা-পুত্ৰ



অগ্ৰদূত বাৰ্তা
**বোকাজান, ২৪ জুন ঃ** গোপন খবৰৰ ভিত্তিত আজি বোকাজান মহকুমা আৰক্ষী প্ৰশাসনে অভিযান চলাই বোকাজানৰ অসম-নগালেণ্ড সীমান্তৰ লাহৰীজানৰ পৰা এক কেজি হেৰ'ইনসহ আটক কৰে দুই সৰবৰাহকাৰীক। আটকাধীন সৰবৰাহকাৰী দুটা হ'ল হোজাইৰ দক্ষিণ বিদ্যানগৰৰ মণিটন সিং আৰু তেওঁৰ ১৯ বছৰীয়া পুত্ৰ ৰোহিত সিং। আৰক্ষীৰ সূত্ৰ অনুসৰি, তেওঁলোকে তথ্য লাভ কৰিছিল যে নগালেণ্ডৰ ডিমাপুৰৰ পৰা আৰক্ষীৰ নিয়মীয়া তালাচীক ধূলি দি লাহৰীজান চাহ বাগানৰ মাজেৰে কোনো লোকে খোজ কাঢ়ি ড্ৰাগছ সৰৱৰাহৰ প্ৰচেষ্টা চলাইছে । এই তথ্যৰ ভিত্তিতেই সীমান্তৱৰ্তী খটখটী থানা, ডিলাই থানা, কাৰাগাঁও আৰ্থিক দিশত বাধাগ্ৰস্ত হ'ব। কমলা আৰু লাহৰীজান পহৰাদাৰী চকীৰ আৰক্ষী সষ্টম হৈ পৰে। ইয়াৰ মাজতেই দুপৰীয়া দুজন লোকে হাতত প্লাষ্টিকৰ বেগ লৈ বাগানৰ মাজেৰে আহি থকা আৰক্ষীৰ দৃষ্টিগোচৰ হয়। আৰক্ষীয়ে লোককেইজনক ৰখাই হাতত থকা বেগকেইটা পৰীক্ষা কৰোতেই বেগত অনা শাক-পাচলিৰ মাজত ওলায় ৭৯ টা চাবোনৰ বাকচ য'ত সুমুৱাই আনিছিল এক কেজি পৰিমাণৰ নিষিদ্ধ হেৰ'ইন। উল্লেখ্য যে আটক হোৱা হোজাইৰ দুই পিতা-পুত্ৰ অস্থায়ীভাৱে নগালেণ্ড ডিমাপুৰৰ ছিগনেল আংগামী বস্তিত থাকি এনে অবৈধ ব্যৱসায় চলাই আহিছিল। আজি এই অভিযানৰ নেতৃত্বত আছিল বোকাজান মহকুমাৰ মহকুমা আৰক্ষী বিষয়া জন দাসৰ লগতে খটখটী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰাজু দুৱৰা, ডিলাই থানাৰ ভাৰপ্ৰাপ্ত বিষয়া লুটফুৰ ৰহমানৰ লগতে চিআৰপিএফৰ এটা দল।

## বঙাইগাঁও কলেজৰ সমীপৰ বিসৰ্জন ঘাটত মৃতদেহ উদ্ধাৰ


অগ্ৰদূত ব্যুৰ'
**বঙাইগাঁও, ২৪ জুন ঃ** বঙাইগাঁও চহৰৰ বঙাইগাঁও কলেজৰ সমীপৰ বিসৰ্জন ঘাটত কালি বিয়লি পানীত ওপঙি থকা অৱস্থাত এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হয়। স্থানীয় লোকে মৃতদেহটো প্ৰত্যক্ষ কৰি উত্তৰ বঙাইগাঁৱৰ আৰক্ষী পহৰা চকীত খবৰ দিয়াত আৰক্ষীয়ে উদ্ধাৰ কৰে। মৃত যুৱকজনক পাছত বঙাইগাঁও পৌৰসভাৰ ১৪ নম্বৰ ৱাৰ্ড বাখাৰাপাৰাৰ বাসিন্দা অমিত ঘোষ (৩০) বুলি চিনাক্ত কৰিছে পৰিয়ালৰ লোকে। প্ৰায় একে সময়তে বিসৰ্জন ঘাটৰ পাৰত উদ্ধাৰ হয় মৃত অমিতে ব্যৱহাৰ কৰা চাইকেলখন। যুৱকজনে যোৱা ২২ জুনৰ সন্ধিয়া সাত বজাত ঘৰৰ পৰা ওলাই গৈছিল বুলি পৰিয়ালৰ সূত্ৰই প্ৰকাশ কৰিছে। কোনো বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ লোৱাৰ পাছত বিত্তীয় প্ৰতিষ্ঠানৰ কৰ্মচাৰীৰ পৰা হেঁচা পোৱাৰ পৰিপ্ৰেক্ষিতত মানসিক অৱসাদত যুৱকজনে আত্মহননৰ পথ ল'ব পাৰে বুলি পৰিয়ালৰ লোকে সন্দেহ প্ৰকাশ কৰিছে। ইপিনে, ঘটনাস্থলীত উপস্থিত হোৱা আৰক্ষী বিষয়াই ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰা হৈছে বুলি উল্লেখ কৰি মৰণোত্তৰ পৰীক্ষাৰ অন্তত যুৱকজনৰ মৃত্যু সম্পৰ্কে তথ্য জানিব পৰা হ'ব বুলি জানিবলৈ দিয়ে।

## কাইলৈ অনুপ চেতিয়াক মটক যুৱ-ছাত্ৰ পৰিষদৰ 'বীৰ পুৰুষ মটাটুকুৰা বৰুৱা সমন্বয় বঁটা'

অগ্ৰদূত বাৰ্তা
**তিনিচুকীয়া, ২৪ জুন ঃ** ১৭৮৬ খ্ৰীষ্টাব্দৰ ঐতিহাসিক বেংমৰা মটক ৰাজ্যৰ ৰজা স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ বিচক্ষণ সেনাপতি আছিল বীৰপুৰুষ মটাটুকুৰা বৰুৱা। এইজন মহান বিপ্লৱী নেতা অকল যোদ্ধাই নহয়, তেওঁ আছিল একাধাৰে সেনাপতি, নিপুণ শিল্পী, সু-সংগঠক আৰু ধৰ্মপৰায়ণ ব্যক্তি। কালৰ কুটিল গ্ৰাসত এই মহান বিপ্লৱী নেতাজনৰ মূল্যায়ন তেনেই সীমিত। সেয়েহে বীৰপুৰুষজনক সন্মান জনাই তেওঁৰ কৰ্মৰাজিক জগতসভাত চিনাকি কৰাই দিবলৈ সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদে প্ৰৱৰ্তন কৰিছিল 'বীৰ পুৰুষ মটাটুকুৰা বৰুৱা সমন্বয় বঁটা'। বেংমৰা মটক ৰাজ্যৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আগবঢ়োৱা বিচক্ষণতাৰ ফলশ্ৰুতিত যি বঁটা প্ৰদানৰ প্ৰচেষ্টা হাতত লোৱা হৈছে, উক্ত বঁটাটি অহা ২৬ জুনত পানীতোলা ন-গাঁও খেলপথাৰত অনুষ্ঠিত দশম বাৰ্ষিক সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা দিৱসৰ মুকলি সভাৰ শুভমুহূৰ্তত অসমী আইৰ সুযোগ্য সন্তান ভূমিপুত্ৰ মটক জনগোষ্ঠীৰ বীৰযোদ্ধা তথা উত্তৰ-পূৰ্বাঞ্চলৰ এজন সংগ্ৰামী নেতা 'সংযুক্ত মুক্তি বাহিনী অসমৰ' সেৱাৰ নামত সুদীৰ্ঘ ১৮ বছৰ কাল কাৰাবাস খাটি অসমী আইৰ বাবে জীৱন উছৰ্গা কৰা গোলাপ বৰুৱা (অনুপ চেতিয়া)ক প্ৰদান কৰা হ'ব। মুকলি সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকিব অসম চৰকাৰৰ কৃষিমন্ত্ৰী অতুল বৰা, নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ প্ৰাধ্যাপক ড° প্ৰাঞ্জল বুঢ়াগোহাঁই, আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকিব চাবুৱা সমষ্টিৰ বিধায়ক পোণাকন বৰুৱা, সদৌ অসম মটক সন্মিলনৰ সভাপতি চান্দ গোহাঁই, সদৌ অসম মটক যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় মুখ্য উপদেষ্টা উদয় শংকৰ মহন, উপদেষ্টা কল্যাণ বৰা, প্ৰাক্তন সম্পাদক অনুপ চেতিয়া, মটক স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ সৰুজ গোহাঁই, সদৌ অসম আহোম সভাৰ কেন্দ্ৰীয় সম্পাদক প্ৰাঞ্জল গোহাঁই, বীৰ লাচিত সেনাৰ কেন্দ্ৰীয় সভাপতি হেমন্ত বৰা, মটক ছাত্ৰ সন্থাৰ সভাপতি সঞ্জয় হাজৰিকা, বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় সচিৱ প্ৰধান মানস বৰুৱা, সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ তিনিচুকীয়া জিলাৰ সভাপতি বিদ্যুৎ সোণোৱাল আৰু আটছাৰ তিনিচুকীয়া জিলাৰ সভাপতি অনুজ তাঁতী।

### কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা আটছাৰ


## শিক্ষাৰে নিজকে প্ৰতিষ্ঠা কৰাৰ ব্যতিৰেকে বাগিচাৰ সমাজ সংস্কাৰ অসম্ভৱ



অগ্ৰদূত বাৰ্তা
**চিনামৰা, ২৪ জুন ঃ** চাহ জনজাতি ছাত্ৰ সন্থা, আটছাৰ চিনামৰা উপ-সমিতিৰ উদ্যোগত আজি চিনামৰাত হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱাৰ এক অনুষ্ঠান অনুষ্ঠিত হয়। চিনামৰা বাগিচাৰ নতুন টোকোলাই দুৰ্গা মন্দিৰ প্ৰাংগণস্থিত ৰংগমঞ্চত অনুষ্ঠিত সম্বৰ্ধনা সভাত সভাপতিত্ব কৰে আটছাৰ চিনামৰা উপ-সমিতিৰ সভাপতি সিদ্ধাৰ্থ কৰ্মকাৰে। বিবং জাতাপে আঁত ধৰা সভা উদ্বোধন কৰি সংগঠনটোৰ যোৰহাট শাখাৰ সম্পাদক সিদ্ধান্ত তাঁতীয়ে কয় যে চাহ বাগিচাৰ প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে নিজকে শিক্ষিত কৰি তুলিব লাগিব। শিক্ষা অবিহনে সমাজ আগুৱাই যাব নোৱাৰে। আমাৰ সমাজৰ প্ৰতিজন শিক্ষিত লোকেই সম্পদ। সম্বৰ্ধনা সভাত জিলা সমিতিৰ সভাপতি গকুল মাঝিয়ে চাহ বাগিচাৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাৰে প্ৰতিষ্ঠিত হৈ সমাজখনক আগুৱাই নিবলৈ আহ্বান জনায়। কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক সন্তোষ চিকে শিক্ষাৰ্থীসকলক উদ্দেশ্য কৰি কয় যে শিক্ষাৰ যোগেদিহে সমাজখন সংস্কাৰ হ'ব। সভাত সাংসদ কামাখ্যা প্ৰসাদ তাছাই শিক্ষাৰ্থীসকলক উদ্দেশি কয় যে শিক্ষিত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ লগতে জনগোষ্ঠীটোক গৌৰৱান্বিত কৰিছে আৰু আহি থকা সময়ত বৃহত্তৰ অসমীয়া সমাজখনক প্ৰতিনিধিত্ব কৰি শক্তিশালী কৰিব লাগিব। চিনামৰা বাগিচা অঞ্চলৰ প্ৰায় ৩০ জন শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা অনুষ্ঠানত চিনামৰা উচ্চতৰ মাধ্যমিকৰ অধ্যক্ষা পিংকুমণি তামুলী, বাগিচা পৰিচালক অচ্যুৎ বৰণ চৌধুৰী, সদৰ কাৰ্যালয়ৰ চিতাংশু হাজৰিকা, চিকিৎসক ৰৌচন ভৰদ্বাজ, চাহ জনজাতি মহিলা সমিতিৰ যোৰহাট শাখাৰ সভানেত্ৰী বন্দনা গোহাঁই তাঁতী, সম্পাদিকা জয়ন্তী জাতাপ, অমৃত মিৰ্ধাকে আদি কৰি বহুসংখ্যক লোক উপস্থিত থাকে।

### টংলা মহাবিদ্যালয়ত এদিনীয়া শৈক্ষিক কৰ্মশালাত ড° পভনেশ কুমাৰ

## ক'ভিড মহামাৰীয়ে মানুহক জীয়াই থাকিবলৈ বিকল্প চিন্তাৰ খোৰাক দিছে



অগ্ৰদূত বাৰ্তা
**টংলা, ২৪ জুন ঃ** 'ক'ভিড মহামাৰীয়ে সাধাৰণ মানুহৰ জীৱনশৈলীৰ বৃহৎ পৰিৱৰ্তন আনিলে। সি হওঁক সামাজিক, শৈক্ষিক, চিকিৎসা অথবা অৰ্থনৈতিক ক্ষেত্ৰ। ক'ভিড মহামাৰীয়ে মানুহক জীয়াই থাকিবলৈ বিকল্প চিন্তাৰ খোৰাক জন্মাইছে। ক'ভিডৰ দৰে মহামাৰীত ভাৰতবৰ্ষৰ লগতে সমগ্ৰ বিশ্বই যি সামাজিক, অৰ্থনৈতিক, শৈক্ষিক, চিকিৎসা আদি সকলো দিশতে বৃহৎ ক্ষতিৰ সন্মুখীন হৈয়ো জীয়াই থাকিবলৈ নতুন পৰিস্থিতিৰ সন্মুখীন হৈছে।' এই গুৰুত্বপূৰ্ণ মন্তব্য কৰে বিহাৰস্থিত মহাত্মা গান্ধী কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা ডীন ড° পভনেশ কুমাৰে। ওদালগুৰি জিলাৰ অন্যতম শিক্ষানুষ্ঠান টংলা মহাবিদ্যালয়ৰ বাণিজ্য শাখা আৰু আইকিউএচিৰ যৌথ উদ্যোগত অনুষ্ঠিত হোৱা 'ৰিচকিলিং ৰিকোৰ্ৱাৰ্ড ইন দ্য পোষ্ট পেণ্ডামিক ইৰা' শীৰ্ষক শৈক্ষিক কৰ্মশালাত সমল ব্যক্তিৰূপে উপস্থিত থাকি এই গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। তেওঁ আৰু কয় যে ক'ভিড মহামাৰীয়ে শৈক্ষিক সমাজখনত ব্যাপক পৰিৱৰ্তনৰ প্ৰভাৱ পেলাইছে। সেয়ে আজিৰ শিক্ষাৰ্থীসকলক কাৰিকৰী প্ৰশিক্ষণৰ নিতান্তই প্ৰয়োজন। ব্যৱহাৰিক তথা কাৰিকৰী শিক্ষাইহে দেশৰ যুৱক-যুৱতীক সুযোগ প্ৰদান কৰিব। আমি উন্নত দেশবোৰৰ দৰে শিক্ষাতকৈ শিক্ষাৰ প্ৰয়োগক অত্যন্ত গুৰুত্ব আৰোপ কৰিব লাগিব বুলি অধ্যাপক ড° কুমাৰে ভাষণ প্ৰসংগত উল্লেখ কৰে। বিশ্বৰ উন্নত দেশবোৰৰ নতুন নতুন প্ৰযুক্তিৰ লগত আমাৰ নৱ প্ৰজন্মই চিনাকি হ'ব লাগিব। যি সকলে বৰ্তমানৰ পৰিৱৰ্তনশীল সমাজৰ লগত নিজকে খোজ মিলাব নোৱাৰে সেইসকল সমাজৰ পৰা অপ্ৰাসংগিক হৈ পৰে। সেয়ে সময়ৰ লগত আমি পৰিৱৰ্তন হ'বলৈ শিক্ষিত আৰু জ্ঞানী হ'ব লাগিব বুলি গুৰুত্ব সহকাৰে উল্লেখ কৰে। টংলা মহাবিদ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত কৰ্মশালাখন সঞ্চালনা কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰসেন দৈমাৰীয়ে। টংলা মহাবিদ্যালয়ৰ অধ্যাপক ড০ কৈলাশ গোস্বামীয়ে আদৰণি ভাষণ প্ৰদান কৰা শৈক্ষিক কৰ্মশালাখন উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যাপক তথা আইকিউএচিৰ সমন্বয়ক মিণ্টু পাঠকে। উদ্বোধনী ভাষণত মিণ্টু পাঠকে কয় যে আজিৰ যুৱক-যুৱতীসকলৰ চিন্তা সদায় পৰিৱৰ্তন আৰু অধিকাৰ সম্পৰ্কত হ'ব লাগে। তেতিয়াহে দেশৰ উন্নতিৰ পৰা উন্নতিৰ প্ৰযুক্তিৰ প্ৰসাৰ লক্ষ্যণীয় হ'ব। সহকাৰী অধ্যাপক সন্দীপ কুমাৰ ৰয়ে উদ্দেশ্য ব্যাখ্যা কৰা কৰ্মশালাত মহাবিদ্যালয়খনৰ জ্যেষ্ঠ, কনিষ্ঠ অধ্যাপক আৰু পাঁচ শতাধিক শিক্ষাৰ্থী উপস্থিত থাকে।

**পকীঘৰ ভাঙি নিৰাপদ স্থানলৈ ঢাপলি মেলিছে নৈপৰীয়া ৰাইজে**

# মিছামাৰীৰ গাভৰু নৈৰ বুকুত জাহ গ'ল পাঁচটাকৈ বাসগৃহ

অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ২৪ জুন ঃ** চুবুৰীয়া ৰাজ্য অৰুণাচল পাদদেশৰ পৰা বৈ অহা খৰস্ৰোতা গাভৰু নদীখনে ব্যাপক খহনীয়াৰ সৃষ্টি কৰি নৈপৰীয়া ৰাইজৰ বিস্তৰ ক্ষতিসাধন কৰি অহাৰ পাছতো ৰাজ্য চৰকাৰৰ বিয়াগোম জলসম্পদ বিভাগটোৱে নৈখনত ভয়াৱহ খহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰত কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ পুনৰ উত্থাপিত হৈছে। নৈখনৰ বুকুত মিছামাৰীৰ বঙালগাঁও আৰু থেকেৰাজুলি গাঁৱৰ বহু লোকৰ মাটি-ভেটি আৰু কৃষক ৰাইজৰ শ শ বিঘা কৃষিভূমি জাহ গ'ল। শেহতীয়াকৈ নৈখনৰ বুকুত তিনিটা পৰিয়ালৰ মাটি-ভেটি সম্পূৰ্ণভাৱে জাহ গ'ল। অতি পৰিতাপৰ বিষয় যে দৰিদ্ৰ ৰাইজে লাভ কৰা প্ৰধানমন্ত্ৰী আৱাস গৃহ আজি নৈৰ বুকুত জাহ গ'ল। নৈপৰীয়া একাংশ ৰাইজে উপায়বিহীন হৈ নিজে সাজি লোৱা পকী গৃহ যোৱা ২১ জুনৰ নিজ হাতেৰে ভাঙি নিৰাপদ স্থানলৈ যাবলৈ বাধ্য হয়। নৈখনত



তাৎক্ষণিকভাৱে ৰাজ্য চৰকাৰে খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা নকৰাত খহনীয়াই কালৰূপ ধাৰণ কৰি আছে। এই সন্দৰ্ভত বাঁহবেৰা গাঁও পঞ্চায়তৰ সভাপতি নজৰুল হক আৰু বঙালগাঁৱৰ ৱাৰ্ড সদস্য নাছিম আনচাৰীয়ে 'দৈনিক অগ্ৰদূত'ক জানিবলৈ দিয়ে যে গাভৰু নৈখনে বঙালগাঁৱৰ বহু পৰিয়াললৈ চৰম ভাবুকি কঢ়িয়াই আনিছে। ইতিমধ্যে নৈপৰীয়া কে'বাটাও পৰিয়ালৰ মাটি ভেটি উছন হ'ল। নৈখনৰ বুকুত আমিৰুণ নেচা, আলালউদ্দিন, আলাম আলী, চফিকুল আলী আৰু জৰুৰা খাতুনৰ বাসগৃহকেইটা সম্পূৰ্ণভাৱে জাহ যোৱাৰ তথ্য সদৰী কৰে। মিৰাজ আলী, আবাছউদ্দিন, ছিদ্দিক আলীৰ বাসগৃহকেইটাৰ প্ৰতিও চৰম ভাবুকি কঢ়িয়াই আনিছে। লগতে সভাপতি আৰু ৱাৰ্ড সদস্যজনে কয় যে কৃষক আৰু সৰ্বসাধাৰণ ৰাইজৰ মৰমৰ ঘৰখন আৰু কৃষি ভূমি গাভৰু নৈখনৰ বুকুত জাহ যোৱাৰ ফলত আজি সৰ্বস্বান্ত হৈ পৰিছে। গাভৰু নদীখনে সৃষ্টি কৰা খহনীয়াৰ ফলত মিছামাৰীৰ শিয়ালমাৰী, বঙাইলগাঁও আৰু থেকেৰাজুলি গাঁৱৰ বহু লোকৰ মাটি-ভেটি আৰু কৃষক ৰাইজৰ কৃষিভূমি নৈখনৰ বুকুত জাহ গ'ল। যদি বিজেপি চৰকাৰখনৰ বিয়াগোম জলসম্পদ বিভাগটোৱে নৈখনত শীঘ্ৰেই খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ নকৰে তেতিয়াহ'লে মিছামাৰী-ঠেলামৰা সংযোগী অতি গুৰুত্বপূৰ্ণ গড়কাপ্তানী পথছোৱাৰ প্ৰতিও চৰম ভাবুকি কঢ়িয়াই আনিব। প্ৰাকৃতিক দুৰ্যোগৰ ফলত ৰাজ্যখনৰ কে'বাটাও বাট-পথৰ যোগাযোগ বিচ্ছিন্ন হোৱাৰ সময়ত যদি উক্ত পথছোৱা নৈখনৰ বাঢ়নী পানীয়ে খহাই লৈ যায় তেতিয়াহ'লে বিশেষকৈ মিছামাৰীস্থিত ভাৰতীয় সেনা ছাউনী, ভাৰতীয় তেল নিগম আৰু কে'বাখনো গাঁৱৰ স'তে যোগাযোগ বিচ্ছিন্ন হৈ পৰিব। ইফালে, নৈখনৰ খহনীয়াত থেকেৰাজুলি প্ৰাথমিক বিদ্যালয় আৰু ৰাধা-কৃষ্ণ নামৰ ধৰ্মীয় অনুষ্ঠানটোৰ প্ৰতিও চৰম ভাবুকি কঢ়িয়াই অনাৰ কথা তেওঁলোকে জানিবলৈ দিয়ে। মিছামাৰীৰ বঙালগাঁৱত খহনীয়াৰ প্ৰতিৰোধৰ ক্ষেত্ৰত কোন এখন চৰকাৰে আজিলৈকে স্থায়ী পদক্ষেপ নোলোৱাৰ আন এক অভিযোগ উঠিছে। কেৱল নিৰ্বাচনৰ সময়ত ৰাজনৈতিক দলৰ একাংশ নেতাসকলে ভোট লাভৰ স্বাৰ্থত খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা লোৱাৰ প্ৰতিশ্ৰুতি দি নিৰ্বাচনী বৈতৰণী পাৰ কৰিছে।

**কলিয়াবৰৰ হাতীমূৰাক সংৰক্ষিত বনাঞ্চল ঘোষণাৰ যো-জা**

# হাতীমূৰা জনাঞ্চলক বনাঞ্চল ঘোষণাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ ৰাইজৰ

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২৪ জুন ঃ** জনাঞ্চলক বনাঞ্চল ঘোষণাৰ যো-জা চলোৱাৰ বিৰুদ্ধে আজি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে কলিয়াবৰত। কলিয়াবৰৰ হাতীমূৰাক সংৰক্ষিত বনাঞ্চল ঘোষণাৰ বিৰুদ্ধে ওলাই আহে হাতীমূৰা, জখলাবন্ধা, কেৰি বাকৰিৰ জনসাধাৰণ। আজিৰ দিনটোতে চৰকাৰৰ এনে নীতিৰ বিৰুদ্ধে কলিয়াবৰৰ জখলাবন্ধাত ৰাজহুৱা প্ৰতিবাদ সাব্যস্ত কৰে ৰাইজে। হাতীমূৰা অঞ্চলক সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণাৰ যো-জা চলোৱাৰ বিৰুদ্ধেই জনসাধাৰণে সাব্যস্ত কৰিছে এই প্ৰতিবাদ। উল্লেখ্য যে আজি জখলাবন্ধা গাঁও পঞ্চায়তৰ কাৰ্যালয়ত হাতীমূৰাক সংৰক্ষিত বনাঞ্চল কৰাৰ প্ৰসংগত আয়োজন কৰিছিল এক ৰাজহুৱা শুনানী। এই ৰাজহুৱা শুনানিৰ সময়তে হাতে-হাতে প্লেকাৰ্ড লৈ শ্ল'গান দি ৰাইজে সাব্যস্ত কৰিলে প্ৰতিবাদ। ঐতিহ্যমণ্ডিত হাতীমূৰা অঞ্চলক বনাঞ্চল ঘোষণা নকৰাৰ দাবীত



সমদল উলিয়াই প্ৰতিবাদ কৰিলে স্থানীয় শতাধিক ৰাইজে। উল্লেখ্য যে হাতীমূৰাৰ প্ৰস্তাবিত সংৰক্ষিত বনাঞ্চলসমূহক সংৰক্ষিত বনাঞ্চললৈ উন্নীতকৰণৰ বাবে ৰাজহুৱা শুনানি আহ্বান কৰি কলিয়াবৰ ৰাজহ চক্ৰ বিষয়াই যোৱা ১৩ জুনত জাননী জাৰি কৰিছিল। আজি এই ৰাজহুৱা শুনানিৰ সময়তে এনেদৰে হাতীমূৰাক সংৰক্ষিত বনাঞ্চললৈ উন্নীতকৰণৰ প্ৰস্তাৱ উঠাই লোৱাৰ দাবীত প্ৰতিবাদ কৰিবলৈ ওলাই আহিল স্থানীয় ৰাইজ। যুগ যুগ ধৰি প্ৰকৃতি আৰু বন্যপ্ৰাণীৰ লগত সহৱস্থান কৰা স্থানীয় ৰাইজৰ জীৱন-জীৱিকাৰ প্ৰতি সংৰক্ষিত বনাঞ্চলৰ পৰিকাঠামোৱে অন্ধকাৰ নমাই অনাৰ শংকা প্ৰকাশ কৰিছে প্ৰতিবাদকাৰীসকলে। আছু, আছা, আটছা, চাহ মজদুৰ সংঘ আদি দল-সংগঠনৰ নেতাই চৰকাৰক জনবিৰোধী সিদ্ধান্ত পৰিহাৰ কৰিবলৈ দাবী জনাইছে। ইমানতে হাতীমূৰাক সংৰক্ষিত বনাঞ্চলৰ চিন্তাৰ ইতি পেলাবলৈ চৰকাৰক দাবী জনাইছে জনসাধাৰণে।

## প্ৰতিমা মহন্তৰ মৃত্যুক শোক

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ২৪ জুন ঃ** ইয়াৰ ঢেকিয়াজুলি কঁহাৰ গাঁৱৰ শ্ৰীশ্ৰী কাংসপাৰ সত্ৰৰ ডেকা সত্ৰীয় অৱসৰপ্ৰাপ্ত শিক্ষক গজেন্দ্ৰ নাথ মহন্তৰ সহধৰ্মিণী প্ৰতিমা মহন্ত (৬২)ৰ আজি দিনৰ ১২.৪৫ বজাত যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হোৱাত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। অমায়িক মহিলাগৰাকীয়ে দীৰ্ঘদিন হাপানী ৰোগত আক্ৰান্ত হৈ আছিল। মৃত্যুৰ সময়ত তেওঁ স্বামী, পুত্ৰ-বোৱাৰী, জী-জোঁৱাই, নাতি, বংশ, পৰিয়াল ইহসংসাৰত এৰি যায়।

**নিশাৰ ভিতৰতে ভাঙিলে ২৫ টা পৰিয়ালৰ ঘৰ ধান-চাউল খাই নষ্ট ঃ ৰাইজৰ মাজত আতংক**

## গোসাঁইগাঁৱৰ সত্যপুৰত বন্যহস্তীৰ সন্ত্ৰাস

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২৪ জুন ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ বিভিন্ন অঞ্চলত দীৰ্ঘ দিনৰ পৰা চলিছে বন্যহস্তীৰ তাণ্ডৱ শেহতীয়াকৈ যোৱা নিশা গোসাঁইগাঁও মহকুমাৰ সত্যপুৰত চলিছে বন্যহস্তীৰ সন্ত্ৰাস। নিশাৰ ভিতৰতে ২৫ টা পৰিয়ালৰ ঘৰ ভাঙি তছ্নচ কৰি ঘৰত থকা ধান-চাউল খাই নষ্ট কৰিছে বন্যহস্তীৰ দলটোৱে। হাতীৰ তাণ্ডৱত উজাগৰী নিশা কটাইছে অঞ্চলটোৰ বহুতো পৰিয়ালে। গোসাঁইগাঁও মহকুমাৰ বৰবাধা ৰেঞ্জৰ বৰবিল বন গাঁও, পানবাৰী আৰু শ্যামাইঝোৰা গাঁৱত নিশা বন্যহস্তীৰ এটা জাকে ওৰে নিশা সন্ত্ৰাস চলায়। হাতীৰ জাকটো গাঁওখনৰ প্ৰৱেশ কৰি ঘৰ-দুৱাৰ ভাঙি তহিলং কৰে যদিও হাতীৰ আক্ৰমণৰ পৰা কথমপি ৰক্ষা পৰে পৰিয়ালসমূহ। ঘটনাৰ খবৰ পাই আজি পশ্চিম কোকৰাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ৰবিৰাম নাৰ্জাৰী, বৰবাধা ৰেঞ্জৰ বন বিষয়াৰ স'তে ক্ষতিগ্ৰস্ত অঞ্চলসমূহত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। সন্ত্ৰাসৰ সৃষ্টি কৰা হাতীৰ জাকটোক বনাঞ্চলত খেদি পঠিওৱাৰ বাবে বন বিভাগলৈ আহ্বান জনায় বিধায়ক নাৰ্জাৰীয়ে।

## এজনীয়া শিক্ষকৰে চলিছে চন্দ্ৰপুৰ প্ৰাথমিক বিদ্যালয়

**শীঘ্ৰে আৰু এগৰাকী শিক্ষক নিযুক্তিৰ দাবী ৰাইজৰ**

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ২৪ জুন ঃ** ভৱিষ্যত গঢ়াৰ কঠিয়াতলিত যদি সম্পূৰ্ণ সা-সুবিধাৰ অভাৱ থাকে তেন্তে সেই অৱস্থাৰ পৰা ভৱিষ্যত গঢ়াৰ ভেটিটো সবল হ'বনে ? কণ কণ ল'ৰা-ছোৱালীক প্ৰাথমিক বিদ্যালয়ত গুণগত শিক্ষা প্ৰদান কৰিব নোৱাৰিলে অদূৰ ভৱিষ্যতত একোজন সফল শিক্ষাৰ্থীৰূপে গঢ়ি তোলা স্বাভাৱিকতে যে কঠিন সেয়া বাস্তৱ সত্য । কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও শিক্ষা খণ্ডৰ অন্তৰ্গত চন্দ্ৰপুৰ প্ৰাথমিক বিদ্যালয়খনত সম্প্ৰতি মাথোঁ এগৰাকী শিক্ষয়িত্ৰীয়ে পাঠদান কৰি থকাৰ বাতৰি পোহৰলৈ আহিছে। ফলত প্ৰয়োজনীয় শিক্ষকৰ অভাৱত বিদ্যালয়খনৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলে অসম্পূৰ্ণভাৱে জীৱনৰ আদিপাঠ গ্ৰহণ কৰিবলগীয়া হৈছে । ছাত্ৰ-ছাত্ৰীৰ অনুপাত বিষয়টো নস্যাৎ কৰি বিদ্যালয়খনৰ ৭০ গৰাকী ছাত্ৰ-ছাত্ৰীক কেৱল এগৰাকী শিক্ষয়িত্ৰীয়ে পাঠদান কৰি জানো সফল শিক্ষাৰ্থীৰূপে গঢ়ি তুলিব পাৰিব ? এই প্ৰশ্ন সংশ্লিষ্ট বিদ্যালয়খনৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ মুখে মুখে। ১৯৮৭ত গোসাঁইগাঁও মহকুমাৰ চাওতাল কল'নীৰ অন্তৰ্গত চন্দ্ৰপুৰ নামৰ গাঁওখনৰ ৰাইজে বিশেষকৈ গাঁওখনৰ লগতে দাঁতি-কাষৰীয়া অঞ্চলৰ দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ পোহৰেৰে আলোকিত কৰাৰ এক মহান উদ্দেশ্য লৈ জীৱনৰ আদিপাঠ গ্ৰহণৰ বাট মোকলাই দিয়াৰ বাবে চন্দ্ৰপুৰ প্ৰাথমিক বিদ্যালয়খন স্থাপন কৰিছিল। সুদীৰ্ঘকাল অপ্ৰাদেশিকীকৰণ হৈ থকাৰ অন্তত বিগত ২০১৩ত বিদ্যালয়খন প্ৰাদেশীকৃত হয়। কিন্তু অতি দুৰ্ভাগ্যজনক বিষয় যে বিদ্যালয়খনত প্ৰয়োজনীয় ডেস্ক-বেঞ্চৰ অভাৱত সম্প্ৰতি মজিয়াত বহি ছাত্ৰ- ছাত্ৰীসকলে শিক্ষা গ্ৰহণ কৰিবলগীয়া হৈছে। অতিৰিক্ত বৰষুণ দিলেই বিদ্যালয়খনৰ খেলপথাৰত পানী জমা হয়। ২০২০ৰ ডিচেম্বৰত বিদ্যালয়খনৰ প্ৰধান শিক্ষকজন অৱসৰ গ্ৰহণ কৰাৰ পাছৰ পৰাই বিদ্যালয়খনত অদ্যাপি আন শিক্ষক নিয়োজিত নকৰাত মাত্ৰ এগৰাকী শিক্ষয়িত্ৰীয়ে অকলে পাঠদান কৰিবলগীয়া হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ স্বাৰ্থত কমপক্ষেও আৰু এগৰাকী শিক্ষক নিযুক্তি দিবলৈ অঞ্চলবাসীয়ে বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।

## কচুপথাৰ হেলচীত পুখুৰীত জাঁপ দি মহিলাৰ আত্মহনন

অঞ্চলজুৰি প্ৰতিক্ৰিয়া

**খুমটাই, ২৪ জুন ঃ** খুমটাই আৰক্ষী চকীৰ অন্তৰ্গত কচুপথাৰত এগৰাকী মহিলাই নিজবাৰীত থকা এটা পুখুৰীত জাঁপ দি আত্মহননৰ দৰে চৰম পথ বাছি লয়। উল্লেখ্য যে ভনিমাই নাগবংশী (৩৫) নামৰ মহিলাগৰাকীয়ে কালি চাহ বাগিচাত কাম কৰি ঘৰলৈ আহি নিজ ঘৰতে চুলাই মদ সেৱন কৰি হিতাহিত জ্ঞান হেৰুৱাই ঘৰৰ কাষতে থকা পুখুৰীত জাঁপ দিয়া বুলি সংবাদ মাধ্যমৰ আগত সদৰী কৰিছে তেওঁৰ কন্যা আৰু স্বামীয়ে। ইফালে নিশা ভনিমাই নাগবংশীৰ মৃতদেহ পুখুৰীৰ পৰা উদ্ধাৰ কৰিব নোৱাৰি স্থানীয় গাঁওপ্ৰধানক অৱগত কৰাত আজি পুৱা গাঁওপ্ৰধান উমাকান্ত মাহত্বই আৰক্ষীক খবৰ দিয়ে। পুৱা খুমটাই আৰু কমাৰগাঁও আৰক্ষী উপস্থিত হৈ এছডিআৰএফ বাহিনীক খবৰ দিয়াত প্ৰায় ১১-৩০ বজাত যোৰহাটৰ পৰা অহা এছডিআৰএফৰ দলে পুখুৰীটোৰ পৰা মহিলাগৰাকীৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইতিমধ্যেই মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাটলৈ প্ৰেৰণ কৰিছে আৰক্ষীয়ে।

# আলু বিক্ৰী কৰা ধনক লৈ বৰপেটাৰ সুখোৱাৰঝাৰত দুই পক্ষৰ মাৰপিট



**আলোপতি, ২৪ জুন ঃ** আলু বিক্ৰী কৰি পাবলগীয়া ধনক কেন্দ্ৰ কৰি কালি বৰপেটা জিলাৰ আলোপতি আৰক্ষী থানাৰ অন্তৰ্গত সুখোৱাৰঝাৰ বজাৰত দুই ফৈদৰ মাজত মাৰপিটৰ ঘটনা সংঘটিত হয়। তথ্য মতে, সুখোৱাৰঝাৰ গাঁৱৰ আছুৰুদ্দিন নামৰ কৃষকজনে প্ৰায় চাৰিমাহ পূৰ্বে শিমলীতোলা বজাৰত আলু বিক্ৰী কৰিবলৈ যায়। কৃষকজনে আলু বিক্ৰী কৰি পাবলগীয়া টকা বেপাৰীয়ে আদায় দিব নোৱাৰাত একেখন গাঁৱৰ নবাই আলীয়ে টকা আদায় কৰি দিয়াৰ দায়িত্ব লয়। চাৰিমাহে আছুৰুদ্দিনে টকা নোপোৱাত কালি সুখোৱাৰঝাৰ বজাৰত নবাই আলীক টকা আদায় দিবলৈ কোৱাত দুয়োজনৰ মাজত তৰ্কাতৰ্কি লাগে। পাছত নবাইৰ আত্মীয় আব্দুল বাৰেকে আছুৰুদ্দিন নামৰ বৃদ্ধ কৃষকজনক মাৰধৰ কৰে। আছুৰুদ্দিনৰ জোঁৱায়েকে বাধা দিয়াত তেওঁকো মাৰপিট কৰে। ঘটনাটো

### কে'বাজনো আহত, থানাত গোচৰ

মীমাংসাৰ বাবে একাংশ যুৱকে আগভাগ লয় যদিও নবাইৰ আত্মীয়সকলে তেওঁলোককো মাৰপিট কৰাৰ অভিযোগ উঠিছে। দুই পক্ষৰ মাৰপিটত হায়জল আলী (৫০), ৰাইজুদ্দিন (১৯), আছুৰুদ্দিন (৬৫), মাহা আলম (২৫), কবিৰ আলী (২৪), বাদশা মিঞা (২৬), মহৰ আলী (২১) আৰু আয়ুব আলী আহত হয়। আহত আটাইকেইজনক আলোপতি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰাই চিকিৎসা প্ৰদান কৰে। অভিযোগ মতে, আছুৰুদ্দিন নামৰ দৰিদ্ৰ কৃষকজনৰ লগতে তেওঁৰ আত্মীয়সকলক অন্যায়ভাৱে নবাইৰ পক্ষৰ আব্দুল বাৰেক, হাশেক আলী, কবিৰ আলী, ভুট্টো, বাদশা আলী আৰু নবায়ে মাৰপিট কৰে। ঘটনা সন্দৰ্ভত আলোপতি আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। ভুক্তভোগীয়ে।

## বৰপাল্লীত পকী দলঙৰ দুয়োপাৰৰ এপ্ৰোচ খহি যাতায়াত বিঘ্নিত

**মন্দিয়া, ২৪ জুন ঃ** ৰাজ্যখনত অব্যাহত থকা ভয়াৱহ বানপানীৰ তাণ্ডৱৰ ফলত বৰপেটা জিলাৰ দক্ষিণ অঞ্চলতো সৰ্বসাধাৰণ ৰাইজে বিস্তৰ ক্ষতিৰ সন্মুখীন হ'বলগীয়াত পৰিছে। বানপানীৰ প্ৰচণ্ড সোঁতে বৰপেটা-মন্দিয়া গড়কাপ্টানী পথৰ ভাতকুছিত অৱস্থিত পকী দলঙখনৰ দুয়োপাৰৰ এপ্ৰোচৰ মাটি খহি যোৱাত দলংখন বিচ্ছিন্ন হৈ পৰাত যাতায়াতৰ ক্ষেত্ৰত দক্ষিণ-পশ্চিম বৰপেটাৰ ৰাইজে যাতায়াতৰ ক্ষেত্ৰত যমৰ যাতনা ভুগিবলগীয়াত পৰিছে। স্থানীয় সচেতন যুৱকে দলংখনৰ দুয়োপাৰে চাৰিডালকৈ বাঁহ পেলাই দিয়াত অতি বিপদসংকুলভাৱে মহিলা-শিশুসহ সৰ্বসাধাৰণ ৰাইজ যাতায়াত কৰি আছে। বৰপেটা জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূষালে আজিও উক্ত বাঁহৰ



ওপৰেদি পাৰ হৈ যায়। বাঘবৰ আৰু জনীয়া সমষ্টিৰ হেজাৰ হেজাৰ মানুহ উক্ত ব্যস্ত পথেদি নিতৌ যাতায়াত কৰে যদিও আজিলৈকে উক্ত দলঙৰ এপ্ৰোচ পুনৰ নিৰ্মাণৰ উমঘামেই নাই। উক্ত দলংখনৰ দুয়োপাৰৰ এপ্ৰোচত আৰ্মি দলং দি যাতায়াতৰ ক্ষেত্ৰত চৰম দুৰ্ভোগ ভুগি থকা অঞ্চলবাসী বানাক্ৰান্ত ৰাইজক সকাহ দিবলৈ জনীয়া জিলা পৰিষদৰ সদস্য এম হাবিবুল্লাহ আৰু ভাতকুছি গাঁও পঞ্চায়তৰ সভাপতি আব্দুৰ ৰৌফৰ লগতে ভুক্তভোগী ৰাইজে সংশ্লিষ্ট বিভাগীয় ঊৰ্দ্ধতন কৰ্তৃপক্ষক দাবী জনোৱাৰ লগতে বৰপেটা জিলা উপায়ুক্তৰ দৃষ্টি আকৰ্ষণ কৰিছে।

**কোকৰাঝাৰৰ নতুন আৱৰ্ত ভৱনৰ জৰীপক লৈ প্ৰতিক্ৰিয়া**

# ৰাইজৰ আপত্তি, চান্দামাৰিৰ ৰাইজৰ মাটিত আৱৰ্ত ভৱন নিৰ্মাণ কৰিবলৈ দিয়া নহ'ব

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ২৪ জুন ঃ** অসম চৰকাৰৰ মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ এক নিৰ্দেশনাপত্ৰযোগে কোকৰাঝাৰ চহৰৰ গৌৰং নৈৰ উত্তৰ পাৰৰ চান্দামাৰিত কোকৰাঝাৰ জিলাৰ নতুন আৱৰ্ত ভৱন নিৰ্মাণৰ উদ্দেশ্যেৰে ভূমি অধিগ্ৰহণৰ বাবে জিলা প্ৰশাসনৰ হৈ ৰাজহ বিভাগে জৰীপ চলোৱাৰ পাছত উক্ত স্থানত মাটি থকা বহু পৰিয়ালৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এক বিশেষ সূত্ৰৰ পৰা লাভ কৰা তথ্য অনুসৰি মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ তৰফৰ পৰা চান্দামাৰিত নতুন আৱৰ্ত ভৱন নিৰ্মাণৰ বাবে প্ৰায় ৩১ বিঘা মাটি জৰীপ কৰিছে। তাকে লৈ বড়ো ভাটাৰমাৰি গাঁওবাসীৰ আপত্তি সংবাদ মাধ্যমৰ আগত স্থানীয় বাসিন্দাসকলে চান্দামাৰিত আৱৰ্ত ভৱন নিৰ্মাণ কৰিব বিচৰা সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰি কয় যে ৰাজ্যখনৰ ট্ৰাইবেল বেল্ট আৰু ব্লকৰ ভূমিত চৰকাৰে কেনেকৈ আৱৰ্ত ভৱন বনাব পাৰে। তদুপৰি, বহু পৰিয়ালে উক্ত ভূমিখণ্ডৰ বিগত প্ৰায় ৫০-৬০ বছৰ ধৰি খেতি-বাতি কৰি বসবাস কৰি আছে। গতিকে ৰাজ্য চৰকাৰৰ সিদ্ধান্তক ৰাইজে কেতিয়াও মানি নলয় আৰু তাৰ বিৰুদ্ধে প্ৰতিবাদ কৰি যোৱাৰ লগতে প্ৰয়োজনত আন্দোলন কৰিবলৈ বাধ্য হ'ব বুলি সকীয়াই দিছে।

## ঘগ্ৰাপাৰৰ বালিতাৰাত ডিআই বাহন চুৰি

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৪ জুন ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অন্তৰ্গত বালিতাৰা গাঁৱৰ পৰা এখন সদ্য ক্ৰয় কৰা বিলাসী বাহন চুৰি হোৱা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তথ্য অনুসৰি, নলবাৰী জিলাৰ অন্তৰ্গত মহিনা গাঁৱৰ বিদ্যুৎ বৈশ্যই মাত্ৰ কেইমাহ মান আগতে ক্ৰয় কৰা এএছ-১৪ এচি-১৬৯৯ নম্বৰৰ মালবাহী ডিআই বাহনখন, বাহনখনৰ চালক বালিতাৰাৰ ধ্ৰুৱ হালৈৰ ঘৰ পৰা যোৱা নিশা দুৰ্বৃত্তই চুৰ কৰি লৈ যায়। পুৱতি নিশা ২.৩৫ বজাত বাইহাটা চাৰিআলিৰ মদনপুৰ টোলগেট অতিক্ৰম কৰি প্ৰায় এঘন্টাৰ পাছত সোণাপুৰ টোলগেট অতিক্ৰম কৰাৰ তথ্য ফাষ্টটেগৰ জৰিয়তে কৰ কৰ্তনৰ তথ্য গাড়ীখনৰ গৰাকী বিদ্যুৎ বৈশ্যৰ ম'বাইলত বাৰ্তা আহে। সোণাপুৰৰ পাছৰে পৰা এতিয়ালৈকে গাড়ীখনৰ কোনো শুংসূত্ৰ বিচাৰি পোৱা নাই। ইতিমধ্যেই গাড়ীখনৰ গৰাকী বৈশ্যই ঘটনা সন্দৰ্ভত ঘগ্ৰাপাৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে।

## শিক্ষক মানস প্ৰতীম বৰাৰ স্মৃতিত গ্ৰন্থদান কাৰ্যক্ৰম সম্পন্ন



অগ্ৰদূত বাৰ্তা

**জাঁজী, ২৪ জুন ঃ** যোৰহাট জিলাৰ টীয়ক বাম গুৱাল গাঁৱৰ উদীয়মান যুৱক তথা ধেমাজি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক মানস প্ৰতীম বৰাৰ পবিত্ৰ স্মৃতিত পৰিয়ালবৰ্গৰ উদ্যোগত আজি টীয়ক উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ত এটি গ্ৰন্থদান অনুষ্ঠান অনুষ্ঠিত হয়। বিদ্যালয়ৰ প্ৰাতঃসভাৰ লগত সংগতি ৰাখি অনুষ্ঠিত গ্ৰন্থদান কাৰ্যক্ৰমৰ আঁত ধৰে চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়কৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° জয়ন্ত পাঠকে। টীয়ক উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ পুথিভঁৰাললৈ অধ্যক্ষ ৰাজু কুমাৰ শইকীয়াৰ হাতত গ্ৰন্থৰ টোপোলা অৰ্পণ কৰে শিক্ষক মানস প্ৰতীম বৰাৰ পিতৃ, লাহিং গ্ৰান্ট উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা আমগুৰিস্থিত নেছনেল একাডেমীৰ বৰ্তমানৰ অধ্যক্ষ তৰুণ বৰাই। গ্ৰন্থৰ টোপোলা গ্ৰহণ কৰি বিদ্যালয়খনৰ অধ্যক্ষ ৰাজু কুমাৰ শইকীয়াই মানস প্ৰতীম বৰাৰ স্মৃতি সজীৱ কৰিবলৈ পিতৃ তৰুণ বৰাই লোৱা প্ৰচেষ্টাৰ শলাগ লয়। লগতে তেওঁ কয় যে মানস প্ৰতীম বৰাৰ দৰে প্ৰতিভাবান যুৱক তথা শিক্ষকৰ অকাল মৃত্যু সমাজৰ বাবে অপূৰণীয় ক্ষতি। বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত সম্পন্ন হোৱা অনুষ্ঠানত ড° জয়ন্ত পাঠকে মানস প্ৰতীম বৰাৰ জীৱন পৰিক্ৰমাৰ চমু আভাস দাঙি ধৰে। উল্লেখ্য যে ২০২১ৰ আজিৰ দিনটোতে এক দুৰ্ঘটনাত উদ্যোগী শিক্ষক বৰাৰ অকাল মৃত্যু হৈছিল।

**ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ ৮১ খন গাঁৱত বানাক্ৰান্তৰ মাজত সাহায্য**

# কঠীয়া বিচাৰি কৃষকে মূৰে-কপালে হাত



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৪ জুন ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বানাক্ৰান্ত ৰাইজৰ লগতে পশুখাদ্য, শিশু খাদ্য আদিৰ যাতে কোনো ধৰণৰ নাটনি নহয় তাৰ বাবে জিলা উপায়ুক্ত, স্থানীয় ৰাজহ চক্ৰ বিষয়াসকলক চোকা নজৰ ৰাখিবলৈ নিৰ্দেশ দিয়াৰ লগতে বান সাহায্য প্ৰদানৰো নিৰ্দেশ দিছে। উল্লেখ্য যে নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ৮১ খন গাঁৱৰ প্ৰায় ৫৮,২১৪ গৰাকী লোকৰ মাজত বান সাহায্য প্ৰদানৰ দিহা কৰিছে। ইতিমধ্যে সংশ্লিষ্ট গাঁওসমূহৰ বানাক্ৰান্তসকল যাতে কোনো কাৰণে খাদ্য-সামগ্ৰীকে ধৰি ঔষধ-পাতি, পশুখাদ্য, শিশু খাদ্য আদিৰ নাটনিত নপৰে তাৰ বাবে নলবাৰীৰ বিধায়ক তথা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই বিশেষ তৎপৰতা অৱলম্বন কৰাৰ লগতে স্থানীয় প্ৰশাসন আৰু দলীয় কাৰ্যকৰ্তাক চোকা নিৰ্দেশ দিয়ে। ইতিমধ্যে চৰকাৰ পক্ষই যোগান ধৰা খাদ্য সামগ্ৰী, পশুখাদ্য আদি সময়মতে যোগান ধৰি অহা বুলি ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মনীষা কলিতাই জানিবলৈ দিয়ে। ইতিমধ্যে বিগত কিছুদিনত পশুপালকসকলক সকাহ দিয়াৰ উদ্দেশ্যে ঘগ্ৰাপাৰ হাইৱে চ'কৰ সমীপত এটা গৃহত পশুখাদ্য মজুত কৰি ইতিমধ্যে গাড়ীয়ে গাড়ীয়ে পশুধনৰ বাবে পশুখাদ্য চক্ৰ বিষয়াৰ তৎপৰতাত ৰাজহ চক্ৰৰ অন্তৰ্গত ৮১ খন গাঁৱলৈ পঠোৱাৰ ব্যৱস্থা কৰাৰ উপৰি ৰাজহ চক্ৰটোৰ সংশ্লিষ্ট গাঁৱৰ প্ৰায় ৮১ খন গাঁৱৰ ৫৮,২১৪ জন বানাক্ৰান্তৰ মাজত চাউল, দাইল, মিঠাতেল, নিমখ আদি বিতৰণৰ ব্যৱস্থা অব্যাহত ৰাখিছে। চক্ৰ বিষয়া মনীষা কলিতাৰ তৎপৰতাত স্থানীয় সাহায্য বিতৰণ ব্যৱস্থাৰ ক্ষেত্ৰত বিষয়া বনশ্ৰী বৰ্মন, জ্যেষ্ঠ মণ্ডল সতীশ মিশ্ৰ, লাট মণ্ডল ক্ৰমে ধ্ৰুৱ চৌধুৰী, ব্ৰজেন তালুকদাৰ, সঞ্জীৱ নাথ, খগেন কলিতা, নজৰুল হুছেইন আৰু গাঁও প্ৰধানৰ উপস্থিতিত বান সাহায্য বিতৰণ ব্যৱস্থা কৰি আহিছে। আজি এই উপলক্ষে ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ প্ৰায়সমূহ গাঁৱৰ লগতে বিলপাৰ, বাঘমাৰা, বুৰবুৰী আদি গাঁৱত গাঁও প্ৰধান, বুথ বিজেপিৰ সভাপতি আৰু কাৰ্যকৰ্তাৰ উপস্থিতিত বান সাহায্য চাউল, দাইল, মিঠাতেল, নিমখ আদি বিতৰণ কৰে। ইফালে, ৰাজহ চক্ৰটোৰ সংশ্লিষ্ট গাঁৱৰ বাট-পথ, মীনপালকৰ পুখুৰী বাঢ়নী পানীয়ে বুৰাই নিয়াৰ লগতে ৭২ খন ৰাজহ গাঁৱৰ কৃষক সমাজৰ কঠীয়া পানীত তল গৈ নষ্ট হোৱাত সম্প্ৰতি কৃষক সমাজৰ হাহাকাৰময় পৰিৱেশৰ সৃষ্টি হোৱাৰ উপৰি তেওঁলোকে কঠীয়া বিচাৰি মূৰে কপালে হাত দিয়া পৰিলক্ষিত হৈছে। পিছে এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লয় সেয়া লক্ষ্যণীয় হ'ব।

## মাজুলী বৰকলিয়াত পানীত পৰি শিশুৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২৪ জুন ঃ** মাজুলীৰ গড়মূৰ আৰক্ষী থানাৰ অন্তৰ্গত বৰকলিয়াৰ প্ৰদীপ নৰহ আৰু সংগীতা নৰহৰ দুই বছৰীয়া পুত্ৰ সন্তান ৰিয়ান নৰহৰ যোৱা ২২ জুনৰ বিয়লি ঘৰৰ পুখুৰীত পৰি মৃত্যুক সাবটি লয়। মাতৃ স্বাস্থ্যজনিত কাৰণত বিছনাত শুই থকাৰ অৱস্থাত এই কৰুণ ঘটনা সংঘটিত হয়। ঘৰখনৰ একমাত্ৰ সন্তান ৰিয়ান চোতালত খেলি আছিল আৰু সন্ধিয়ালৈ সন্তানক চোতালত নেদেখি বিচাৰ-খোচাৰ কৰিলতহে শিশুটিক পুখুৰীত ওপঙি থকা প্ৰত্যক্ষ কৰি পৰিয়ালৰ লোকে হুলস্থূলীয়া পৰিৱেশ সৃষ্টি কৰে। কণমানিটিৰ অকাল বিয়োগত বৰকলীয়াবাসী ম্ৰিয়মান হৈ পৰিছে।

## বৰপেটাত পুখুৰীত পৰি ছাত্ৰৰ কৰুণ মৃত্যু

বিশেষ সংবাদদাতা

**বৰপেটা, ২৪ জুন ঃ** বৰপেটাৰ সমীপৰ সুন্দৰীদিয়া পূবহাটী নিবাসী সত্যৰঞ্জন দাসৰ একমাত্ৰ পুত্ৰ আৰু বৰপেটা আৰ টি মডেল স্কুলৰ অষ্টম শ্ৰেণীৰ মেধাৱী ছাত্ৰ জ্যোতিৰ্ময় দাস (১৩)-এ আজি পুখুৰীত পৰি মৃত্যু মুখত পৰে। সাম্প্ৰতিক বানত বোকা-পানীৰে ঘৰ লেতেৰা হোৱাত ঘৰ চাফা কৰি থকা মাকক সহায় কৰি দিয়াৰ মানসেৰে খাললৈ পানী আনিবলৈ গৈ দিনৰ ১১-৩০ বজাৰ পৰা নিখোঁজ হৈছিল ছাত্ৰজন। বহু সময় ঘৰলৈ নহা দেখি মাতৃয়ে বিচাৰ-খোচাৰ লগোৱাত বহুলোক গোট খায়। পাছত ছাত্ৰজনৰ মৃতদেহ উদ্ধাৰ হোৱাত অঞ্চলটোত হুৱাদুৱা লাগে আৰু শোকৰ ছাঁ পৰে। মেধাৱী ছাত্ৰজনৰ অকাল বিয়োগত অসম জাতীয় পৰিষদৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক গোবিন্দ গায়ন, আছুৰ প্ৰাক্তন সতীৰ্থ সন্মিলন, বৰপেটা জিলা সমিতি, খিলঞ্জীয়া সুৰক্ষা বাহিনী, বৰপেটা জিলা সমিতিৰ লগতে স্থানীয় ৰাইজে গভীৰ দুখ প্ৰকাশ কৰিছে।

# অনূৰ্ধ্ব-১৭ মহিলা বিশ্বকাপৰ কঠিন গ্ৰুপত ভাৰত

## জুৰিখত ফিফাই ঘোষণা কৰিলে ক্ৰীড়াসূচী ঃ দেশৰ তিনি স্থানত অক্টোবৰত হ'ব খেল




**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৪ জুন ঃ** আগন্তুক ফিফাৰ ১৭ বছৰ অনূৰ্ধ্বৰ মহিলা ফিফাৰ ফুটবল বিশ্বকাপৰ কঠিন গ্ৰুপত স্থান পালে আয়োজক ভাৰতে। আজি জুৰিখত ফিফাই অহা অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া বিশ্বকাপৰ গ্ৰুপ বিন্যাস আৰু ক্ৰীড়াসূচী ঘোষণা কৰে। আয়োজক দেশৰূপে 'এ' গ্ৰুপত স্থান পাইছে ভাৰতে। অৱশ্যে গ্ৰুপত ভাৰতৰ ছোৱালী দলটোৰ প্ৰতিপক্ষ হ'ব ব্ৰাজিল, আমেৰিকা আৰু মৰক্কো। উল্লেখ্য যে মহিলাৰ ফুটবলৰ ৰেংকিঙত আমেৰিকা এক নম্বৰত আৰু ব্ৰাজিল ন নম্বৰত আছে। অহা ১১ অক্টোবৰৰ পৰা প্ৰতিযোগিতা আৰম্ভ হ'ব। উদ্বোধনী দিনাই ভাৰতীয় দলে আমেৰিকাৰ বিপক্ষে খেলিব লাগিব। আনহাতে, ভাৰতে ১৪ অক্টোবৰত মৰক্কো আৰু ১৭ অক্টোবৰত ব্ৰাজিলৰ বিপক্ষে গ্ৰুপৰ মেচ খেলিব। ভাৰতৰ তিনিওখন মেচ অনুষ্ঠিত হ'ব ওড়িছা ভুৱনেশ্বৰৰ কলিংগ ষ্টেডিয়ামত। নিশা আঠ বজাৰ পৰা খেলসমূহ আৰম্ভ হ'ব।



বিশ্বকাপত অংশগ্ৰহণকাৰী মুঠ ১৬টা দলক চাৰিটা গ্ৰুপত ভাগ কৰা হৈছে। 'বি' গ্ৰুপত আছে জাৰ্মানী, নাইজেৰিয়া, চিলি আৰু নিউজিলেণ্ড। 'চি' গ্ৰুপত স্থান পাইছে স্পেইন, কলম্বিয়া, মেক্সিকো আৰু চীনে। সেইদৰে 'ডি' গ্ৰুপৰ দল চাৰিটা হৈছে জাপান, তাঞ্জানিয়া, কানাডা আৰু ফ্ৰান্স। ভুৱনেশ্বৰৰ উপৰি গোৱাৰ পণ্ডিত জৱাহৰলাল নেহৰু ষ্টেডিয়াম আৰু নবি মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত বিশ্বকাপৰ খেল অনুষ্ঠিত হ'ব। ৩০ অক্টোবৰত নবি মুম্বাইত ফাইনেল অনুষ্ঠিত হ'ব। ছেমি ফাইনেল দুখন অনুষ্ঠিত হ'ব গোৱাত। উল্লেখ্য যে অনূৰ্ধ্ব-১৭ বছৰ মহিলাৰ বিশ্বকাপৰ সফলতম দল উত্তৰ কোৰিয়াই এইবাৰ যোগ্যতা অৰ্জন কৰিব নোৱাৰিলে। উত্তৰ কোৰিয়াই ২০০৮ আৰু ২০১৬ত খিতাপ জয় কৰিছিল। জাপান, দক্ষিণ কোৰিয়া আৰু ফ্ৰান্সে এবাৰকৈ খিতাপ জয় কৰিছে।

## ডিমাকুছিত ১৭-অনূৰ্ধ্ব মহিলা ফুটবলত ৰাজস্থান-পশ্চিমবংগৰ জয়

### আজি নিৰ্ধাৰণ হ'ব অসম দলৰ ভাগ্য



**অগ্ৰদূত বাৰ্তা**
**টংলা, ২৪ জুন ঃ** ডিমাকুছিত চলি থকা ১৭ বছৰ অনূৰ্ধ্বৰ ছোৱালীৰ ৰাষ্ট্ৰীয় জুনিয়ৰ ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত ৰাজস্থান আৰু পশ্চিমবংগই জয়লাভ কৰে। পুৱা অনুষ্ঠিত 'এইছ' গ্ৰুপৰ এখন খেলত ৰাজস্থানে ২-০ গ'লৰ ব্যৱধানত জম্মু-কাশ্মীৰক পৰাস্ত কৰে। ৰাজস্থান দলৰ দীক্ষা কুমাৰীয়ে ৫৮ মিনিটত এটা গ'ল কৰাৰ সমান্তৰালভাৱে খুছি চাণ্ডেলে ৬৬ মিনিটত পুনৰ এটা গ'ল স্ক'ৰ কৰি দলৰ জয় নিশ্চিত কৰে। উল্লেখ্য যে জম্মু-কাশ্মীৰ দলে এই পৰ্যন্ত এখনো খেলত জয়লাভ কৰিবলৈ সক্ষম হোৱা নাই। আনহাতে, আজি অনুষ্ঠিত 'এইছ' গ্ৰুপৰে আন এখন খেলত পশ্চিমবংগই ৩-০ গ'লৰ ব্যৱধানত তামিলনাডুক পৰাস্ত কৰে। ৪৫ আৰু ৭২ মিনিটত সোণালী ছ'ৰেনে দুটা, অধিনায়ক ৰিম্পা হালদাৰে ৪৭ মিনিটত এটা গ'ল স্ক'ৰ কৰি জয়ৰ ব্যৱধান ৩-০ কৰে।

ইফালে, অসম দলৰ ভাগ্য নিৰ্ণায়ক খেলখন কাইলৈ হাৰিয়ানাৰ বিৰুদ্ধে আবেলি তিনি বজাৰ পৰা অনুষ্ঠিত হ'ব। মন কৰিবলগীয়া যে এই পৰ্যন্ত 'জি' গ্ৰুপত হাৰিয়ানাই শীৰ্ষস্থান দখল কৰি থাকিবলৈ সক্ষম হৈছে। সেয়ে কাইলৈৰ খেলখন ঘৰুৱা দলটোৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ হ'ব। উল্লেখ্য যে অসমে ইতিমধ্যে প্ৰথমখন খেলত পুডুচেৰীক হৰুৱাই ৰাজ্যবাসীক আনন্দিত কৰিছিল। যদিও গ্ৰুপৰ দ্বিতীয়খন মেচত গুজৰাটৰ বিৰুদ্ধে পৰাস্ত হৈ দলটো এতিয়া অগ্নিপৰীক্ষাৰ সন্মুখীন হৈছে। কাইলৈৰ খেলখনে নিশ্চিত কৰিব প্ৰতিযোগিতাত ঘৰুৱা দলৰ ভৱিষ্যত। কাইলৈ যদি অসমে হাৰিয়ানাৰ বিৰুদ্ধে পৰাস্ত হয়, তেন্তে প্ৰতিযোগিতাৰ পৰাই বিদায় ল'ব লাগিব। ইয়াৰ বিপৰীতে অসমে ছেমি ফাইনেলত প্ৰৱেশ কৰিবলৈ কাইলৈ হাৰিয়ানা দলক অতি কমেও ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিব লাগিব। যিটো প্ৰায় অসম্ভৱ লক্ষ্য হৈ পৰিছে। ইফালে, কাইলৈ গুজৰাট আৰু পুডুচেৰীৰ মাজতো আন এখন খেল অনুষ্ঠিত হ'ব।


## বঙাইগাঁৱত টেবুল টেনিছৰ গ্ৰীষ্মকালীন শিবিৰ

**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ২৪ জুন ঃ** অহা তিনি জুলাইৰ পৰা ৩১ জুলাইলৈকে বঙাইগাঁও ষ্টেডিয়াম ৰক্ষণাবেক্ষণ সমিতিৰ দ্বাৰা বঙাইগাঁৱৰ চিলাৰায় ইনড'ৰ ষ্টেডিয়ামত টেবুল টেনিছৰ এক মাহজোৰা গ্ৰীষ্মকালীন শিবিৰৰ আয়োজন কৰা হৈছে। এই শিবিৰটো টেলেংগানাৰ হায়দৰাবাদৰ পৰা অহা পেছাদাৰী আন্তঃৰাষ্ট্ৰীয় টেবুল টেনিছ ফেডাৰেছনৰ প্ৰমাণিত প্ৰশিক্ষকসকলে পৰিচালনা কৰিব। শিশু আৰু প্ৰাপ্তবয়স্কসকলৰ বাবে এই টেবুল টেনিছ শিবিৰ প্ৰথমবাৰৰ বাবে বঙাইগাঁৱত অনুষ্ঠিত কৰা হ'ব। শিবিৰৰ বাবে সামৰি লোৱা বয়সৰ গোটসমূহ হৈছে সাত-ন বছৰৰ ল'ৰা আৰু ছোৱালী, ১০-১২ বছৰৰ ল'ৰা আৰু ছোৱালী, ১৩-১৫ বছৰৰ ল'ৰা আৰু ছোৱালী, ১৬-২১ বছৰৰ ল'ৰা আৰু ছোৱালী, ২১ বছৰ বা তাতকৈ অধিক বয়সৰ পুৰুষ আৰু মহিলা। এই শিবিৰটোৱে ল'ৰা-ছোৱালী তথা পুৰুষ-মহিলা সকলক 'ফিট ইণ্ডিয়া ম'ভমেণ্ট' ৰ স'তে মিলিত হ'বলৈ সহায় কৰিব। শিবিৰ পৰিচালনা কৰিবলগীয়া হায়দৰাবাদৰ প্ৰশিক্ষক ভি ভেংকট এছ এজন আইটিটিএফ প্ৰমাণিত হোৱাৰ লগতে মাইণ্ড প্ৰশিক্ষক তথা বায়'-এনাৰ্জেটিচিয়ান (ফ্ৰান্সৰ পৰা), লেখক তথা ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ ২০১৯ আৰু ২০২০ পদক বিজয়ী ক্ৰীড়াবিদ। আনজন প্ৰশিক্ষক দীপক এম, তেওঁ এজন আটিটিএফ আৰু এনআইছ প্ৰশিক্ষক, লগতে ফিটনেছ প্ৰশিক্ষক আৰু তেওঁলোকৰ দল।

## লাহদৈগড়ত ফুটবল প্ৰশিক্ষণ

**অগ্ৰদূত বাৰ্তা**
লাহদৈগড়, চচ্ছু জুন ঃ পীড়াকটা ক্ৰীড়া সন্থাৰ উদ্যোগত পীড়াকটা খেল পথাৰত পহিলা জুলাইৰ পৰা ১৫দিনীয়া এক ফুটবল প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হৈছে। বাইচুং ভুটীয়া একাডেমীৰ প্ৰশিক্ষণপ্ৰাপ্ত প্ৰশিক্ষকে এই ফুটবল প্ৰশিক্ষণ প্ৰদান কৰিব। পীড়াকটা ক্ৰীড়া সন্থাই ইচ্ছুক যুৱক-যুৱতীসকলক ৮৬৩৮৯৯০১৫৩ আৰু ৯৮৬৪৯৩৬৪৫২ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

## পাঞ্জাত দেশৰ হৈ স্বৰ্ণপদক জয় তেজপুৰৰ ডেইজীৰ গৃহ চহৰত জনালে উষ্ম সম্বৰ্ধনা



**ষ্টাফ ৰিপ'ৰ্টাৰ,**
**তেজপুৰ, ২৪ জুন ঃ** দেশৰ হৈ আন্তঃৰাষ্ট্ৰীয় পাঞ্জা প্ৰতিযোগিতাত অংশ লৈ তেজপুৰৰ মহিলা পাঞ্জা খেলুৱৈ ডেইজী হাজৰিকাই সোণৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। তেজপুৰৰ মিলনপুৰ নিবাসী প্ৰয়াত মন্টু হাজৰিকা আৰু অঞ্জলি হাজৰিকাৰ দুহিতা ডেইজীয়ে যোৱা ১৬ জুনৰ পৰা ২০ জুনলৈ মালয়েছিয়াত অনুষ্ঠিত হোৱা এছিয়া কাপ চেম্পিয়নশ্বিপ পাঞ্জা প্ৰতিযোগিতাত দেশৰ হৈ ৫৭ কিলোগ্ৰাম শাখাত অংশ লৈছিল। ফাইনেলত মালয়েছিয়াৰে প্ৰতিদ্বন্দ্বীক পৰাভূত কৰি সোণৰ পদক অৰ্জন কৰা ডেইজীয়ে আজি তেজপুৰত পদাৰ্পণ কৰে। খেলুৱৈগৰাকীৰ এই সাফল্যত তেজপুৰৰ ক্ৰীড়ানুৰাগীসকল যথেষ্ট উৎফুল্লিত হৈ পৰে। আজি দিনৰ প্ৰায় ১২ বজাত তেওঁক স্থানীয় বালিপুখুৰী তিনিআলিত উত্তৰ পশ্চিম তেজপুৰ সাহিত্য সভা, তিনিআলিৰ যুৱক বৃন্দৰ লগতে বিভিন্ন দল-সংগঠনে সম্বৰ্ধনা জনায়। ইয়াৰ পাছতে বিজয়ী খেলুৱৈগৰাকীক মিলনপুৰৰ যুৱক বৃন্দই মটৰ চাইকেল ৰেলী কৰি নিজ গৃহলৈ আগবঢ়াই নিয়ে।

## প্ৰথম ৰঞ্জী জয়ৰ সুযোগ মধ্যপ্ৰদেশৰ

**নিউজ ব্যুৰ'**
**বাংগালুৰু, ২৪ জুন ঃ** প্ৰথম ইনিংছৰ অগ্ৰগতি নিশ্চিত কৰি প্ৰথমবাৰলৈ ৰঞ্জী ট্ৰফীৰ খিতাপ জয়ৰ সম্ভাৱনা উজ্জ্বল কৰিলে মধ্যপ্ৰদেশে। চলিত পাঁচদিনীয়া ফাইনেলখনত মুম্বাইৰ ৩৭৪ ৰাণৰ প্ৰত্যুত্তৰত মধ্যপ্ৰদেশে তৃতীয় দিনাৰ খেল সমাপ্তিলৈ মাত্ৰ তিনিটা উইকেটত হেৰুৱাই ৩৬৮ ৰাণ সংগ্ৰহ কৰিছে। অৰ্থাৎ দলটো মাত্ৰ ছয় ৰাণত পিছ পৰি আছে আৰু প্ৰথম ইনিংছত অগ্ৰগতি লোৱাটো নিশ্চিত কৰিছে। আনকি হাতত সাতটা উইকেট হাতত থকা অৱস্থাত কাইলৈ বৃহৎ অগ্ৰগতি অৰ্জনেৰে মধ্যপ্ৰদেশে খেলখনত পোনপটীয়াকৈ জয়লাভ কৰাৰো সুযোগ লাভ কৰিব পাৰে। ৰঞ্জীৰ নিয়ম অনুসৰি, খেল অমীমাংসিত হ'লে প্ৰথম ইনিংছত অগ্ৰগতি অৰ্জন কৰা দলক বিজয়ী ঘোষণা কৰা হয়।

উল্লেখ্য যে কালি দ্বিতীয় দিনাৰ খেলত মধ্যপ্ৰদেশে এক উইকেটৰ বিনিময়ত ১২৩ ৰাণ সংগ্ৰহ কৰিছিল। অপেনাৰ য়শ ডুবে ৪৪ আৰু শুভম শৰ্মা ৪১ ৰাণত অপৰাজিত আছিল। আজি দুয়োজন বেটৰে শতৰাণ সংগ্ৰহ কৰি মুম্বাইৰ অগ্ৰগতিৰ আশাত চেঁচাপানী ঢালে। য়শে ১৩৩ আৰু শুভমে ১১৬ ৰাণ কৰি আউট হয়। দিনান্তলৈ ৰজত পাটিদাৰে ৬৭ আৰু অধিনায়ক আদিত্য শ্ৰীবাস্তৱে ১১ ৰাণত অপৰাজিত হৈ ৰয়।

## আইপিএলক আইচিচিয়ে গুৰুত্ব দিয়াৰ অভিযোগ

# বিশ্ব ক্ৰিকেটৰ অভিভাৱক সংস্থাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিব পাকিস্তানে

**নিউজ ব্যুৰ'**
**কৰাচী, ২৪ জুন ঃ** বিশ্ব ক্ৰিকেটৰ অভিভাৱক সংস্থা আইচিচিৰ বিৰুদ্ধে পক্ষপাতৰ অভিযোগ আনিলে পাকিস্তানে। আইপিএলক অধিক গুৰুত্ব প্ৰদান কৰাৰ অভিযোগত আইচিচিৰ বিৰুদ্ধে প্ৰতিবাদ কৰাৰ সিদ্ধান্ত লৈছে পাক ক্ৰিকেট ব'ৰ্ডে। আইচিচিৰ কেলেণ্ডাৰত আইপিএলে স্থান পাব বুলি হোৱা চৰ্চাতে খৰ্গহস্ত হৈ পৰিছে পিচিবি।

উল্লেখ্য যে ২০২৪ৰ পৰা আইপিএল চলি থকা অৱস্থাত কোনো আন্তৰ্জাতিক প্ৰতিযোগিতাৰ সূচী নাৰাখিবলৈ আন্তৰ্জাতিক ক্ৰিকেট পৰিষদক আবেদন জনাইছে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে। এই প্ৰসংগত বিচিচিআইৰ সচিব জয় শ্বাহে জনাইছে যে ২০২৪ৰ পৰা আইচিচিৰ কেলেণ্ডাৰত ঠাই পাব আইপিএলে। এই প্ৰসংগত আইচিচি আৰু অন্যান্য দেশৰ ক্ৰিকেট ব'ৰ্ডৰ স'তে আলোচনা কৰা বুলি শ্বাহে সদৰী কৰিছে। এই বিষয়তে আপত্তি দৰ্শাইছে পিচিবিয়ে। তেওঁলোকে এই বিষয়ত আইচিচিক অভিযোগ কৰিব বুলি জানিবলৈ দিছে পিচিবিৰ অধ্যক্ষ ৰামিজ ৰাজাই। পাকিস্তানৰ প্ৰাক্তন অধিনায়কজনে কয়, 'আইপিএলক আইচিচিৰ ক্ৰিকেট কেলেণ্ডাৰত স্থান দিয়া হ'ব নে নাই সেই বিষয়ত এই পৰ্যন্ত কোনো ঘোষণ কৰা হোৱা নাই। তথাপি আইচিচিৰ বৈঠকত আমি ইয়াৰ বিৰোধিতা কৰিম। আমাৰ অভিযোগ স্পষ্ট। আইচিচিৰ কেলেণ্ডাৰত কোনো সালসলনি ঘটিলে তাৰ প্ৰভাৱ আন্তৰ্জাতিক ক্ৰিকেটত পৰিব। এনেকুৱা হ'ব নোৱাৰে। এখন দেশত অতিৰিক্ত সুবিধা পাবলৈ দিয়া নহ'ব।'

# ফাইনেলৰ পথ প্ৰশস্ত ন'ভাক-নাডালৰ!

## উইম্বলডনৰ প্ৰথম ৰাউণ্ডত সহজ প্ৰতিপক্ষ পালে অধিকাংশ তাৰকাই

**নিউজ ব্যুৰ'**
**লণ্ডন, ২৪ জুন ঃ** অহা সপ্তাহৰ পৰা আৰম্ভ হ'বলগীয়া উইম্বলডন টেনিছৰ পুৰুষ ছিংগল্‌ছত ফাইনেল খেলাৰ পথ প্ৰায় প্ৰশস্ত হ'ল খিতাপৰ দুই দাবীদাৰ ন'ভাক ডক'ভিচ আৰু ৰাফেল নাডালৰ। আজি সন্মানীয় গ্ৰেণ্ড শ্লাম প্ৰতিযোগিতাখনৰ ক্ৰীড়াসূচী ঘোষণা কৰা হয়। ইতিমধ্যেই এই প্ৰতিযোগিতাৰ বাবে ডক'ভিচে শীৰ্ষ আৰু নাডালে দ্বিতীয় বাছনি লাভ কৰিছিল। যাৰ বাবে ফাইনেল পৰ্যন্ত দুয়ো পৰস্পৰৰ মুখামুখি হোৱাৰ সম্ভাৱনা নাই। আজিৰ ক্ৰীড়াসূচীৰ ফলত মহাতাৰকা টেনিছ খেলুৱৈদ্বয়ে কোৱাৰ্টাৰ ফাইনেল



পৰ্যন্ত বিশেষ শক্তিশালী প্ৰতিদ্বন্দ্বী লাভ নকৰাটো নিশ্চিত হ'ল। কোৱাৰ্টাৰ ফাইনেলত ডক'ভিচে ভৱিষ্যতৰ নাডালৰূপে খ্যাতি অৰ্জন কৰা তৰুণ খেলুৱৈ কাৰ্লোছ আলকাৰাজৰ বিপক্ষে খেলিবলগীয়া হ'ব পাৰে। সেইদৰে নাডালৰ কোৱাৰ্টাৰ ফাইনেলৰ প্ৰতিদ্বন্দ্বী হ'ব পাৰে ফেলিক্স অগাৰ। প্ৰথম শাৰীৰ প্ৰায় সকলো খেলুৱৈয়ে দুৰ্বল প্ৰতিপক্ষৰ বিপক্ষে খেলাৰ সুযোগ পাইছে।

ইফিনে, মহিলাৰ ছিংগল্‌ছত অন্যতম আকৰ্ষণ হ'ব পূৰ্বৰ সাতবাৰৰ চেম্পিয়ন ছেৰেণা উইলিয়ামছ। যোৱা বছৰ উইম্বলডনত আঘাত পাই নাম প্ৰত্যাহাৰ কৰাৰ পাছত তেওঁ প্ৰথমবাৰলৈ ক'ৰ্টত অৱতীৰ্ণ হৈছে। উইম্বলডনৰ জৰিয়তেই প্ৰবীণ তাৰকাগৰাকীয়ে শীৰ্ষ প্ৰতিযোগিতালৈ প্ৰত্যাৱৰ্তন ঘটাব। প্ৰথম ৰাউণ্ডত ছেৰেণাই খেলিব তেওঁতকৈ ১,০৮১টা ৰেংকিঙৰ আগত থকা ফ্ৰান্সৰ হাৰমনি টেনৰ বিপক্ষে। মহিলাৰ এক নম্বৰ খেলুৱৈ ইগা ছিয়াঁটেকেও প্ৰথম ৰাউণ্ডত সহজ প্ৰতিপক্ষ লাভ কৰিছে। তেওঁৰ প্ৰতিদ্বন্দ্বী হ'ব ক্ৰ'ৱেছিয়াৰ যোগ্যতা অৰ্জনকাৰী জানা ফেট। দ্বিতীয় বাছনিপ্ৰাপ্ত এনেট কণ্টাভিউৰ প্ৰথম ৰাউণ্ডৰ প্ৰতিপক্ষ হ'ব আমেৰিকাৰ বাৰ্ণাডা পেৰা। প্ৰাক্তন উইম্বলডন চেম্পিয়ন ছিম'না হালেপে খেলিব চেক গণতন্ত্ৰৰ কেৰ'লিনা মুচ'ভাৰ বিপক্ষে। অৱশ্যে স্থানীয় তাৰকা তথা ইউ এছ অপেন চেম্পিয়ন এমা ৰাডুকানু প্ৰথম ৰাউণ্ডত কিছু প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পাৰে। তেওঁ খেলিব লাগিব বেলজিয়ামৰ অভিজ্ঞ খেলুৱৈ এলিছন ভেন ইউভানেকৰ বিপক্ষে।

## তৃতীয় টেষ্টত বিপদত পৰিছে ইংলণ্ড



**নিউজ ব্যুৰ'**
**লীড্‌ছ, ২৪ জুন ঃ** নিউজিলেণ্ডৰ বিপক্ষে তৃতীয় টেষ্টত বিপদত পৰিছে ইংলণ্ড। নিউজিলেণ্ডে আজি ৩২৯ ৰাণত নিজৰ প্ৰথম ইনিংছ সামৰে। ইয়াৰ প্ৰত্যুত্তৰত ঘৰুৱা দলটোৱে ১৪২ ৰাণতে ছটা উইকেট হেৰুৱাইছে। ফাষ্ট বলাৰ ট্ৰেণ্ট বাউল্ট (৩/৫৪)ৰ বিধ্বংসী বলিঙৰ বাবে ইংলণ্ডৰ ৫৫ ৰাণতে ছটা উইকেটৰ পতনৰ পাছত দলৰ খহনীয়া ৰোধ কৰে জনী বেয়াৰষ্ট' আৰু জেমী অভাৰটনে। বেয়াৰষ্ট'ৱে ৬৬ আৰু অভাৰটনে ৩৪ ৰাণ কৰি খেলি আছে। ইয়াৰ পূৰ্বে নিউজিলেণ্ডৰ হৈ পুনৰ ত্ৰাণকৰ্তাৰ ভূমিকাত অৱতীৰ্ণ হয় ডাৰিল মিচেল। তেওঁ চলিত শৃংখলাত নিজৰ তৃতীয়টো শতৰাণ সম্পূৰ্ণ কৰে। মিচেলৰ ১০৯ ৰাণৰ ইনিংছটোত আছিল নটা বাউণ্ডেৰী আৰু তিনিটা ছিক্সাৰ। উইকেটকীপাৰ-বেটাৰ টম ব্লাণ্ডেলে ৫৫ আৰু টিম ছাউথীয়ে ৩৩ ৰাণৰ বৰঙণি যোগায়। ইংলণ্ডৰ স্পীনাৰ জেক লীচে পাঁচ উইকেট দখল কৰে।

# কাইলৈ অধিনায়কৰূপে অভিষেক হাৰ্দিকৰ

**নিউজ ব্যুৰ'**
**ডাবলিন, ২৪ জুন ঃ** ভাৰতীয় ক্ৰিকেট দলৰ অধিনায়করূপে দেওবাৰে অভিষেক ঘটাব তাৰকা অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়াই। সদ্যসমাপ্ত আইপিএলত গুজৰাট টাইটান্‌ছক নেতৃত্ব দি চেম্পিয়ন কৰোৱাত বিশেষ ভূমিকা লৈ হাৰ্দিকে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। যাৰ বাবে অধিকাংশ জ্যেষ্ঠ খেলুৱৈৰ অনুপস্থিতিত আয়াৰলেণ্ড ভ্ৰমণৰ বাবে হাৰ্দিকক ভাৰতৰ দ্বিতীয় শাৰীৰ দলৰ অধিনায়ক নিৰ্বাচন কৰা হয়। আয়াৰলেণ্ডৰ বিপক্ষে দুখনীয়া টি-২০ মেচৰ শৃংখলাৰ প্ৰথমখন মেচ দেওবাৰে খেলিব ভাৰতে।

মুখ্য প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড় সম্প্ৰতি টেষ্ট দলৰ স'তে ইংলণ্ডত আছে। সেয়ে হাৰ্দিক নেতৃত্বাধীন দলৰ অস্থায়ী প্ৰশিক্ষকৰ দায়িত্ব গ্ৰহণ কৰিছে ভিভিএছ লক্ষ্মণে। দক্ষিণ আফ্ৰিকাৰ বিপক্ষে টি-২০ শৃংখলাত খেলা ঋষভ পণ্ট আৰু শ্ৰেয়াছ আয়াৰ সম্প্ৰতি টেষ্ট দলত আছে। গতিকে এই দুটা খালী ঠাইৰ এটা পূৰণ কৰিব সূৰ্যকুমাৰ যাদৱে। বিগত এটা বছৰে ভাৰতৰ টি-২০ দলৰ নিয়মিত সদস্য সূৰ্যকুমাৰে আঘাতৰ বাবে দক্ষিণ আফ্ৰিকাৰ বিপক্ষে খেলিব পৰা নাছিল। আনটো স্থানত সুযোগ পোৱাৰ প্ৰবল দাবীদাৰ সঞ্জু ছেমছন। আন্তৰ্জাতিক ক্ৰিকেটত নিজৰ উপযোগিতা প্ৰমাণ কৰাৰ বাবে ছেমছনৰ এয়াই সুবৰ্ণ সুযোগ। ইয়াৰ পাছত হয়তো তেওঁ তেনে সুযোগ নাপাবও পাৰে। কিয়নো আন্তৰ্জাতিক ক্ৰিকেটত ছেমছনে নিজৰ প্ৰতিভাৰ প্ৰতি সুবিচাৰ কৰিব পৰা নাই। অৱশ্যে এই স্থানৰ বাবে ছেমছনে ফৰ্মত থকা দীপক হুডা বা আইপিএলত দৃষ্টি আকৰ্ষণকাৰী ৰাহুল ত্ৰিপাঠীৰ স'তে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব লাগিব। সেইদৰে অপেনিঙত দক্ষিণ আফ্ৰিকাৰ বিপক্ষে বিশেষ উন্নত প্ৰদৰ্শন কৰিব নোৱৰা ৰুতুৰাজ গায়কোৱাড়েও তুলনামূলকভাৱে দুৰ্বল প্ৰতিপক্ষৰ বিপক্ষে বৃহৎ স্ক'ৰ কৰি আত্মবিশ্বাস ঘূৰাই অনাৰ সুযোগ পাইছে।

বলিঙত ভাৰতীয় দলৰ নেতৃত্বত থাকিব সহঃ অধিনায়ক ভুৱনেশ্বৰ কুমাৰ। তেওঁৰ লগতে আৱেশ খান আৰু হৰ্ষল পেটেলে খেলাৰ সম্ভাৱনাই অধিক। ফলত আইপিএলত দৃষ্টি আকৰ্ষণ কৰা দ্ৰুতবেগী বলাৰ উমৰান মালিক আৰু অৰ্শদীপ সিঙে সুযোগ নোপোৱাৰ সম্ভাৱনাই অধিক। সেইদৰে স্পীন বিভাগত অক্ষৰ পেটেল আৰু যুজবেন্দ্ৰ চাহালে খেলাৰে সম্ভাৱনা আছে। সেই ক্ষেত্ৰত বাহিৰত থাকিব লাগিব সামান্য সুযোগতে দৃষ্টি আকৰ্ষণ কৰা ৰবি বিষ্ণ'য়।



# অলিম্পিক আয়োজনত ভাৰতক সহায় কৰিব লৈ সাজু 'নিৰ্বাসিত' ৰাছিয়াই

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৪ জুন ঃ** ড'প কেলেংকাৰি, ইউক্ৰেইনত আক্ৰমণৰ দৰে একাধিক কাৰণত অলিম্পিকসহ বহুতো প্ৰতিযোগিতাৰ পৰা নিৰ্বাসিত কৰা হৈছে ৰাছিয়াক। ৰুছ ক্ৰীড়াবিদে অন্যান্য প্ৰতিযোগিতাত অংশ ল'ব পাৰিলেও নিজ দেশৰ পতাকা ব্যৱহাৰ কৰিব নোৱাৰিব। আন্তৰ্জাতিক ক্ৰীড়াক্ষেত্ৰত অকলশৰীয়া হ'লেও এতিয়া ৰাছিয়াই থিয় দিছে ভাৰতৰ কাষত। ২০৩৬ত ভাৰতে অলিম্পিক আয়োজনৰ দায়িত্ব লাভ কৰিলে ৰাছিয়াই যথাসাধ্য সাহায্য আগবঢ়াব বুলি আশ্বাস দিছে দেশখনৰ ক্ৰীড়ামন্ত্ৰী অ'লেগ মেটিটছিনে।

উল্লেখ্য যে ইয়াৰপূৰ্বে ৰাছিয়াই নিজে ২০৩৬ৰ অলিম্পিক আয়োজনৰ ইচ্ছাপ্ৰকাশ কৰিছিল। অৱশ্যে আন্তৰ্জাতিক অলিম্পিক কমিটীয়ে সেই প্ৰস্তাৱ নাকচ কৰে। আনহাতে




ভাৰতৰ তৰফৰ পৰা এই পৰ্যন্ত আনুষ্ঠানিকভাৱে কোনো আবেদন জনোৱা নাই। যদিও ভাৰতীয় অলিম্পিক সংস্থাৰ সূত্ৰই জনাইছে যে ২০৩৬ৰ অলিম্পিক আয়োজন কৰিবলৈ তেওঁলোক আগ্ৰহী। ইয়াতেই ভাৰতে কাষত পাইছে ৰাছিয়াক। সম্প্ৰতি ভাৰত ভ্ৰমণলৈ আহিছে ৰাছিয়াৰ ক্ৰীড়ামন্ত্ৰী মেটিটছিন। নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত ৰুছ ক্ৰীড়ামন্ত্ৰীজনে কয়, 'যদি ভাৰতে অলিম্পিক আয়োজনৰ দায়িত্ব লাভ কৰে, তেন্তে আমি সাহায্য কৰিবলৈ প্ৰস্তুত আছো। আশাকৰো আমাৰ অভিজ্ঞতাক ভাৰতে কামত লগাব পাৰিব।' মেটিটছিনে লগতে দুই দেশৰ মাজত এখন প্ৰীতি ফুটবল মেচৰো প্ৰস্তাৱ আগবঢ়ায়। নতুন দিল্লীত তেওঁ ভাৰতৰ ক্ৰীড়ামন্ত্ৰী অনুৰাগ ঠাকুৰৰ স'তে এক আলোচনাত মিলিত হয়। ক্ৰীড়াৰ ক্ষেত্ৰত দুই দেশৰ পাৰস্পৰিক সহযোগিতাৰ সন্দৰ্ভতে আলোচনা হয়। উল্লেখ্য যে ভাৰতে ২০২৪ আৰু ২০৩২ৰ অলিম্পিক আয়োজনৰ ইচ্ছাপ্ৰকাশ কৰিছিল যদিও কোনো আনুষ্ঠানিক আবেদন জনোৱা নাছিল। ২০২৪ত পেৰিছ, ২০২৮ত লছ এঞ্জেল্‌ছ আৰু ২০৩২ত ব্ৰিছবেনত অলিম্পিক অনুষ্ঠিত হ'ব। ২০৩৬ৰ অলিম্পিকৰ বাবে আবেদন জনাব পাৰে ভাৰতে।


**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
**ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।**
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com

BlueKraft Digital Foundation

RUPA




## ৰাজ্যিক ভিত্তিত উন্মোচন

# MODI @20 DREAMS MEET DELIVERY

সন্মানীয় উপস্থিতি

## ড° হিমন্ত বিশ্ব শৰ্মা

মুখ্যমন্ত্ৰী, অসম

তাৰিখ : ২৫ জুন ২০২২ | দিনৰ ১১:৩০ বজা

স্থান : শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, গুৱাহাটী

### উন্মোচন কৰিব


ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তী
প্ৰসিদ্ধ সাংবাদিক


ডাঃ ইলিয়াছ আলী
বিশিষ্ট অস্ত্ৰোপচাৰ বিশেষজ্ঞ


অংগৰাগ পাপন মহন্ত
সংগীত শিল্পী আৰু সুৰকাৰ


লাভলীনা বৰগোহাঁই
অলিম্পিক পদকপ্ৰাপক বক্সাৰ


হিমা দাস
এছিয়ান গেমছ পদকপ্ৰাপক দৌৰবিদ


অচ্যুত বৰগোহাঁই
ৰাষ্ট্ৰীয় অভিলেখ সৃষ্টিকাৰী দৌৰবিদ

### বিশিষ্ট অতিথি


পি ভি সিন্ধু
অলিম্পিক পদকপ্ৰাপক, বেডমিণ্টন


প্ৰদীপ গুপ্তা
অধ্যক্ষ আৰু পৰিচালন সঞ্চালক
এক্সিছ মাই ইণ্ডিয়া

### গ্ৰন্থখনৰ বিষয়ে

MODI @20 DREAMS MEET DELIVERY

- ভাৰতীয় ৰাজনীতিত নৰেন্দ্ৰ মোদীৰ উত্থান আধাৰিত এখন গ্ৰন্থ
- ব্লুক্ৰাফ্ট ডিজিটেল ফাউণ্ডেচনৰ দ্বাৰা সম্পাদিত আৰু সংকলিত
- ৰূপা পাব্লিকেচনৰ দ্বাৰা প্ৰকাশিত
- বিগত ২০ বছৰত গুজৰাট আৰু ভাৰতত হোৱা উন্নয়নসমূহৰ আলোকপাত
- ২০২১ বৰ্ষটোৱে মোদীয়ে ৰাজ্য আৰু কেন্দ্ৰ উভয় চৰকাৰৰ মুৰব্বী হিচাপে সফলতাৰে সম্পূৰ্ণ কৰা নিৰন্তৰ ২০টা বছৰক চিহ্নিত কৰিছে। তেওঁৰ শাসন ব্যৱস্থাৰ অনন্য আহিঁয়ে এক বিশেষ স্থান দখল কৰাৰ লগতে ই এক অনুকৰণীয় আদৰ্শৰূপে প্ৰতিফলিত হৈছে।

### অধ্যায়সমূহ লিখিছে

• পি ভি সিন্ধু • সোবনা কামিনেনি • সুৰজিত এছ ভাল্লা • আমিশ ত্ৰিপাঠী • অমিত শ্বাহ • প্ৰদীপ গুপ্তা • অনন্ত নাগেশ্বৰন • অৰবিন্দ পানাগৰিয়া • শমিকা ৰবি • উদয় এছ কোটাক • অজয় মাথুৰ • অনুপম খেৰ • অশোক গুলাটি • ডাঃ দেৱী শেষ্টি • নন্দন নিলেকানি • নৃপেন্দ্ৰ মিশ্ৰ • সদগুৰু • সুধা মূৰ্তি • অজিত ডোভাল কে চি • মনোজ লাডৱা • ভাৰত বাৰাই • এছ জয়শংকৰ

আগকথা
**লতা মংগেশকাৰ**